सत्यमेव जयते

শকি্ষা মন্ত্ৰালয়
MINISTRY OF
**EDUCATION**



# শিক্ষকৰ বাবে ৰাষ্ট্ৰীয় পেছাদাৰী মানদণ্ড (NPST)

**Assamese**/অসমীয়া

***NPST নিৰ্দেশনা তথ্যপুস্তিকা, 2023***

## দফা 5.20, NEP 2020

*“2022 চনৰ ভিতৰত ৰাষ্ট্ৰীয় শিক্ষক শিক্ষা পৰিষদে (National Council for Teacher Education - NCTE) শিক্ষকৰ বাবে ৰাষ্ট্ৰীয় পেছাদাৰী মানদণ্ড (National Professional Standards for Teachers - NPST) প্ৰস্তুত কৰিব, আৰু এই NPST সাধাৰণ শিক্ষা পৰিষদ (General Education Council - GEC)ৰ অধীনত আৰু NCERT, SCERT আৰু দেশৰ বিভিন্ন অংশৰ আগশাৰীৰ শিক্ষক, শিক্ষক প্ৰশিক্ষণৰ প্ৰতিষ্ঠান আৰু বৃত্তিগত শিক্ষাৰ দক্ষ ব্যক্তিৰ সহযোগত এটা পেছাদাৰী মানদণ্ড নিৰ্ণায়ক নিকায় (Professional Standard Setting Body - PSSB) গঠন কৰা হ'ব। এই মানদণ্ডই শিক্ষাৰ বিভিন্ন স্তৰত শিক্ষকৰ ভূমিকা আৰু এই স্তৰত প্ৰয়োজন হোৱা অৰ্হতা আৰু প্ৰতিযোগিতাক সামৰি ল'ব। প্ৰতিটো স্তৰৰ বাবে দক্ষতাৰ এক মানদণ্ড নিৰ্ধাৰণ কৰিব। NPSTএ নিয়োগৰ পূৰ্বে শিক্ষক প্ৰশিক্ষণ কাৰ্যৰো ৰূপৰেখা প্ৰস্তুত কৰিব। ইয়াৰ পিছত NPSTখন সকলো ৰাজ্যই গ্ৰহণ কৰি শিক্ষকৰ কৰ্মজীৱনৰ লগত জড়িত বিভিন্ন দিশ যেনে, ম্যাদ, পেছাদাৰী বিকাশ, দৰমহা বৃদ্ধি, পদোন্নতি আৰু অন্যান্য স্বীকৃতিৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব পাৰিব। পদোন্নতি আৰু দৰমহা বৃদ্ধি, জ্যেষ্ঠতা আৰু চাকৰিৰ সময়সীমাৰ সলনি এনে ৰূপৰেখাৰ ভিত্তিতহে প্ৰস্তুত কৰা হ'ব। 2030ত আৰু তাৰপিছত প্ৰতি দহবছৰৰ মূৰে মূৰে সমগ্ৰ প্ৰক্ৰিয়াটোৰ সফলতাৰ বিশ্লেষণৰ ভিত্তিত পেছাদাৰী মানদণ্ড পুনৰ অৱলোকন আৰু পৰিৱৰ্তন কৰা হ'ব।”*

“এক ভাল শিক্ষানুষ্ঠান হ’ল এনে এটা প্ৰতিষ্ঠান য’ত প্ৰতিগৰাকী শিক্ষাৰ্থীক আদৰণি জনোৱা হয় আৰু যত্ন লোৱা হয়, য’ত নিৰাপদ আৰু প্ৰেৰণাদায়ক শিক্ষণ পৰিৱেশ উপলব্ধ হৈ থাকে, য’ত শিক্ষাৰ্থীৰ বাবে বিভিন্ন ধৰণৰ শিকণ অভিজ্ঞতা আগবঢ়োৱা হয়, আৰু য’ত সকলো শিক্ষাৰ্থীৰ বাবে উপযুক্ত আন্তঃগাঁথনি আৰু শিকণৰ বাবে উপযুক্ত সম্পদ উপলব্ধ। এই সকলোবোৰ আহৰণ কৰাটোৱেই হ’ব লাগে প্ৰতিখন শিক্ষানুষ্ঠানৰ মূল লক্ষ্য। অৱশ্যে, একে সময়তে প্ৰতিষ্ঠান আৰু শিক্ষাৰ সকলো পৰ্যায়তে নিৰৱচ্ছিন্ন সংহতি আৰু সমন্বয়ো থকাটো প্ৰয়োজনীয়।

*“A good education institution is one in which every student feels welcomed and cared for, where a safe and stimulating learning environment exists, where a wide range of learning experiences are offered, and where good physical infrastructure and appropriate resources conducive to learning are available to all students. Attaining these qualities must be the goal of every educational institution. However, at the same time, there must also be seamless integration and coordination across institutions and across all stages of education”.*

**Dharmendra Pradhan**
Hon’ble Minister for Education;
Skill Development and
Entrepreneurship
Government of India
Shastri Bhawan
New Delhi-110001

सत्यमेव जयते

**ধৰ্মেন্দ্ৰ প্ৰধান**
মাননীয় শিক্ষা মন্ত্ৰী;
কৌশল বিকাশ আৰু উদ্যমিতা মন্ত্ৰী
ভাৰত চৰকাৰ
শাস্ত্ৰী ভৱন
নতুন দিল্লী -110001



## বাৰ্তা

ৰাষ্ট্ৰীয় শিক্ষা নীতি (NEP) 2020এ ৰাষ্ট্ৰৰ শৈক্ষিক উৎকৃষ্টতাৰ বাবে পথ প্ৰদৰ্শক হিচাপে কাম কৰি আহিছে। দূৰদৰ্শী দৃষ্টিভংগীৰ যোগেদি ই এনে এক শিক্ষক শিক্ষা ব্যৱস্থাৰ পথ প্ৰশস্ত কৰিছে যি কেৱল জ্ঞান প্ৰদান কৰাতে সীমাবদ্ধ নেথাকি শিক্ষকসকলক শিকন, সমালোচনাত্মক চিন্তাধাৰা আৰু সৃষ্টিশীলতাৰ প্ৰতিও আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। এই গুণসমূহ শিক্ষকসকলক একবিংশ শতিকাৰ প্ৰত্যাহ্বান আৰু সুযোগৰ বাবে প্ৰস্তুত কৰি তোলাৰ ক্ষেত্ৰত অপৰিহাৰ্য হিচাপে বিবেচিত হৈছে।

ভৱিষ্যত প্ৰজন্মৰ মানসিকতাক গঢ় দিয়াৰ ক্ষেত্ৰত শিক্ষকসকলৰ গুৰুত্বপূৰ্ণ ভূমিকাক যথাযথভাৱে গুৰুত্ব প্ৰদান কৰি এই নীতিয়ে স্বীকাৰ কৰিছে যে শিক্ষকসকলক প্ৰয়োজনীয় সঁজুলি আৰু জ্ঞানেৰে সজ্জিত কৰাটো অতিশয় প্ৰয়োজনীয়। ফলপ্ৰসূ পাঠদান পদ্ধতিৰ বাবে প্ৰত্যাশা আৰু নিৰ্দেশনা নিৰ্ণয় কৰি শিক্ষাৰ মানদণ্ড নিশ্চিত কৰাৰ বাবে শিক্ষকসকলৰ পেছাদাৰী মানদণ্ড বৰ্তাই ৰখাটো অতিশয় প্ৰয়োজনীয়। এই মানদণ্ডসমূহে শিক্ষকৰ কৌশল, জ্ঞান আৰু দক্ষতা গঢ় দিয়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

ৰাষ্ট্ৰীয় শিক্ষক শিক্ষা পৰিষদে (NCTE) শিক্ষকৰ বাবে ৰাষ্ট্ৰীয় পেছাদাৰী মানদণ্ড (NPST) নিৰ্দেশনা তথ্যপুথি প্ৰস্তুত কৰি উলিয়াইছে। ই হৈছে বিশেষজ্ঞতাৰ বিভিন্ন স্তৰত আৰু পেছাদাৰী কেৰিয়াৰৰ বিভিন্ন পৰ্যায়ত এজন শিক্ষকৰ ভূমিকাৰ অন্তৰ্নিহিত নিৰ্দেশনামূলক নীতিৰ সংকলন। ই শিক্ষকৰ প্ৰত্যাশিত দায়িত্ব আৰু দক্ষতাসমূহ স্পষ্ট কৰি দিয়ে, ফলত ই এক দক্ষ আৰু গতিশীল শিক্ষক শক্তিৰ সৃষ্টিত এক মাপকাঠী হিচাপে কাম কৰিব।

মোৰ বিশ্বাস যে নিৰন্তৰ প্ৰচেষ্টাই আমাৰ দেশৰ শৈক্ষিক ক্ষেত্ৰখনলৈ ইতিবাচক পৰিৱৰ্তন আনিব, আৰু এই পৰিৱৰ্তনে ভৱিষ্যত প্ৰজন্মক উপকৃত কৰিব।

**(ধৰ্মেন্দ্ৰ প্ৰধান)**

# বাৰ্তা



**অন্নপূৰ্ণা দেৱী**
**শিক্ষা বিভাগৰ মাননীয়**
**ৰাজ্য মন্ত্ৰী**
**শিক্ষা মন্ত্ৰালয়**
**ভাৰত চৰকাৰ**

শিক্ষকৰ বাবে ৰাষ্ট্ৰীয় পেছাদাৰী মানদণ্ড হ'ল এনে এক গুৰুত্বপূৰ্ণ মাইলৰ খুটি যিয়ে শিক্ষণ পেছা আৰু সকলোৰে বাবে শিক্ষাৰ সমতা সুনিশ্চিত কৰাৰ দায়বদ্ধতাক অধিক শক্তিশালী কৰি তোলে। NPSTৰ নিৰ্দেশাত্মক তথ্য পুথিখন শিক্ষাবিদ, বিশেষজ্ঞ, বিশেষজ্ঞসকলৰ গোট আৰু এই ক্ষেত্ৰৰ বিভিন্ন অংশীদাৰসকলৰ মাজত অনুষ্ঠিত হোৱা ব্যাপক আলোচনা, গৱেষণা আৰু যৌথ সহযোগিতাৰ ভিত্তিত প্ৰস্তুত কৰা হৈছে। একবিংশ শতিকাৰ ফলপ্ৰসূ শিক্ষণ ব্যৱস্থাৰ সংজ্ঞা দিয়াৰ বাবে এই মানদণ্ডসমূহত প্ৰয়োজনীয় জ্ঞান, দক্ষতা আৰু মনোভাৱসমূহক সন্নিবিষ্ট কৰা হৈছে। এই NPSTৰ নিৰ্দেশাত্মক তথ্য পুথিখনত শিক্ষকসকলৰ বাবে কিছুমান স্পষ্ট প্ৰত্যাশা সন্নিবিষ্ট কৰাৰ লগতে নৈতিকতা আৰু নীতিপৰায়ণতা, বিষয় জ্ঞান আৰু কেৰিয়াৰ ব্যৱস্থাপনাৰ সাক্ষ্য নিৰ্মাণৰ অবিৰত উন্নয়নৰ সংস্কৃতি এটা বিকাশৰ বাবেও এক ব্যাপক সংৰচনা আগবঢ়োৱা হৈছে।

এই মানদণ্ডসমূহ প্ৰস্তুত কৰি উলিওৱাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ বাবে ৰাষ্ট্ৰীয় শিক্ষক শিক্ষা পৰিষদৰ লগতে সকলো অংশীদাৰক মই মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

# বাৰ্তা



**সঞ্জয় কুমাৰ, আইএএছ**
**সচিব, বিদ্যালয় শিক্ষা আৰু সাক্ষৰতা বিভাগ,**
**শিক্ষা মন্ত্ৰালয়, ভাৰত চৰকাৰ**

ৰাষ্ট্ৰীয় শিক্ষা নীতি (NEP) 2020এ ভাৰতবৰ্ষৰ শিক্ষক শিক্ষাৰ ক্ষেত্ৰত সংস্কাৰৰ সূচনা কৰিছে। সকলোৰে বাবে সামগ্ৰিক আৰু গুণগত শিক্ষাৰ লক্ষ্যত উপনীত হ'বলৈ এই নীতিয়ে শিক্ষক বৃত্তিৰ বিকাশৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি সকলো সংস্কাৰৰ কেন্দ্ৰবিন্দুত শিক্ষকসকলক স্থান দিছে। ৰাষ্ট্ৰীয় শিক্ষক শিক্ষা পৰিষদ (NCTE)এ NEP 2020ৰ সকলো লক্ষ্য আগত ৰাখি শিক্ষকৰ বাবে ৰাষ্ট্ৰীয় পেছাদাৰী মানদণ্ড (NPST)ৰ এক সু-পৰিকল্পিত নিৰ্দেশনামূলক তথ্যপুথি প্ৰস্তুত কৰি উলিয়াইছে। বিভিন্ন অংশীদাৰৰ সৈতে হোৱা ধাৰাবাহিক আলোচনা/ পৰামৰ্শ আৰু সহযোগিতাৰ ভিত্তিত এই তথ্য পুথিখন নিম্ন পৰ্যায়ৰ পৰা উচ্চ পৰ্যায়লৈ পৰিকল্পনা কৰা পদ্ধতি আৰু বিভিন্ন স্তৰৰ গৱেষণা অনুসৰণ কৰি প্ৰস্তুত কৰা হৈছে। মই আশাবাদী যে এই তথ্যপুথিয়ে শিক্ষকৰ দক্ষতা বিকাশৰ ক্ষেত্ৰত অনুঘটক ৰূপে কাম কৰিব আৰু তেওঁলোকক বিশ্বজনীন মানদণ্ডৰ সমপৰ্যায়ৰ শিক্ষক গঢ়ি তুলিবলৈ সক্ষম হ'ব।

এই কাৰ্যৰ লগত জড়িত NCTE আৰু সকলো অংশীদাৰক মই অভিনন্দন জ্ঞাপন কৰিলোঁ।

# বাৰ্তা



**অধ্যাপক যোগেশ সিং**

**অধ্যক্ষ**

**NCTE, নতুন দিল্লী**

NEP 2020এ উন্নত গুণসম্পন্ন শিক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে যি শিক্ষকৰ কামৰ পৰিসৰ আৰু একবিংশ শতিকাৰ কৌশলৰ সমষ্টিসমূহৰ ইংগিত প্ৰদান কৰিছে। শিক্ষকৰ বাবে ৰাষ্ট্ৰীয় পেছাদাৰী মানদণ্ডৰ নিৰ্দেশনা তথ্য পুথিখনৰ বিকাশৰ লক্ষ্য হ'ল কৌশলযুক্ত শিক্ষকৰ সৃষ্টি কৰা যাতে আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক উদ্দেশ্য সাধন হয়। এই NPSTএ শিক্ষকসকলক দায়বদ্ধ কৰি তুলিবলৈ এখন মঞ্চ সৃষ্টি কৰিব যাতে কাৰ্য আৰু আচৰণত সম্ভৱপৰ সৰ্বোচ্চ মানদণ্ড অৰ্জন কৰিব পৰা যায়। NPSTত উল্লেখ কৰা উমৈহতীয়া মানদণ্ডই শিক্ষকসকলৰ নৈতিক প্ৰমূল্য আৰু নীতিপৰায়ণতা, শক্তিশালী বিষয় জ্ঞান, বৃত্তিগত সম্বন্ধ আৰু কেৰিয়াৰৰ বিকাশ আৰু উন্নয়নৰ পৰিকল্পনাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। সকলোৰে বাবে গুণগত শিক্ষাৰ সুবিধা প্ৰদানৰ মনোভাৱক প্ৰসাৰিত কৰিবলৈ সকলো অংশীদাৰৰ সৈতে সামগ্ৰিক সহযোগিতাৰ বাবে মই অতিশয় আগ্ৰহী।

---

# বাৰ্তা



**কেচাং ৰাই চেৰ্পা, আইআৰএছ**

**সদস্য সচিব**

**NCTE, নতুন দিল্লী**

ৰাষ্ট্ৰীয় শিক্ষক শিক্ষা পৰিষদ হ'ল এক বিধিগত সংস্থা, যি ভাৰতবৰ্ষৰ শিক্ষক শিক্ষাৰ গুণগত মানদণ্ড উন্নত কৰাৰ কাৰণে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। NEP 2020এ শিক্ষণ-শিকণ প্ৰক্ৰিয়াৰ মানদণ্ডৰ এটা গুৰুত্বপূৰ্ণ পূৰ্বচৰ্ত হিচাপে উচ্চ গুণসম্পন্ন শিক্ষকসকলক স্বীকৃতি প্ৰদান কৰিছে। ইয়াৰ লগত সংগতি ৰাখিয়েই NEP 2020ৰ দফা 5.20ত সন্নিবিষ্ট থকা অনুসৰি NCTEএ শিক্ষকৰ বাবে ৰাষ্ট্ৰীয় পেছাদাৰী মানদণ্ডৰ নিৰ্দেশনা তথ্যপুথি প্ৰস্তুত কৰি উলিয়াইছে। এই নিৰ্দেশনা তথ্যপুথিত উল্লেখ কৰা মানদণ্ডসমূহত শিক্ষকৰ বাবে পেছাদাৰী মানদণ্ডৰ তালিকা সন্নিবিষ্ট কৰা হৈছে, য'ত শিক্ষকসকলে কি জানিব লাগে, কেনেকৈ কৰ্তব্য পালন কৰিব লাগে আৰু একবিংশ শতিকাত ফলপ্ৰসূ পাঠদানৰ দিশত তেওঁলোকৰ কেৰিয়াৰ কেনেকৈ বিকশিত হ'ব লাগে সেই বিষয়ে বিতংভাৱে উল্লেখ কৰা হৈছে। এজন শিক্ষকৰ বিভিন্ন স্তৰৰ বিশেষজ্ঞতা আৰু/বা কেৰিয়াৰৰ বিভিন্ন স্তৰৰ অভিজ্ঞতাৰ বাবে প্ৰয়োজনীয় যোগ্যতা আৰু প্ৰত্যাশাসমূহ NPSTত সন্নিবিষ্ট কৰা হৈছে।

শিক্ষকৰ বাবে ৰাষ্ট্ৰীয় পেছাদাৰী মানদণ্ডৰ নিৰ্দেশনা তথ্য পুথিখন তৈয়াৰ আৰু আৰ্হি প্ৰস্তুতৰ কামত সহযোগিতা আগবঢ়োৱা খচৰা সমিতিৰ সদস্য আৰু মোৰ জ্যেষ্ঠ সহকৰ্মীসকললৈ কৃতজ্ঞতা আগবঢ়াইছো। NCTEৰ সমগ্ৰ দলটোক মোৰ অভিনন্দন জনালোঁ।

# সূচীপত্ৰ


| ক্ৰমিক নং | সূচী | পৃষ্ঠা নং |
|---|---|---|
| **1.** | **পৰিচয়** | **1** |
| **2.** | **শিক্ষণ: এক পেছা** | **3** |
| 2.1 | পেছা হিচাপে শিক্ষণ | 3 |
| 2.2 | পেছাদাৰী মানদণ্ডৰ উপলব্ধি | 5 |
| 2.3 | শিক্ষক আৰু শিক্ষণৰ পেছাদাৰী মানদণ্ডৰ গুৰুত্ব | 5 |
| **3.** | **শিক্ষকৰ বাবে ৰাষ্ট্ৰীয় পেছাদাৰী মানদণ্ড (NPST)** | **7** |
| 3.1 | NPSTৰ প্ৰাসংগিকতা | 7 |
| 3.2 | শিক্ষকৰ বাবে পেছাদাৰী মানদণ্ড | 8 |
| 3.3 | সক্ষমতাৰ বৃদ্ধি আৰু বিকাশ | 12 |
| 3.4 | শিক্ষকৰ বাবে ৰাষ্ট্ৰীয় পেছাদাৰী মানদণ্ড (**NPST**) | 13 |
| **4.** | **শিক্ষকৰ বাবে ৰাষ্ট্ৰীয় পেছাদাৰী মানদণ্ড (NPST)ৰ সংৰচনা** | **14** |
| 4.1 | মানদণ্ড 1 – মূল প্ৰমূল্য আৰু নৈতিকতাসমূহ | 14 |
| 4.2 | মানদণ্ড 2 – জ্ঞান আৰু অনুশীলন | 14 |
| 4.3 | মানদণ্ড 3 – পেছাদাৰী বিকাশ আৰু উন্নয়ন | 15 |
| **5.** | **ৰূপায়ণ** | **22** |
| 5.1 | কৰ্ম পৰিকল্পনা | 22 |
| 5.2 | প্ৰযোজ্যতা | 23 |
| 5.3 | নিয়মিত ব্যৱধানত পৰ্যালোচনা | 23 |
| **6.** | **NPST সংৰচনা আধাৰিত মূল্যাংকন আহিলা (পৰামৰ্শমূলক)** | **24** |
| **7.** | **NPSTত NCQTৰ বাবে ডিজিটেল আন্তঃগাঁথনিৰ পৰিকল্পনা** | **35** |

| | | |
|---|---|---|
| **8.** | ব্যাখ্যাচিত্ৰৰ তালিকা | **37** |
| **9.** | সংক্ষিপ্ত ৰূপসমূহ | **38** |
| **10.** | গ্ৰন্থপঞ্জী | **39** |
| **11.** | **NPST** বিশেষজ্ঞ সমিতি | **40** |

# 1. পৰিচয়

ৰাষ্ট্ৰীয় শিক্ষা নীতি 2020 (NEP 2020)এ ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাৰ মৌলিক সংস্কাৰৰ কেন্দ্ৰত শিক্ষকসকলক স্থান দিছে। শিক্ষা হৈছে এক অবিৰত প্ৰক্ৰিয়া যি প্ৰতিজন নাগৰিকৰ জীৱনত প্ৰভাৱ বিস্তাৰ কৰে আৰু শিক্ষকসকলে সেই প্ৰক্ৰিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শিক্ষকৰ বাবে ৰাষ্ট্ৰীয় পেছাদাৰী মানদণ্ডই সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে সম্ভৱপৰ উপযুক্ত শিক্ষাৰ সমতাপূৰ্ণ সুলভতা সুনিশ্চিত কৰি NEP 2020ৰ উদ্দেশ্য পূৰণ কৰাৰ লক্ষ্য স্থিৰ কৰিছে। NPSTএ সকলো শিক্ষক উৎসাহী, গতিশীল, উচ্চ-শিক্ষিত, সদা-সক্ষম আৰু বিদ্যালয়ৰ সকলো পৰ্যায়ৰ শিক্ষাৰ্থীক শিক্ষা দান কৰিবলৈ সুসজ্জিত হৈ থকাটো নিশ্চিত কৰে। গতিকে, শিক্ষণ বৃত্তিলৈ সৰ্বোৎকৃষ্ট প্ৰতিভাক আকৰ্ষিত কৰাটো সময়ৰ দাবী হৈ পৰিছে।

NPSTএ কেৰিয়াৰৰ বিভিন্ন স্তৰত শিক্ষকৰ গুণগত মানদণ্ড চিনাক্ত কৰাটো সহজসাধ্য কৰি তোলে। ইয়াৰোপৰি, ই সকলো শিক্ষকৰ প্ৰস্তুতি, অনুশীলন আৰু কৰ্মকুশলতাৰ উৎকৰ্ষ সাধনৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছে। মানদণ্ড আৰু আনুষংগিক নীতিসমূহৰ লগত NEP 2020ৰ মূল নীতিসমূহৰ সৈতে মিল আছে। এইসমূহে শিক্ষা ব্যৱস্থাক পথ প্ৰদৰ্শন কৰিব আৰু সকলোকে উন্নত মানদণ্ডৰ শিক্ষা প্ৰদানৰ বাবে NEP 2020এ গ্ৰহণ কৰা নীতিগত পদক্ষেপসমূহক সমৰ্থন কৰিব। তদুপৰি, NPSTএ প্ৰাক-সেৱা শিক্ষক শিক্ষা কাৰ্যসূচীৰ আৰ্হি প্ৰস্তুত আৰু শিক্ষকৰ কেৰিয়াৰ ব্যৱস্থাপনা কৰাৰ ক্ষেত্ৰত সহায় কৰিব।

শিক্ষকসকলক কৌশলগতভাৱে শক্তিশালী কৰি তোলাৰ প্ৰচেষ্টাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকল লাভান্বিত হ'ব। শিক্ষকৰ বাবে পেছাদাৰী মানদণ্ডই শিক্ষকসকলৰ কেৰিয়াৰ বিভিন্ন স্তৰত আৰু বিশেষজ্ঞতাৰ বিভিন্ন পৰ্যায়ত তেওঁলোকৰ পৰা কি আশা কৰিব পাৰি, আৰু ইয়াৰ লগতে প্ৰয়োজনীয় দক্ষতাসমূহৰ ৰূপৰেখা আগবঢ়াইছে। 2030 চনত আৰু তাৰপিছত প্ৰতি দহ বছৰৰ মূৰে মূৰে ৰাষ্ট্ৰীয় পৰ্যায়ত বৃত্তিগত মানদণ্ডসমূহ পুনৰীক্ষণ আৰু মূল্যায়ন কৰা হ'ব আৰু ব্যৱস্থাৱলীৰ কৰ্মকুশলতাৰ কঠোৰ ব্যৱহাৰিক পৰ্যালোচনাৰ ভিত্তিত এই পুনৰীক্ষণ আৰু মূল্যায়ন সম্পন্ন কৰা হ'ব।

ৰাষ্ট্ৰীয় শিক্ষক শিক্ষা পৰিষদ আইন (NCTE Act), 1993ৰ অধীনত ৰাষ্ট্ৰীয় শিক্ষক শিক্ষা পৰিষদক এক বিধিগত গোট হিচাপে সৃষ্টি কৰা হৈছিল। ইয়াৰ মূল লক্ষ্য আছিল সমগ্ৰ দেশৰে প্ৰাক-সেৱা আৰু সেৱাৰত শিক্ষকসকলৰ ক্ষেত্ৰত পৰিকল্পিত আৰু সমন্বিত উন্নয়ন সাধন কৰা। শিক্ষা মন্ত্ৰালয়ৰ নিৰ্দেশ অনুসৰি 2021 চনৰ বাজেটত NPST ঘোষণা কৰা হৈছিল আৰু NCTEক এই কামৰ দায়িত্ব প্ৰদান কৰা হৈছিল। NPSTৰ বিভিন্ন দিশৰ ওপৰত বিভিন্ন অংশীদাৰৰ পৰা লাভ কৰা পৰামৰ্শ আৰু তথ্যৰ ওপৰত ভিত্তি কৰি NPST বিধিবদ্ধ কৰিবৰ বাবে এখন বিশেষজ্ঞ সমিতি গঠন কৰি দিয়া হৈছিল। 2021 চনৰ এপ্ৰিল মাহত MyNEP2020 পৰ্টেলৰ মাধ্যমেদি ডিজিটেল আলোচনাৰ যোগেদি প্ৰাৰম্ভিক গৱেষণা সম্পন্ন কৰা হৈছিল। এই তথ্যপুথিখন প্ৰস্তুত কৰোতে সামগ্ৰিক সংগতি ৰক্ষা কৰিবৰ বাবে নিম্ন পৰ্যায়ৰ পৰা উচ্চ পৰ্যায়লৈ পৰিকল্পনা কৰি পৰামৰ্শ/তথ্য আদি আহ্বান কৰা হৈছিল। ইয়াৰোপৰি, এক প্ৰশ্নাৱলীৰ যোগেদি বিভিন্ন ক্ষেত্ৰৰ নিৰ্বাচিত লোকৰ পৰা নিৰ্দিষ্ট মতামত বা তথ্য সংগ্ৰহ কৰিবৰ বাবে দ্বিতীয় পৰ্যায়ৰ গৱেষণা সম্পন্ন কৰা হৈছিল।

আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত উত্তম পদ্ধতিসমূহৰ মানদণ্ড নিৰ্ধাৰণৰ বাবে চাৰিখন দেশৰ NPST তথ্যপুথিৰ তুলনামূলক অধ্যয়ন কৰি ইয়াৰ ওপৰত এখন প্ৰতিবেদন প্ৰস্তুত কৰা হৈছিল। বিশেষজ্ঞ সমিতিয়ে কেইবাবাৰো আলোচনা আৰু পুনৰীক্ষণ কৰাৰ পাছত NPSTৰ ওপৰত এখন প্ৰাৰম্ভিক খচৰা প্ৰস্তুত কৰি উলিয়াইছিল আৰু 2021 চনৰ 17 অক্টোবৰ তাৰিখে NCTEৰ ৱেবছাইট আৰু MyGov পৰ্টেলত আপলোড কৰি জনসাধাৰণৰ মতামত লাভৰ বাবে প্ৰকাশ কৰি দিয়া হৈছিল। একে সময়তে সমগ্ৰ দেশৰ শিক্ষাবিদ, শৈক্ষিক প্ৰশাসক, শিক্ষক প্ৰশিক্ষক, বিভাগীয় মুৰব্বী, SCERT, DIET, অধ্যক্ষ, শিক্ষক (চৰকাৰী/বেচৰকাৰী), বেচৰকাৰী অনুষ্ঠান, অন্য অংশীদাৰসকলৰ দৰে তৃণমূল পৰ্যায়ৰ কৰ্মকৰ্তাসকলৰ লগত NPSTৰ প্ৰাৰম্ভিক খচৰাৰ সন্দৰ্ভত 15 খন মুকলি আলোচনা-সভা অনুষ্ঠিত কৰা হৈছিল।

একে সময়তে প্ৰাৰম্ভিক খচৰাত বৰ্ণনা কৰা বিষয়সমূহৰ ওপৰত সঠিক তথ্য লাভ কৰাৰ লগতে NPST তথ্য পুথিত উল্লেখ থকা দক্ষতাসমূহৰ ক্ৰমবিকাশ আৰু সমীক্ষা আৰু মূল্যায়নৰ বাবে প্ৰয়োজন হোৱা সঁজুলি/পদ্ধতিৰ ওপৰত পৰামৰ্শ লাভ কৰিবৰ বাবে সমগ্ৰ দেশৰ শিক্ষক সমাজ, অধ্যক্ষ, DIET, SCERT আদিৰ লগত 5 খন আভ্যন্তৰীণ আলোচনা সভা অনুষ্ঠিত হৈছিল। তৃতীয় পৰ্যায়ৰ গৱেষণাৰ অংশ হিচাপে বিভিন্ন অংশীদাৰসকলৰ পৰা আহৰণ কৰা তথ্য/পৰামৰ্শসমূহক NPST চূড়ান্ত খচৰা প্ৰস্তুতৰ বাবে ব্যৱহাৰ কৰা হৈছিল আৰু 2022 চনৰ 29 মাৰ্চ তাৰিখে NPSTৰ বাবে গঠন কৰা সমিতিখনৰ আগত এই খচৰাখন উত্থাপন কৰা হৈছিল। এই সমিতিয়ে ইয়াৰ অধ্যয়ন ক্ষেত্ৰৰ পৰীক্ষণ সংস্কৰণটোত অনুমোদন জনাইছিল। NPST নিৰ্দেশনা তথ্যপুথিখনৰ কাৰ্যকৰিতা আৰু প্ৰভাৱ মূল্যায়নৰ প্ৰক্ৰিয়া কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা পৰিচালিত সমগ্ৰ দেশৰ 75 খন বিদ্যালয়ত (25 খন কেন্দ্ৰীয় বিদ্যালয় + 25 খন নবোদয় বিদ্যালয় + 25 খন CBSE বিদ্যালয়) 1175 জন শিক্ষকক সামৰি লৈ আৰম্ভ কৰা হৈছিল।

NEP, 2020ৰ দফা 5.20ত সন্নিবিষ্ট থকা শিক্ষকৰ বাবে ৰাষ্ট্ৰীয় পেছাদাৰী মানদণ্ড (NPST)ৰ মূল লক্ষ্য হ'ল সকলো শিক্ষাৰ্থীৰ বাবে উচ্চ মানদণ্ডৰ শিক্ষা সমতাপূৰ্ণভাৱে সহজলভ্য কৰি তোলা। NEP 2020ৰ যোগেদি বিদ্যালয় শিক্ষাৰ ক্ষেত্ৰত উল্লেখ থকা নিৰ্দেশনাসমূহ NPSTৰ ওপৰত এখন নিৰ্দেশনা তথ্যপুথি প্ৰস্তুত কৰাৰ যোগেদি ফলৱতী কৰি তুলিবলৈ চেষ্টা কৰা হৈছিল, য'ত সকলো ছাত্ৰ-ছাত্ৰীকে প্ৰবলভাৱে উৎসাহী, উচ্চ যোগ্যতাসম্পন্ন, পেছাদাৰীভাৱে প্ৰশিক্ষিত আৰু সুদক্ষ শিক্ষকৰ দ্বাৰা শিক্ষাদান কৰা হ'ব। তদুপৰি ই শিক্ষকসকলৰ কেৰিয়াৰ ব্যৱস্থাপনাৰ সকলো দিশ আৰু অন্য স্বীকৃতিসমূহ নিৰ্ধাৰণৰ লক্ষ্য বান্ধি লৈছে। ই গুণগত মানৰ এক অভিব্যক্তি যি বিভিন্ন পৰ্যায়/স্তৰৰ শিক্ষকৰ অৰ্হতা সংজ্ঞায়িত কৰিছে।

শিক্ষকৰ মানদণ্ডৰ বাবে ৰাষ্ট্ৰীয় কেন্দ্ৰ (NCQT) হৈছে NCTEএ গঢ়ি তোলা এক ডিজিটেল মঞ্চ, যি NPSTৰ কাৰ্যকৰীকৰণৰ ৰাষ্ট্ৰীয় সঞ্চয়াগাৰ ৰূপে দায়িত্ব পালন কৰিব। তাৰোপৰি, ই অধিক সমল ব্যক্তি/প্ৰতিষ্ঠান সৃষ্টিৰ বাবে অংশীদাৰ/কাৰ্যকৰী প্ৰতিষ্ঠানসমূহৰ সক্ষমতা বৃদ্ধিৰ কাৰ্যসূচীসমূহ অনুষ্ঠিত কৰাৰো দায়িত্ব পালন কৰিব।

নতুন শিক্ষাদানৰ বাবে বিদ্যালয় গাঁথনি (5+3+3+4) অনুসৰি শিক্ষকসকলে প্ৰত্যাশিত কৌশলসমূহ অৰ্জন কৰিবৰ বাবে ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলৰ চৰকাৰসমূহে এই মানদণ্ডসমূহ গ্ৰহণ কৰিব পাৰে আৰু প্ৰতিষ্ঠানসমূহে ইয়াক কাৰ্যকৰী কৰিব পাৰে।

# 2. শিক্ষণ: এক পেছা

## 2.1 পেছা হিচাপে শিক্ষণ

শিক্ষকতাক বিশ্বজুৰি এক অন্যতম মহান বৃত্তি হিচাপে গণ্য কৰা হয় আৰু ই সামাজিক প্ৰগতিৰ সৈতে জড়িত। প্ৰাচীন কালত এজন শিক্ষক সমাজৰ আটাইতকৈ সন্মানীয় ব্যক্তি আছিল আৰু অধিকাংশ শিক্ষিত লোকেই এই বৃত্তিৰ সৈতে জড়িত হ'বলৈ অনুমতি লাভ কৰিছিল। শিক্ষকসকল আছিল শিক্ষা ব্যৱস্থাৰ কেন্দ্ৰবিন্দু আৰু তেওঁলোকৰ মূল কাম আছিল জ্ঞান, দক্ষতা আৰু নৈতিকতাক ছাত্ৰ-ছাত্ৰীলৈ হস্তান্তৰিত কৰা। শিক্ষা ব্যৱস্থাৰ ক্ৰমবিকাশ আৰু শিক্ষকৰ পৰিৱৰ্তিত ভূমিকাৰ লগে লগে শিক্ষকৰ মানদণ্ড বৃদ্ধি কৰাটো দীৰ্ঘম্যাদী আৰু বহনক্ষম জাতি গঠনৰ বাবে সকলোতকৈ গুৰুত্বপূৰ্ণ পদক্ষেপ ৰূপে চিহ্নিত হৈছে। সামাজিক ক্ৰিয়া আৰু সামাজিক অনুসন্ধানৰ এটা প্ৰকাৰ হিচাপে শিক্ষণ এক গভীৰভাৱে নৈতিক আৰু নীতিগত প্ৰথা য'ত এই বৃত্তি গ্ৰহণকাৰীসকলে -

- শিশুৰ যত্ন লোৱাৰ লগতে তেওঁলোকক ভাল পাব লাগে, শিক্ষাৰ্থীৰ মাজত থকা বৈচিত্ৰ্যক সন্মান কৰিব লাগে, সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক প্ৰেক্ষাপটত শিশুসকলক বুজিবলৈ চেষ্টা কৰিব লাগে, তেওঁলোকৰ প্ৰয়োজন আৰু সমস্যাৰ প্ৰতি সংবেদনশীল হ'ব লাগে আৰু সকলো শিশুৰ সৈতে সম-ব্যৱহাৰ কৰিব লাগে
- শিশুক জ্ঞানৰ নিষ্ক্ৰিয় গ্ৰাহক হিচাপে গণ্য নকৰি, অৰ্থ নিৰ্মাণৰ স্বাভাৱিক প্ৰৱণতা বৃদ্ধি কৰিব লাগে, মুখস্থ কৰাৰ প্ৰৱণতাক নিৰুৎসাহিত কৰিব লাগে আৰু শিক্ষণক আনন্দদায়ক, অংশগ্ৰহণমূলক আৰু অৰ্থপূৰ্ণ কৰি তুলিব লাগে
- পাঠ্যক্ৰম আৰু পাঠ্যপুথিসমূহ সমালোচনাত্মকভাৱে পৰীক্ষা কৰা আৰু স্থানীয় প্ৰয়োজন অনুসৰি উপযুক্তভাৱে পাঠ্যক্ৰম নিৰ্ধাৰণ কৰিব লাগে
- জ্ঞানক 'প্ৰদত্ত' বুলি নাভাবি পাঠ্যক্ৰমৰ লগত সংলগ্ন কৰি তুলিব লাগে
- ক্ৰিয়া, প্ৰকল্প, আলোচনা, কথোপকথন, পৰ্যবেক্ষণ, ভ্ৰমণ আৰু অনুশীলনৰ ভিত্তিত – শিক্ষাৰ্থীকেন্দ্ৰিক, কাৰ্য্যকলাপভিত্তিক, অংশগ্ৰহণমূলক শিক্ষণ অভিজ্ঞতাসমূহ সংগঠিত কৰিব লাগে
- শ্ৰেণীকোঠাৰ বৈচিত্ৰক গুৰুত্ব প্ৰদান কৰি শিকণ প্ৰক্ৰিয়াক শিকাৰুসকলৰ সামাজিক আৰু ব্যক্তিগত বাস্তৱতাসমূহৰ সৈতে সংলগ্ন কৰি তুলিব লাগে
- শান্তি, গণতান্ত্ৰিক জীৱন-ধাৰণ, সমতা, ন্যায়, স্বতন্ত্ৰতা, ভাতৃত্ববোধ, ধৰ্মনিৰপেক্ষতাবাদ আৰু সামাজিক পুনৰনিৰ্মাণৰ উদ্যমৰ প্ৰমূল্যক উৎসাহিত কৰিব লাগে

মানদণ্ডসমূহ স্পষ্ট কৰি আৰু অংশীদাৰসকলৰ মাজত আলোচনাৰ জৰিয়তে একমতত উপনীত হ'লে তলত দিয়া ফলাফলসমূহ লাভ কৰিব পাৰি:

- উৎকৃষ্ট শিক্ষণৰ দিশসমূহৰ ক্ষেত্ৰত অধিক স্পষ্টতা আৰু দায়বদ্ধতা প্ৰদৰ্শন কৰা
- উৎকৃষ্ট শিক্ষাক সমৰ্থন আৰু পৰিবৰ্তন কৰা প্ৰাসংগিক বিষয়সমূহৰ উপলব্ধি কৰা
- শিক্ষকসকলৰ বাবে তেওঁলোকৰ পেছাদাৰী অনুশীলনৰ অপৰিহাৰ্য মাত্ৰাসমূহ স্পষ্ট আৰু পুনৰাবৃত্তি কৰা আৰু শ্ৰেণীকোঠাসমূহক শিক্ষাৰ্থীকেন্দ্ৰিক কৰি তোলা আৰু তেওঁলোকৰ আত্মচিন্তাক পথ প্ৰদৰ্শন কৰা
- শিক্ষকসকলক পাঠদানত সহায় কৰিবলৈ, আৰু শিক্ষকসকলৰ কেৰিয়াৰৰ বিকাশৰ বাবে পৰিৱেশ-তন্ত্ৰ আৰু বহিঃব্যৱস্থা কেনেকৈ প্ৰস্তুত আৰু পৰিচালনা কৰিব লাগে সেয়া ভালদৰে অনুধাৱন কৰা

2009 চনৰ শিক্ষাৰ অধিকাৰ আইনে শিক্ষকসকলৰ পৰা প্ৰত্যাশা আৰু শিক্ষণৰ গুণগত মানদণ্ডৰ বিষয়ে উল্লেখ কৰিছে। এইসমূহে শিশুসকলে বিদ্যালয়ত ইতিবাচক শৈক্ষিক অভিজ্ঞতা অৰ্জন কৰাৰ লগতে শিক্ষাৰ যোগেদি সৰল হোৱাটো সুনিশ্চিত কৰিব। 2009 চনৰ শিক্ষাৰ অধিকাৰ আইনত উল্লেখ কৰা অনুসৰি শিক্ষণ তলত দিয়া ধৰণৰ হ'ব লাগে: ***(ধাৰা 29/2, শিক্ষাৰ অধিকাৰ আইন, 2009)***

- এখন গণতান্ত্ৰিক, ন্যায়পূৰ্ণ আৰু শান্তিপূৰ্ণ সমাজ গঢ়িবৰ বাবে ভাৰতীয় সংবিধানত উল্লেখ থকা প্ৰমূল্যসমূহৰ লগত সংগতি থকা
- শিকাৰুৰ সামগ্ৰিক বিকাশ সাধন কৰা
- ছাত্ৰ-ছাত্ৰীৰ জ্ঞান, সম্ভাৱনা আৰু প্ৰতিভা নিৰ্মাণ কৰা
- ছাত্ৰ-ছাত্ৰীৰ দৈহিক আৰু মানসিক সক্ষমতাৰ সৰ্বোৎকৃষ্ট ৰূপত বিকাশ সাধন কৰা
- শিশুৰ অনুকূল আৰু শিশুকেন্দ্ৰিক পৰিবেশত কাৰ্যকলাপ, অনুসন্ধান আৰু অন্বেষণৰ জৰিয়তে শিকণ প্ৰক্ৰিয়া সৰল কৰি তোলা
- এই সকলোবোৰত যিমানদূৰ সম্ভৱ আৰু ব্যৱহাৰিকভাৱে ছাত্ৰ-ছাত্ৰীৰ মাতৃভাষা ব্যৱহাৰ কৰা
- শিক্ষণক ভয়, আঘাত আৰু উদ্বেগমুক্ত কৰা তথা ছাত্ৰ-ছাত্ৰীক মুক্তভাৱে ভাৱ-বিনিময় কৰাত সহায় কৰা
- বোধগম্যতা আৰু সক্ষমতা উভয়ৰে অবিৰত সৰ্বাংগীন মূল্যায়নৰ লগত জড়িত হোৱা

এইদৰেই প্ৰতিটো শিশুকে এটা মৰ্যদাসম্পন্ন জীৱন যাপন কৰিবলৈ সক্ষম কৰি তুলিব পাৰি

ভাৰতৰ সংবিধানে এই কথাৰ প্ৰতিও দৃষ্টি আকৰ্ষণ কৰিছে যে শিক্ষা সৰ্বাংগীন হ'ব লাগে আৰু শিক্ষাক প্ৰান্তীয় সম্প্ৰদায়, ভাষিক আৰু সাংস্কৃতিক সংখ্যালঘু গোট, অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছ-পৰা সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰী আৰু বিশেষভাৱে সক্ষম শিশুসকলৰ সহায়ক হোৱাকৈ গঢ়ি তুলিব লাগে। শিক্ষাৰ অধিকাৰ আৰু NEP 2020ত উল্লিখিত পৰিকল্পনাসমূহে বিদ্যালয়ৰ সকলো স্তৰৰ শ্ৰেণীকোঠাত সৰ্বাংগীন শিক্ষা আৰু বৈচিত্ৰ্যৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

NEP 2020এ কিছুমান বিশেষ প্ৰত্যাহ্বানৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিছে আৰু শিক্ষকৰ শিক্ষা বিষয়ক অনুশীলনসমূহে সেইসমূহৰ প্ৰতি সঁহাৰি জনোৱা উচিত: (*আঁচনিৰ নীতিসমূহ*)

- শিকণক মুখস্থ বিদ্যাৰ পৰা আঁতৰাই আনি উচ্চ পৰ্যায়ৰ চিন্তাধাৰা, সমালোচনাত্মক চিন্তাধাৰা, অনুসন্ধান আৰু একবিংশ শতিকাৰ বাবে প্ৰয়োজনীয় দক্ষতালৈ ৰূপান্তৰিত কৰা
- শিকণক বহুবিষয়ক, অভিজ্ঞতাভিত্তিক আৰু ব্যৱহাৰিক কৰি তোলা
- বহুভাষিকতা
- জ্ঞানৰ থলুৱা ঐতিহ্যক মূল্য দিবলৈ আৰু একত্ৰিত কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক সক্ষম কৰি তোলা

## 2.2 পেছাদাৰী মানদণ্ডৰ উপলব্ধি

বিভিন্ন দেশ আৰু বিভিন্ন পৰিবেশত 'মানদণ্ড' শব্দটোৰ অৰ্থ ভিন্ন ৰূপত সংজ্ঞায়িত কৰা হৈছে। মানদণ্ড হ'ল পেছাত কি মূল্য সংযোজিত কৰা হয় তাৰ বিৱৰণ আৰু শিকণ বা অনুশীলনৰ ক্ষেত্ৰত কি প্ৰাপ্ত কৰাটো আটাইতকৈ আকাংক্ষিত তাৰ ব্যাখ্যা আৰু বৰ্ণনা কৰিবলৈ সাধাৰণতে এইবোৰ ব্যৱহাৰ কৰা হয়। শিকণৰ প্ৰসংগত, মানদণ্ডক শিকণৰ ফলাফল ৰূপে সংজ্ঞায়িত কৰা হয়, কিন্তু পেছাদাৰী বা বৃত্তিমূলক ক্ষেত্ৰত সক্ষমতাৰ দিশসমূহ বুজাবৰ বাবে মানদণ্ডক ব্যৱহাৰ কৰা হয়, যেনে কোনো বিশেষ পেছাদাৰী ক্ষেত্ৰত দক্ষ বুলি স্বীকৃতি পাবলৈ এজন ব্যক্তিয়ে কি জানিব লাগিব আৰু কি কৰিব পাৰিব লাগিব সেইসমূহ। আনভাৱে ক'বলৈ গ'লে, মানদণ্ডক গুণগত কৰ্মদক্ষতাৰ এক প্ৰকাৰৰ মাপকাঠি বা এজন পেছাদাৰী ব্যক্তিৰ সক্ষমতা বিচাৰ কৰিব পৰা এক আহিলা হিচাপেও ব্যৱহাৰ কৰা হয়। মানদণ্ডসমূহ হ'ল এনে কিছুমান বিৱৰণ যি এই বৃত্তিটো কিমান মূল্যবান, গুণগত শিক্ষণৰ অন্তৰ্নিহিত অৱধাৰণাসমূহৰ সৈতে গুণগত শিকণ কি, সেয়া প্ৰতিফলিত কৰে। শিক্ষকসকলে কি জানিব লাগে, কি বিশ্বাস কৰিব লাগে আৰু কি কৰিব পাৰিব লাগে, সেইক্ষেত্ৰত এই প্ৰমূল্যসমূহে কি সূচায়, সেইসমূহক এই বিৱৰণসমূহে ব্যাখ্যা কৰে।

## 2.3 শিক্ষক আৰু শিক্ষণৰ পেছাদাৰী মানদণ্ডৰ গুৰুত্ব

উপযুক্ত আৰু বাঞ্চনীয় পাঠদান আৰু শিক্ষকৰ গুণ আৰু বৈশিষ্ট্যৰ বৰ্ণনা বহুতো নীতিগত তথ্যপুথিত স্পষ্ট বা অস্পষ্টভাৱে পোৱা যায়। কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষকতাত শিক্ষা সংস্কাৰৰ অভিযান অৰ্থাৎ সৰ্বশিক্ষা অভিযান (SSA) সূচনা হোৱাৰ লগে লগে এই ধাৰণাসমূহে সেৱা অন্তৰ্ভূক্ত শিক্ষা আৰু প্ৰশিক্ষণৰ উদ্দেশ্যসমূহৰ বিষয়ে উল্লেখ কৰিছে। শিক্ষক শিক্ষাৰ বাবে ৰাষ্ট্ৰীয় পাঠ্যক্ৰম সংৰচনা (NCFTE 2009)ত আগবঢ়োৱা নিৰ্দেশনাসমূহত এই ধাৰণাসমূহৰ ইংগিত দিয়া হৈছিল আৰু শেহতীয়াকৈ NEP 2020ত দিয়া পৰামৰ্শ অনুসৰি প্ৰাক-সেৱা শিক্ষক শিক্ষাৰ কাৰ্যসূচীৰ বাবে পাঠ্যক্ৰম সংৰচনাৰ বিকাশ আৰু প্ৰস্তুতিৰ বিষয়ে স্পষ্ট ৰূপত প্ৰকাশ কৰা হৈছে।

NEP 2020ত প্ৰস্তাৱ আগবঢ়োৱা হৈছে যে দায়বদ্ধতা, নিৰীক্ষণ, পেছাদাৰী বিকাশ, প্ৰতিটো পৰ্যায়ৰ ভিতৰত কেৰিয়াৰ পথ আৰু উলম্ব গতিশীলতাৰ সৈতে জড়িত পেছাদাৰী মানদণ্ড সৃষ্টি আৰু প্ৰতিষ্ঠা কৰা হ'ব। শিক্ষকসকলৰ বাবে পেছাদাৰী মানদণ্ডই তলত দিয়া পদক্ষেপসমূহ সক্ষম কৰিব পাৰে:

- শিক্ষকৰ কামসমূহৰ প্ৰকৃতি সংজ্ঞায়িত কৰা
- কৰ্ম আৰু সেৱাৰ চৰ্তসমূহ প্ৰস্তুত কৰা
- শিক্ষক শিক্ষণৰ কাৰ্যসূচীসমূহ পুনৰুদ্ধাৰন কৰা
- শিক্ষকৰ পঞ্জীয়ন
- জীৱনজোৰা শিকণ আৰু কেৰিয়াৰৰ বিকাশত উৎসাহ প্ৰদান কৰা
- শিক্ষকৰ অৰ্হতাৰ ক্ষেত্ৰত সমৰূপতা প্ৰতিষ্ঠা কৰা আৰু গতিশীলতাক সবল কৰি তোলা
- শিক্ষকৰ গুণগত মান মূল্যায়ন কৰা
- শিক্ষকক উৎসাহিত কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা
- শিক্ষকৰ দায়বদ্ধতা/কৰ্তব্য সুনিশ্চিত কৰা


ব্যৱহাৰৰ ওপৰত নিৰ্ভৰ কৰি মানদণ্ডসমূহৰ দিশসমূহৰ গুৰুত্ব ভিন্ন হ'ব পাৰে; কিন্তু এক উমৈহতীয়া মানদণ্ডৰ সমষ্টিয়ে শিক্ষক আৰু বৃত্তি হিচাপে শিক্ষকতা সম্পৰ্কীয় বিভিন্ন বিষয়ৰ নীতিসমূহৰ মাজত সমন্বয় সাধন কৰাটো নিশ্চিত কৰি তুলিব।

# 3. শিক্ষকৰ বাবে ৰাষ্ট্ৰীয় পেছাদাৰী মানদণ্ড (NPST)

ভাৰতবৰ্ষত জ্ঞানৰ পৰিক্ষেত্ৰত ব্যাপক পৰিবৰ্তন সাধন হোৱা দেখিবলৈ পোৱা গৈছে। সেইকাৰণেই, একবিংশ শতিকাৰ প্ৰত্যাশাসমূহ পূৰণৰ বাবে শিক্ষা ব্যৱস্থাৰ সংস্কাৰ সাধন কৰাটো গুৰুত্বপূৰ্ণ হৈ পৰিছে। ভাৰতৰ ৰাষ্ট্ৰীয় শিক্ষা নীতি 2020 হৈছে আমাৰ দেশৰ বহু ক্ৰমবৰ্ধমান উন্নয়নমূলক প্ৰয়োজনীয়তা পূৰণ কৰাৰ লক্ষ্যৰে প্ৰস্তুত কৰা একবিংশ শতিকাৰ প্ৰথমখন শিক্ষা নীতি। শিক্ষকসকলে প্ৰকৃতাৰ্থত আমাৰ ল'ৰা-ছোৱালীৰ ভৱিষ্যত গঢ় দিয়াৰ লগতে আমাৰ জাতিৰ ভৱিষ্যতো গঢ়ি তোলে। সকলোৰে বাবে সামগ্ৰিক আৰু গুণগত শিক্ষাৰ লক্ষ্যত উপনীত হ'বলৈ NEP 2020এ শিক্ষক বৃত্তিৰ বিকাশৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি সকলো সংস্কাৰৰ কেন্দ্ৰবিন্দুত শিক্ষকসকলক স্থান দিছে। শ্ৰেষ্ঠ আৰু মেধাৱীসকলক শিক্ষকতা বৃত্তিত প্ৰৱেশৰ বাবে অনুপ্ৰাণিত কৰা, শিক্ষকসকলক শক্তিশালী কৰা আৰু তেওঁলোকক ফলপ্ৰসূভাৱে কাম কৰাত সহায় কৰাৰ বাবে পদক্ষেপ লোৱা হৈছে।

## 3.1 NPSTৰ প্ৰাসংগিকতা

"সাধাৰণ শিক্ষা পৰিষদ (GEC), NCERTৰ অধীনত পেছাদাৰী মানদণ্ড নিৰ্ধাৰণ সংস্থা (PSSB) হিচাপে 2022 চনৰ ভিতৰত ৰাষ্ট্ৰীয় শিক্ষক শিক্ষা পৰিষদে নতুনকৈ পুনৰগঠিত ৰূপত শিক্ষকৰ বাবে ৰাষ্ট্ৰীয় পেছাদাৰী মানদণ্ডৰ (NPST) এক উমৈহতীয়া নিৰ্দেশনাৰ সমষ্টি, SCERT, বিভিন্ন স্তৰ আৰু অঞ্চলৰ শিক্ষক, শিক্ষকৰ প্ৰস্তুতি আৰু বিকাশৰ বিশেষজ্ঞ সংস্থা, বৃত্তিমূলক শিক্ষাৰ বিশেষজ্ঞ সংস্থা আৰু উচ্চ শিক্ষানুষ্ঠানৰ আদিৰ সৈতে আলোচনা কৰি প্ৰস্তুত কৰিব। এই মানদণ্ডসমূহত বিভিন্ন বিশেষজ্ঞতা/স্তৰৰ শিক্ষকৰ ভূমিকাৰ প্ৰত্যাশা আৰু সেই স্তৰসমূহত প্ৰয়োজন হোৱা সক্ষমতাসমূহ অন্তৰ্ভুক্ত হৈ থাকে। ইয়াত প্ৰতিটো পৰ্যায়ৰ কাৰণে কৰ্মদক্ষতা মূল্যায়নৰ মানদণ্ডও অন্তৰ্ভুক্ত কৰা হ'ব, যিবোৰ সময়ে সময়ে সম্পন্ন কৰা হ'ব। NPSTএ প্ৰাক-সেৱা শিক্ষক শিক্ষা কাৰ্যসূচীৰ আৰ্হি প্ৰস্তুতৰ ক্ষেত্ৰত তথ্য প্ৰদান কৰিব। তাৰপিছত ইয়াক ৰাজ্যসমূহে গ্ৰহণ কৰি শিক্ষকৰ কেৰিয়াৰ পৰিচালনাৰ সকলো দিশ নিৰ্ধাৰণ কৰিব পাৰে, য'ত কাৰ্যকাল, পেছাদাৰী বিকাশৰ প্ৰচেষ্টা, দৰমহা বৃদ্ধি, পদোন্নতি, আৰু অন্যান্য স্বীকৃতি আদি অন্তৰ্ভুক্ত হৈ থাকিব। পদোন্নতি আৰু বেতন বৃদ্ধি কাৰ্যকালৰ দৈৰ্ঘ্য বা জ্যেষ্ঠতাৰ ওপৰত ভিত্তি কৰি নহয়, কিন্তু এনে মূল্যায়নৰ ভিত্তিতহে হ'ব। এই ব্যৱস্থাৰ কাৰ্যকৰিতাৰ বাবে কিছুমান কঠোৰ অভিজ্ঞতাভিত্তিক বিশ্লেষণৰ আধাৰত এই পেছাদাৰী মানদণ্ডসমূহ 2030 চনত আৰু ইয়াৰ পিছত প্ৰতি দহ বছৰৰ মূৰে মূৰে ইয়াৰ পৰ্যালোচনা আৰু পুনৰীক্ষণ সম্পন্ন কৰা হ'ব।" *[দফা 5.20, NEP 2020].*




চিত্ৰ. 1 শিক্ষকৰ প্ৰস্তুতিৰ ব্যাখ্যাচিত্ৰ

**3.1.1 শিক্ষক শিক্ষণ** – NPSTএ NEP 2020ত উল্লেখ কৰা অনুসৰি 4-বছৰীয়া, 2-বছৰীয়া আৰু 1-বছৰীয়া বি.এড.ৰ পাঠ্যক্ৰমসমূহক প্ৰাক-সেৱা শিক্ষক শিক্ষা কাৰ্যসূচীসমূহৰ আৰ্হিৰ বিষয়ে অৱগত কৰিব।

**3.1.2 পৰিচালনাত শিক্ষকৰ ভূমিকা** - বিভিন্ন বিশেষজ্ঞতা/স্তৰসমূহত শিক্ষকৰ ভূমিকাৰ প্ৰত্যাশা আৰু সেই স্তৰসমূহৰ কাৰণে প্ৰয়োজনীয় সক্ষমতাক এই মানদণ্ডসমূহে অন্তৰ্ভুক্ত কৰি ল'ব। প্ৰতিটো স্তৰৰ বাবে, NPSTএ কৰ্মদক্ষতা মূল্যায়নৰ বাবে মানদণ্ডসমূহ সামৰি ল'ব।

**3.1.3 শিক্ষকৰ কেৰিয়াৰ ব্যৱস্থাপনা** – কাৰ্যকাল, পেছাদাৰী বিকাশৰ প্ৰচেষ্টা, বেতন বৃদ্ধি, পদোন্নতি আৰু অন্য স্বীকৃতিসমূহকে ধৰি শিক্ষকৰ কেৰিয়াৰ ব্যৱস্থাপনা সকলো দিশ সামৰি ল'ব।

**3.1.4 শিক্ষকৰ পেছাদাৰী বিকাশ** – শিক্ষকসকলৰ আত্ম-বিকাশ আৰু শিক্ষকতা বৃত্তিৰ শেহতীয়া উদ্ভাৱন আৰু অগ্ৰগতিসমূহৰ বিষয়ে শিকিবৰ বাবে শিক্ষকসকলক অবিৰতভাৱে সুযোগ প্ৰদান কৰা হ'ব।

NEP 2020 অনুসৰি, শিক্ষক প্ৰস্তুতি হ'ল এনে এক কাৰ্য যাৰ বাবে বহুবিষয়ক দৃষ্টিভংগী আৰু জ্ঞান, স্বভাৱ আৰু প্ৰমূল্যৰ গঠন, আৰু উত্তম পৰামৰ্শ প্ৰদানকাৰীৰ অধীনত অনুশীলনৰ বিকাশৰ প্ৰয়োজন হয়। ইয়াৰ বাবে শিক্ষকসকল ভাৰতীয় প্ৰমূল্য, ভাষা, জ্ঞান, মূল্যবোধ আৰু পৰম্পৰাৰ প্ৰতি সমৰ্পিত হৈ থকাৰ লগতে শিক্ষা আৰু শিক্ষাদান বিষয়ৰ শেহতীয়া অগ্ৰগতিসমূহৰ বিষয়ে তেওঁলোকৰ সম্যক জ্ঞান থকাটো প্ৰয়োজনীয় হ'ব। শিক্ষণ মানদণ্ডৰ উপাদানসমূহ আৰু ভাৰতবৰ্ষৰ শিক্ষাৰ্থীসকলৰ শৈক্ষিক ফলাফল উন্নত কৰাৰ কাৰণে প্ৰয়োজনীয় ৰাজহুৱা বিৱৰণেই হৈছে NPST। এই মানদণ্ডসমূহ হ'ল নিৰ্দেশনাসমূহৰ এক সমষ্টি যি কেৰিয়াৰৰ বিভিন্ন পৰ্যায়ত বিশেষজ্ঞতাৰ বিভিন্ন স্তৰত এজন শিক্ষকৰ ভূমিকাৰ প্ৰত্যাশাসমূহ সংজ্ঞায়িত কৰে। ফলপ্ৰসূ শিক্ষণ কেনে হ'ব লাগে, আৰু শিক্ষকতাৰ কেৰিয়াৰৰ প্ৰতিটো পৰ্যায়তে একবিংশ শতিকাৰ বিদ্যালয়সমূহত শিক্ষক হিচাপে কাম কৰিবলৈ কি দক্ষতাৰ প্ৰয়োজন, সেয়াও এই মানদণ্ডসমূহে নিৰ্ধাৰণ কৰে।

## 3.2 শিক্ষকৰ বাবে পেছাদাৰী মানদণ্ড

উৎকৃষ্ট শিক্ষক আৰু উত্তম পাঠদানৰ গুণসমূহৰ সন্দৰ্ভত, শিক্ষকসকলৰ বাবে পেছাদাৰী মানদণ্ডৰ সংৰচনাসমূহ স্পষ্ট আৰু অন্তৰ্নিহিত প্ৰকাশৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে। ইয়াৰোপৰি, ই ভাৰতবৰ্ষত শিক্ষণৰ বিষয়ে গৱেষণা আৰু শিক্ষক সৃষ্টিৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে, আৰু এক সদৃশ সন্দৰ্ভত, ই শিক্ষক আৰু পাঠদানৰ মানদণ্ডৰ সংজ্ঞা নিৰ্ধাৰণ কৰাৰ লগতে মূল্যায়নৰ পদক্ষেপৰ ৰূপৰেখাও দাঙি ধৰিছে।

### a) সক্ষমতা

শিক্ষকসকলৰ বাবে পেছাদাৰী মানদণ্ডসমূহ প্ৰণয়ন কৰাৰ ক্ষেত্ৰত, শিক্ষক বৃত্তিৰ বাবে অপৰিহাৰ্য বুলি বিবেচিত দক্ষতাসমূহৰ উমৈহতীয়া মানদণ্ডৰ এক সমষ্টিৰ প্ৰতি দৃষ্টি আকৰ্ষিত হয়। সক্ষমতাৰ দ্বাৰা, জ্ঞান, কৌশল, বোধগম্যতা, প্ৰমূল্য, দৃষ্টিভংগী আৰু আকাংক্ষাৰ সমষ্টিক বুজোৱা হৈছে যি এটা বিশেষ ক্ষেত্ৰত ফলপ্ৰসূ, সুনিৰ্দিষ্ট মানৱীয় কাৰ্যকলাপ নিশ্চিত কৰি তোলে।

**b) ক্ষেত্ৰসমূহ**

শিক্ষকৰ জ্ঞান আৰু পাঠদানৰ অনুশীলন (পাঠদানৰ আগত, পাঠদানৰ সময়ত আৰু পাঠদানৰ পিছত) হ'ল পৰস্পৰৰ সৈতে সম্পৰ্কিত, আৰু এই দুয়োটা বিশ্বাস, দক্ষতা, যোগাযোগৰ ক্ষমতা, পেছাদাৰী পৰিচয়, নৈতিকতা, মূল্যবোধ আৰু স্বভাৱৰ সৈতে জড়িত। মানদণ্ড হিচাপে চিনাক্ত কৰা তিনিটা ক্ষেত্ৰ তলত উল্লেখ কৰা হ'ল –

1. মূল প্ৰমূল্য আৰু নৈতিকতা
2. জ্ঞান আৰু অনুশীলন
3. পেছাদাৰী বিকাশ আৰু উন্নতি

**c) শিক্ষকৰ প্ৰফাইল**

যিমান দূৰ সম্ভৱ, পাঠদানৰ ক্ষেত্ৰত উন্নতি আৰু বিশেষজ্ঞতা বিকাশৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হ'ব, যাতে উপযুক্ত পাঠদানৰ বিকাশ আৰু উন্নতিৰ প্ৰকৃতিৰ ইংগিত লাভ কৰিব পাৰি – উন্নয়ন আৰু বিকাশ উভয়ৰ বাবে প্ৰত্যাশা আৰু পথ সৃষ্টি কৰাৰ লগতে উন্নত মানদণ্ডসমূহক পেছাদাৰীসকলৰ দ্বাৰা স্বীকৃতি প্ৰদানৰ ভিত্তি গঢ়ি তুলিব। NPSTৰ কাৰণে, তলত প্ৰস্তাৱ আগবঢ়োৱা তিনিটা স্তৰ শিক্ষণ সক্ষমতাৰ লগতে সকলো ক্ষেত্ৰতে প্ৰয়োগ কৰিব পৰা যাব – এয়া সকলো বিদ্যালয়ৰ বিভিন্ন স্তৰত আৰু শিক্ষণৰ সকলো ক্ষেত্ৰতে প্ৰয়োগ কৰিব পৰা যাব। এই স্তৰসমূহ আৰু সেইবিলাকৰ বিৱৰণসমূহ, শিক্ষকসকল কি কৰিবলৈ সক্ষম আৰু তেওঁলোকে কোনবোৰ ক্ষেত্ৰত অধিক বিকাশ সাধন কৰিব পাৰে, সেই সম্পৰ্কীয় দৃষ্টিভংগীৰ সমৰ্থনৰ বাবে ব্যৱহাৰ কৰিব পৰা যাব। তদুপৰি, তলত উল্লেখ কৰা স্তৰসমূহত অৰ্জন কৰা কৰ্মপটুতাৰ প্ৰমাণৰ ভিত্তিত শিক্ষক নিয়োগৰ ক্ষেত্ৰতো সহায়ক হ'ব:

1. প্ৰৱীণ
2. উন্নত
3. কৌশলী

এই NPST হ'ল এক নিৰ্দেশনা তথ্যপুথি যি উচ্চ মানদণ্ডৰ শিক্ষক প্ৰস্তুত আৰু উৎপন্ন কৰাৰ ক্ষেত্ৰত জড়িত সকলো অংশীদাৰক সহায় আগবঢ়ায়। ই এজন শিক্ষক হ'বলৈ সিদ্ধান্ত লোৱাৰ পৰা আৰম্ভ কৰি শিক্ষকতাৰ যাত্ৰা সম্পূৰ্ণ হোৱালৈকে শিক্ষকসকলক এক স্পষ্ট দক্ষতাৰ পথ প্ৰদান কৰে। এই তথ্যপুথিয়ে শিক্ষক শিক্ষণ প্ৰতিষ্ঠানসমূহক উন্নত মানদণ্ডসম্পন্ন শিক্ষক সৃষ্টি কৰাৰ কাৰণে নিৰ্দেশনা প্ৰদান কৰে।

শিক্ষণ প্ৰফাইলক এটা বিশেষ স্তৰলৈ উন্নীত কৰিবলৈ মানদণ্ডসমূহক পূৰ্ব-প্ৰয়োজনীয় দক্ষতা হিচাপে সংজ্ঞায়িত আৰু শ্ৰেণীভুক্ত কৰা হয়। এজন শিক্ষকে কেৰিয়াৰৰ এক নিৰ্দিষ্ট স্তৰত উপনীত হোৱাৰ বাবে প্ৰয়োজনীয় দক্ষতা আহৰণ কৰি আৰু দক্ষতাৰ প্ৰমাণ প্ৰদৰ্শন কৰি পূৰ্বচৰ্ত পূৰণ কৰিব। এটা নিৰ্দিষ্ট পৰ্যায়ৰ মানদণ্ডসমূহ পূৰণ কৰাৰ পিছত এজন শিক্ষকে প্ৰমাণপত্ৰ লাভ কৰিব আৰু আনুষ্ঠানিকভাৱে

সেই পৰ্যায়লৈ উন্নীত হ'ব আৰু শিক্ষকে আহৰণ কৰা দক্ষতাসমূহ শিক্ষকতাৰ কালৰ অনুশীলনত প্ৰয়োগ কৰিব আৰু পৰৱৰ্তী পৰ্যায়ৰ কেৰিয়াৰৰ বাবে দক্ষতাসমূহৰ ওপৰত কাম আৰম্ভ কৰিব।

শিক্ষক শিক্ষা কাৰ্যসূচী (TEP)ত নামভৰ্তি কৰাৰ প্ৰথম দিনাখনৰ পৰাই সফল শিক্ষকতা কেৰিয়াৰৰ বাবে প্ৰস্তুতিৰ যাত্ৰা আৰম্ভ হয়। এজন প্ৰশিক্ষণৰত-শিক্ষকে শিক্ষকতা কেৰিয়াৰৰ বাবে প্ৰস্তুতি চলাওঁতে প্ৰৱেশ পৰ্যায়ত কি অৰ্হতাৰ প্ৰয়োজন হয় সেই বিষয়ে NPSTত বিতংভাৱে উল্লেখ কৰা হৈছে। গতিকে যেতিয়া কোনো সাম্ভাব্য শিক্ষকে শিক্ষকতা বৃত্তিত যোগদান কৰাৰ সিদ্ধান্ত ল'ব তেতিয়া তেওঁলোকক NCTEৰ স্বীকৃতিপ্ৰাপ্ত TEIসমূহত নামভৰ্তি কৰা হ'ব। এই প্ৰতিষ্ঠানসমূহে এটা পাঠ্যক্ৰমৰ ওপৰত প্ৰশিক্ষণৰত-শিক্ষকসকলক শিক্ষাদান কৰিব আৰু এইসমূহ পাঠ্যক্ৰম শিক্ষক বৃত্তিৰ প্ৰথম স্তৰত উপনীত হোৱাৰ বাবে প্ৰয়োজনীয় সক্ষমতাসমূহক সামৰি লৈ সৃষ্টি কৰা হয়। এই মানদণ্ডসমূহ হ'ল পাঠ্যক্ৰম পৰিকল্পনা আৰু কাৰ্যসূচী ৰূপায়ণৰ ক্ষেত্ৰত প্ৰাক-সেৱা শিক্ষক শিক্ষা প্ৰতিষ্ঠানসমূহে পূৰণ কৰিবলগীয়া নূন্যতম মানদণ্ড। প্ৰশিক্ষণৰত-শিক্ষকসকলে তেওঁলোকৰ প্ৰাৰম্ভিক শিক্ষক প্ৰশিক্ষণত নিৰন্তৰ অনুশীলন আৰু পৰামৰ্শ প্ৰদানকাৰীৰ সহযোগিতাৰ জৰিয়তে পাঠদান আৰু শিক্ষণ প্ৰক্ৰিয়াটো ফলপ্ৰসূভাৱে পৰিচালনা কৰিবলৈ প্ৰয়োজনীয় জ্ঞান, দক্ষতা, মূল্যবোধ আৰু মনোভাৱ বিকশিত কৰিব।

NEP 2020ত উল্লেখ আছে যে এক বিদ্যালয় পৰ্যায়ত শিক্ষক যোগ্যতা পৰীক্ষা (TET) বা টেট পৰীক্ষাত উত্তীৰ্ণ হোৱাটো প্ৰশিক্ষণৰত-শিক্ষকসকলে শিক্ষকতা বৃত্তিত প্ৰৱেশৰ বাবে পূৰ্বচৰ্ত হ'ব। টেট পৰীক্ষাই এনে প্ৰাৰ্থীৰ দক্ষতা পৰীক্ষা কৰিব আৰু তেওঁলোকক চিনাক্ত কৰাটো নিশ্চিত কৰিব। টেট প্ৰফাইলে তেওঁলোকৰ দক্ষতাৰ ব্যাপকতা প্ৰতিফলিত কৰিব। শিক্ষক বৃত্তিত নতুন শিক্ষক নিযুক্তি হোৱাৰ পিছত তেওঁক NPST-ভিত্তিক কেৰিয়াৰ স্তৰৰ বাবে প্ৰস্তুতি চলাবলৈ পথ প্ৰদৰ্শন কৰা হ'ব। শিক্ষকৰ দক্ষতা মূল্যায়ন কৰা হ'ব পাৰদৰ্শিতা সূচক (PI)ৰ দ্বাৰা, যি বৃত্তিটোৰ বাবে গ্ৰহণযোগ্য মানদণ্ডৰ ক্ষেত্ৰত কৃতিত্বৰ স্তৰ প্ৰতিফলিত কৰে। পৰ্যায়ভিত্তিক দক্ষতা আহৰণৰ বাবে নূন্যতম সময়সীমা হ'ব পাঁচ বছৰ। শিক্ষকৰ গুণগত নিশ্চয়তা আৰু পাৰদৰ্শিতা সূচকসমূহ ৰাষ্ট্ৰীয় পৰামৰ্শ দান অভিযান (NMM) কাৰ্যসূচীৰ সৈতে সংযুক্ত কৰা হ'ব আৰু উৎকৃষ্ট শিক্ষকসকলক পৰামৰ্শ প্ৰদানকাৰীৰ গোটত অন্তৰ্ভুক্ত কৰিব পৰা যাব। ই বিভিন্ন ব্যক্তিৰ মাজত পাৰস্পৰিক শিকণৰ সুযোগ প্ৰদান কৰে, আৰু ফলস্বৰূপে তেওঁলোকৰ পেছাদাৰী বিকাশৰ বাট মুকলি হৈ পৰে।

আৰ্জিত পাৰদৰ্শিতাৰ ওপৰত ভিত্তি কৰি শিক্ষকসকলৰ তিনিটা ভিন্ন স্তৰত ভাগ কৰিব পাৰি:

### 1. প্ৰৱীণ শিক্ষক

কেৰিয়াৰৰ এই পৰ্যায়ত এজন শিক্ষকে শিক্ষণ আৰু শিকণৰ বাবে প্ৰয়োজনীয় দক্ষতা প্ৰদৰ্শনৰ ক্ষেত্ৰত পেছাগতভাৱে স্বাধীন হোৱাৰ আশা কৰে। বিদ্যালয়ত নিয়োজিত পৰামৰ্শ প্ৰদানকাৰীসকলে পেছাদাৰী বিকাশ কাৰ্যসূচী আৰু অনুশীলনৰ যোগেদি এনে প্ৰৱীণ শিক্ষকসকলৰ জ্ঞান অধিক শক্তিশালী কৰি তোলাত সহায় কৰিব। বিদ্যালয়ত নিয়োজিত পৰামৰ্শ প্ৰদানকাৰীসকলে প্ৰৱীণ শিক্ষকসকলৰ শিক্ষণ অনুশীলন উন্নত কৰাত সহায় কৰিব। এনে প্ৰৱীণ শিক্ষকসকলে আৰ্জিত কৌশলসমূহ প্ৰয়োগ কৰি

কৰ্মদক্ষতাৰ সৰ্বোত্তম স্তৰত উপনীত হোৱাৰ পিছত তেওঁলোকক কেৰিয়াৰৰ পৰৱৰ্তী পৰ্যায়লৈ উন্নীত হ'বলৈ সাজু কৰি তোলা হ'ব আৰু সেই স্তৰটো হ'ল উন্নত শিক্ষকৰ স্তৰ। এনে শিক্ষকক পৰৱৰ্তী স্তৰৰ পেছাদাৰী বিকাশৰ বাবে সুযোগ প্ৰদান কৰা হ'ব আৰু কৌশলসমূহ আয়ত্ব কৰিবৰ বাবে পথ-প্ৰদৰ্শন কৰা হ'ব। তাৰপিছত একেটা বিদ্যালয় স্তৰৰ কাৰণে পৰৱৰ্তী কেৰিয়াৰৰ স্তৰৰ সৈতে জড়িত হ'ব পৰাকৈ দক্ষতা বিকাশৰ বাবে প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। শিক্ষকজন পৰবৰ্তী স্তৰৰ বাবে সাজু হৈ উঠিলে, তেওঁলোকক কৌশল মূল্যায়ন আৰু উন্নত শিক্ষকৰ মৰ্যদা অৰ্জনৰ ক্ষেত্ৰত পথ-প্ৰদৰ্শন কৰা হ'ব। এজন প্ৰৱীণ শিক্ষকে পাঠ্যক্ৰমৰ বিষয়বস্তু সংগঠিতকৰণ, সম্পদ নিৰ্বাচন, পাঠ্যপুথিৰ অৰ্থপূৰ্ণ ব্যৱহাৰ, ছাত্ৰ-ছাত্ৰীৰ বাবে সামগ্ৰিকভাৱে পাঠ্যক্ৰমৰ লক্ষ্য পূৰণ, ছাত্ৰ-ছাত্ৰীৰ মংগল আৰু বিকাশৰ প্ৰতি যত্ন আৰু চিন্তা আৰু ছাত্ৰ-ছাত্ৰীৰ সৈতে ফলপ্ৰসূভাৱে যোগাযোগ কৰাৰ ক্ষেত্ৰত দক্ষতাসমূহ প্ৰদৰ্শন কৰিব। তেওঁ শিকণৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ ব্যক্তি-নিৰ্দিষ্ট নিৰ্দেশনাৰ প্ৰয়োজনীয়তাক প্ৰমাণ কৰিব; অভিভাৱক আৰু বিদ্যালয় পৰিচালনা সমিতিৰ দৰে তাৎক্ষণিক অংশীদাৰসকলৰ সৈতে মত বিনিময় কৰিব; গণতান্ত্ৰিক আৰু সাংবিধানিক মূল্যবোধ আৰু নীতিসমূহ প্ৰচাৰিত কৰিব।

**2. উন্নত শিক্ষক:**

কেৰিয়াৰৰ এই পৰ্যায়ত এজন শিক্ষকে শিক্ষণ-শিকণ প্ৰক্ৰিয়াৰ সৈতে জড়িত উত্তম পদ্ধতিসমূহ প্ৰয়োগ কৰি পাঠদানৰ উচ্চতম মানদণ্ডসমূহ ৰূপায়ণ কৰিব বুলি আশা কৰা হয়। শিক্ষণ আৰু শিকণৰ বাবে প্ৰয়োজনীয় দক্ষতা প্ৰয়োগৰ ক্ষেত্ৰত তেওঁ পেছাগতভাৱে সক্ষম হয়। উন্নত শিক্ষকসকলে প্ৰৱীণ পৰ্যায়ত শিক্ষকৰ বাবে সমনীয়া নেতাৰ ভূমিকা গ্ৰহণ কৰিব। উন্নত শিক্ষকসকলৰ অনুশীলন অধ্যক্ষ/মুৰব্বী/জ্যেষ্ঠ বিষয়াসকলে পৰ্যবেক্ষণ কৰিব আৰু সেই অনুসৰি প্ৰশিক্ষণ প্ৰদান কৰিব। যেতিয়া উন্নত শিক্ষকসকল কেৰিয়াৰৰ পৰৱৰ্তী পৰ্যায়লৈ উন্নীত হোৱাৰ বাবে সাজু হৈ উঠিব, তেওঁলোকক তেতিয়া কৌশলী শিক্ষকৰ মৰ্যদা অৰ্জনৰ বাবে পথ-প্ৰদৰ্শন কৰিব। কেৰিয়াৰৰ এই পৰ্যায়ত সকলো বিষয়বস্তুৰ ক্ষেত্ৰত তেওঁ অধিক দায়িত্বৰ সৈতে প্ৰয়োগ, অভিযোজন আৰু কৰ্ম-সম্পাদন কৰিবলৈ যথেষ্ট সচেতন হ'ব; বিষয় ক্ষেত্ৰসমূহত সংঘটিত হোৱা উন্নতিৰ বিষয়ে সচেতন হ'ব; দক্ষতা একত্ৰীকৰণ আৰু নতুন পাঠ্যক্ৰমৰ বিষয়বস্তুৰ সৈতে কাম কৰিব। তেওঁলোকে তাৎক্ষণিক, মধ্যম আৰু দীৰ্ঘম্যাদী শিক্ষাৰ্থী শিকণ/শৈক্ষিক লক্ষ্যৰ বাবে কৌশল ৰচনা কৰিব পাৰিব, প্ৰত্যাহ্বানসমূহৰ লগত মোকাবিলা কৰিব পাৰিব, বিদ্যালয় আৰু সমাজৰ বিভিন্ন অংশীদাৰসকলৰ লগত কাম কৰিব পাৰিব।

**3. কৌশলী শিক্ষক:**

এই স্তৰত পৰামৰ্শ প্ৰদানকাৰী বা সমনীয়া নেতা হিচাপে কাম কৰাৰ ব্যতিক্ৰমী সক্ষমতাৰ সৈতে শিক্ষকসকলে উচ্চতম মানদণ্ড লাভ কৰিব বুলি আশা কৰা হয়, আৰু অন্য শিক্ষকসকলক তেওঁলোকৰ দক্ষতা উন্নত কৰাত সহায় কৰাৰ লগতে বিদ্যালয়ৰ পেছাদাৰী বিকাশ কাৰ্যসূচীবোৰতো নেতৃত্ব প্ৰদান কৰে। কেৰিয়াৰৰ এই পৰ্যায়ত এজন শিক্ষকে তেওঁলোকৰ পাঠদানৰ অনুশীলনত ধাৰাবাহিকভাৱে উত্তম

মানদণ্ড প্ৰদৰ্শন কৰে, সহযোগিতামূলকভাৱে কাম কৰে আৰু সহকৰ্মীসকলক তেওঁলোকৰ শিকণ আৰু অনুশীলন বৃদ্ধি কৰিবলৈ পথ-নিৰ্দেশনা প্ৰদান কৰে। তদুপৰি এজন কৌশলী শিক্ষকে নিজৰ লগতে সহকৰ্মী আৰু ছাত্ৰ-ছাত্ৰীৰ শিক্ষণ প্ৰয়োজনীয়তা বিবেচনা কৰি নিজৰ পেছাদাৰী জ্ঞান আৰু অনুশীলন নিৰন্তৰ বিকাশ কৰিবলৈ ইচ্ছুক হ'ব। কৌশলী শিক্ষকসকলে সহকৰ্মীসকলক পৰ্যবেক্ষণ কৰিব আৰু নিজৰ আৰু আনৰ শিকণৰ বাবে দায়বদ্ধ হ'ব। কৌশলী শিক্ষকে আনক কেৰিয়াৰৰ পৰৱৰ্তী পৰ্যায়লৈ আগবাঢ়ি যাবলৈ পথ-প্ৰদৰ্শন কৰিব। তেওঁলোকক দক্ষতা আহৰণ আৰু কেৰিয়াৰৰ পৰৱৰ্তী স্তৰৰ সৈতে সম্পৰ্কিত দক্ষতা বিকশিত কৰিবলৈ পথ-প্ৰদৰ্শন কৰিব। তেওঁলোকে বিদ্যালয়ত শিকণ সম্প্ৰদায় গঢ়ি তুলি নিজৰ আৰু আনৰ পাঠদান-সম্পৰ্কিত চৰ্চা উন্নত কৰাৰ ব্যতিক্ৰমী ক্ষমতা প্ৰদৰ্শন কৰিব।

### 3.3 সক্ষমতাৰ বৃদ্ধি আৰু বিকাশ

বৰ্ণিত সকলো পেছাদাৰী ক্ষেত্ৰত সক্ষমতা বৃদ্ধি আৰু বিকাশ সম্ভৱপৰ আৰু বাঞ্ছনীয়। এই বৃদ্ধি আৰু বিকাশ পাঠদানৰ লগত জড়িত সকলো ধৰণৰ সক্ষমতাৰ ক্ষেত্ৰত প্ৰযোজ্য: জ্ঞান, দৃষ্টিভংগী, বিশ্বাস, দক্ষতা, স্বভাৱ, মূল্যবোধ, পাঠদানৰ বিষয়বস্তু/বিষয়, শিক্ষাৰ্থীৰ বোধগম্যতা, সম্প্ৰদায়, শিক্ষাৰ দাৰ্শনিক উদ্দেশ্য আদি। বহলভাৱে ক'বলৈ গ'লে এনে বিকাশৰ তিনিটা পথ আছে:

a) **অভিজ্ঞতা** - অভিজ্ঞতা আৰু প্ৰতিফলনে শিক্ষকসকলক শিক্ষণ অনুশীলনৰ বিষয়ে অধিক বোধগম্যতা লাভৰ সুবিধা প্ৰদান কৰে, তেওঁলোকৰ জ্ঞান, তত্ব আৰু বিশ্বাস, প্ৰসংগ, শিক্ষাৰ্থী আৰু শিকণ প্ৰক্ৰিয়াৰ লগতে শৈক্ষিক বোধগম্যতা গভীৰ কৰি তোলে। প্ৰাৰম্ভিক অৱস্থাত, যিকোনো বৃত্তিতে সাধাৰণতে দেখা পোৱাৰ দৰে, এজন শিক্ষকে শিক্ষণ কৰ্মতালিকাৰ সৈতে অধিক পৰিচিত হোৱা আৰু ভিন্ন পেছাদাৰী আৰু কৰ্মক্ষেত্ৰৰ প্ৰয়োজনীয়তাসমূহৰ সৈতে নিজকে অভ্যস্ত কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ক্ৰমান্বয়ে, পাঠদানৰ মূল কামত লিপ্ত হ'বলৈ অধিক মানসিক সময় উপলব্ধ হৈ পৰে, আৰু সকলো শিক্ষাৰ্থীৰ শিকণ সক্ষমতা আৰু শৈক্ষিক লক্ষ্য প্ৰাপ্তিত উপনীত হ'ব পৰা যায়। প্ৰাক্-সেৱাৰ শিক্ষক শিক্ষাৰ পৰ্যায়ত 'তাত্বিক' শিক্ষাৰ গুৰুত্ব আৰু মূল্যও অধিক স্পষ্ট হৈ পৰে আৰু শিক্ষকসকলেও ইয়াক মূল্য দিয়ে। শিক্ষকসকলৰ মাজত পেছাদাৰী পৰিচয় আৰু বৃত্তিটোৰ বিষয়ে উপযুক্ত বোধগম্যতা বিকশিত হয়। সকলো শিক্ষকেই অভিজ্ঞতাৰ পৰা শিকে আৰু নিজৰ বিকাশ সাধন কৰে।

b) **নতুন কথা শিকা আৰু ভাব-বিনিময়** - বৃত্তিমূলক শিক্ষাৰ সামাজিক প্ৰকৃতিক এতিয়া ক্ৰমান্বয়ে স্বীকাৰ কৰি লোৱা হৈছে। সমনীয়া আৰু সহকৰ্মীৰ লগত কথা পাতি শিকা আৰু 'অন্য ঠাইত কামবোৰ কেনেকৈ কৰা হয়' ইত্যাদিৰ সৈতে পৰিচিত হোৱাটো শিক্ষকৰ বাবে শিকণ আৰু বিকাশৰ গুৰুত্বপূৰ্ণ উৎস। অনুশীলন আৰু পেছাদাৰী শিকণৰ সম্প্ৰদায়ৰ অংশ হিচাপে সন্মিলন আৰু কৰ্মশালাত অংশগ্ৰহণ কৰা আৰু শিক্ষাৰ বাহিৰেও কৰ্মক্ষেত্ৰত অনুষ্ঠিত হোৱা অন্য অনুষ্ঠানসমূহত যোগদান কৰাটোৱে শিক্ষকসকলক চিন্তন আৰু শিকণৰ সুযোগ প্ৰদান কৰে।

c) **অবিৰত পেছাদাৰী বিকাশ** - অবিৰত পেছাদাৰী বিকাশৰ অনলাইন বা অফলাইন কৰ্মশালা, সক্ষমতা বিকাশৰ বৈঠকসমূহ, দক্ষতা উন্নীতকৰণ পাঠ্যক্ৰমে নতুন জ্ঞান লাভ, নতুন দক্ষতা ক্ষেত্ৰ বা সক্ষমতাসমূহৰ অনুশীলন বা উন্নয়ন, সংযুক্ত সক্ষমতাসমূহৰ বিকাশ সাধন কৰাৰ যোগেদি নতুন কেৰিয়াৰৰ পথৰ বিকাশ সাধন কৰিব পাৰি। গতিকে, নতুন ক্ষেত্ৰ আৰু বিশেষজ্ঞতা অধিক বিকাশৰ বিষয়ে শিকাৰ কাৰণে ইয়াক এক গুৰুত্বপূৰ্ণ সুযোগ হিচাপে গণ্য কৰা হয়।

## 3.4 শিক্ষকৰ ৰাষ্ট্ৰীয় পেছাদাৰী মানদণ্ড (NPST)

সাধাৰণতে মানদণ্ডই শিক্ষণৰ মানদণ্ড ফলপ্ৰসূভাৱে সংজ্ঞায়িত আৰু চিত্ৰায়িত কৰা দেখা পোৱা যায়। সেইসমূহে "ভাল শিক্ষা"ক প্ৰতিনিধিত্ব কৰে, লগতে "মানদণ্ড পূৰণ"ৰ অৰ্থ কি, সেয়াও চিহ্নিত কৰে। পেছাদাৰীভাৱে, এই মানদণ্ডসমূহক ইয়াৰ উদ্দেশ্য আৰু পৰিসৰৰ ভিত্তিত শ্ৰেণীভুক্ত কৰা হয়। এই মানদণ্ডসমূহ সংশ্লিষ্ট কৰ্মক্ষেত্ৰৰ বাবে সাধাৰণ বা নিৰ্দিষ্ট হ'ব পাৰে। সকলো শিক্ষকতা বৃত্তিধাৰী লোকক একত্ৰিত বা কেৰিয়াৰৰ বিভিন্ন স্তৰৰ শিক্ষকসকলক ক্ৰমাগতভাৱে প্ৰৱীণৰ পৰা কৌশলী পৰ্যায়লৈকে পথ-প্ৰদৰ্শন কৰাৰ ক্ষেত্ৰত এইসমূহক সাধাৰণভাৱেও সংজ্ঞায়িত কৰিব পাৰি।




চিত্ৰ. 2 পেছাদাৰী মানদণ্ড আৰু সক্ষমতাৰ ব্যাখ্যাচিত্ৰ

NEP 2020ৰ পৰিকল্পনা সফল কৰিবলৈ উল্লিখিত তিনিওটা ক্ষেত্ৰতে মানদণ্ডসমূহ বিশদভাৱে সংজ্ঞায়িত কৰা হৈছে, যাতে শিক্ষকতা বৃত্তিধাৰীসকলৰ আজীৱন কেৰিয়াৰৰ বিকাশ সামৰি ল'ব পাৰি। NCERT, SCERT, বিভিন্ন স্তৰ আৰু অঞ্চলৰ শিক্ষক, শিক্ষক প্ৰস্তুতি আৰু বিকাশৰ বিশেষজ্ঞ সংস্থা, বিশেষজ্ঞ সংস্থা আৰু উচ্চ শিক্ষানুষ্ঠানৰ লগত আলোচনা কৰি NPSTৰ এক উমৈহতীয়া নিৰ্দেশনা সমষ্টি প্ৰস্তুত কৰা হৈছে।

# 4. শিক্ষকৰ বাবে ৰাষ্ট্ৰীয় পেছাদাৰী মানদণ্ড (NPST)ৰ সংৰচনা

শিক্ষকৰ বাবে ৰাষ্ট্ৰীয় পেছাদাৰী মানদণ্ডৰ কেৰিয়াৰৰ মাত্ৰাসমূহ শিক্ষকৰ কামৰ নিৰ্দিষ্ট দিশৰ জৰিয়তে বৰ্ণনা কৰিব পাৰি। সংৰচনাটো 'মানদণ্ড' বুলি উল্লেখ কৰা তলৰ তিনিটা আন্তঃসম্পৰ্কীয় ভাগত সংগঠিত কৰা হৈছে আৰু ই কেইবাটাও ক্ষেত্ৰক সামৰি লৈছে।

**4.1 মানদণ্ড 1 – মূল প্ৰমূল্য আৰু নৈতিকতাসমূহ** - এজন শিক্ষকৰ বিকাশত সহায় কৰিব বুলি আশা কৰা মূল প্ৰমূল্য আৰু নৈতিকতাবোধ সম্বন্ধীয় ক্ষেত্ৰসমূহ এই মানদণ্ডই সামৰি ল'ব। মূল প্ৰমূল্য আৰু নৈতিকতাসমূহে শিক্ষণ বৃত্তিত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এইবোৰে শ্ৰেণীকোঠাৰ ভিতৰত সংহতি, পেছাদাৰিত্ব, সততা, সন্মান, বিশ্বাস আৰু পাৰস্পৰিক বুজাবুজিৰ প্ৰতি দায়বদ্ধতা আদিৰ দৰে মূল্যবোধৰ পেছাদাৰী বিকাশক গঢ় দিয়াত পথ-প্ৰদৰ্শক নীতি হিচাপে কাম কৰে, আৰু শিক্ষকসকলক তেওঁলোকৰ শিক্ষাদান বিষয়ক দক্ষতা আৰু আজীৱন শিকণক নিৰন্তৰ পৰিশোধন কৰাত সহায় কৰে। এই মূল মূল্যবোধ আৰু নৈতিকতা ৰক্ষা কৰি শিক্ষকসকলে সমতা আৰু সৰ্বাত্মকতাৰ ভেটি স্থাপন কৰে।




চিত্ৰ. 3 মূল প্ৰমূল্য আৰু নৈতিকতাবোধৰ ব্যাখ্যাচিত্ৰ


**4.2 মানদণ্ড 2 – জ্ঞান আৰু অনুশীলন** – এজন শিক্ষকে কেৰিয়াৰৰ এই স্তৰত ফলপ্ৰসূভাৱে কৰ্ম-সম্পাদন কৰিবৰ বাবে তেওঁলোকৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষণ-শিকণৰ বিষয়ে যি জানে বা বুজে বুলি আশা কৰা হয়, সেইসমূহ সম্বন্ধীয় ক্ষেত্ৰক এই মানদণ্ডই সামৰি লয়। এজন শিক্ষকে শিক্ষণ-শিকণ প্ৰক্ৰিয়া পৰিচালনা কৰাৰ সময়ত আৰু শিকণ প্ৰক্ৰিয়া মূল্যায়ন কৰাৰ সময়ত শিশুৰ বাবে উপযুক্ত শিকণ অভিজ্ঞতাৰ আৰ্হি কেনেকৈ প্ৰস্তুত কৰে, সেয়াও এই মানদণ্ডই ব্যাখ্যা কৰে। শিক্ষকৰ জ্ঞান আৰু অনুশীলনৰ পৰিসৰ অতি বহল আৰু ইয়াৰ ভিতৰত বিষয়বস্তুৰ জ্ঞান আৰু শিক্ষাদান বিষয়ক জ্ঞান, বিষয়বস্তু উপস্থাপন পদ্ধতিৰ জ্ঞান, শৈক্ষিক লক্ষ্য আৰু ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থা, নীতি আৰু ইতিহাসৰ জ্ঞান, শিকণ তত্ব আৰু শিক্ষাৰ্থীকেন্দ্ৰিক বিশেষ জ্ঞান আৰু শৈক্ষিক অনুশীলনৰ জ্ঞান অন্তৰ্ভুক্ত হৈ থাকে। জ্ঞান আৰু অনুশীলন হ'ল কাম 'কৰা'ৰ ক্ষমতা আৰু আগ্ৰহ। ইয়াৰোপৰি ইয়াৰ সৈতে শিক্ষাৰ্থীসকলক সামগ্ৰিকভাৱে আৰু অৰ্থপূৰ্ণভাৱে জড়িত কৰা, পৰিকল্পনা কৰা, শিক্ষাদান, মূল্যায়ন আৰু চিন্তা-চৰ্চা কৰা, সম্পদ নিৰ্বাচন, বিকাশ আৰু ব্যৱহাৰ কৰা, শ্ৰেণীকোঠা, গ্ৰন্থাগাৰ, পৰীক্ষাগাৰ, ক্ষেত্ৰ অধ্যয়নৰ স্থানসমূহ,

কৰিডৰ আৰু খেলপথাৰক সামৰি বিভিন্ন স্থানৰ বাবে শিকণ অভিজ্ঞতাৰ আৰ্হি প্ৰস্তুত কৰা আৰু সম্পাদন কৰা, আৰু সকলো ছাত্ৰ-ছাত্ৰীকে সামগ্ৰিকভাবে শিকণ আৰু বিকাশত সহায় আগবঢ়োৱাৰ বাবে থকা মনোভাৱ জড়িত হৈ থাকে।




চিত্ৰ. 4 জ্ঞান আৰু অনুশীলনৰ ব্যাখ্যাচিত্ৰ

**4.3 মানদণ্ড 3 – পেছাদাৰী বিকাশ আৰু উন্নয়ন** - এই মানদণ্ডই কেৰিয়াৰৰ প্ৰতিটো পৰ্যায়ত অবিৰত পেছাদাৰী বিকাশ (CPD) কাৰ্যসূচীত অংশগ্ৰহণৰ জৰিয়তে পেছাদাৰী জ্ঞান/দক্ষতা আৰু অনুশীলন উন্নত কৰাৰ বাবে এজন শিক্ষকৰ পৰা কি আশা কৰা হয়, সেই ক্ষেত্ৰসমূহক সামৰি লয়। পেছাদাৰী হিচাপে শিক্ষকসকলে তেওঁলোকৰ পেছাদাৰী পৰিচয়ক মূল্য দিব লাগে আৰু নিজৰ সামৰ্থ্য বৃদ্ধি আৰু বিকাশৰ বাবে নিৰন্তৰ প্ৰচেষ্টা চলাব লাগে। এই তথ্যপুথিখনত ব্যৱহৃত দক্ষতাৰ কাৰ্য্যকৰী সংজ্ঞা সন্দৰ্ভত আগবঢ়োৱা ব্যাখ্যা অনুসৰি দক্ষতাই সকলো ধৰণৰ জ্ঞান, স্বভাৱ আৰু ক্ষমতা অন্তৰ্ভুক্ত কৰে।




চিত্ৰ. 5 পেছাদাৰী বিকাশ আৰু উন্নয়নৰ ব্যাখ্যাচিত্ৰ

| মানদণ্ড 1 – মূল প্ৰমূল্য আৰু নৈতিকতাসমূহ | | | |
|---|---|---|---|
| এজন শিক্ষকে প্ৰকাশ কৰিব বুলি আশা কৰা মূল প্ৰমূল্য আৰু পেছাদাৰী নৈতিকতাসমূহ | | | |
| ক্ষেত্ৰ | প্ৰৱীণ শিক্ষক | উন্নত শিক্ষক | কৌশলী শিক্ষক |
| ভাৰতবৰ্ষৰ সংবিধানত সন্নিবিষ্ট থকা সাংবিধানিক প্ৰমূল্যসমূহ | সাংবিধানিক প্ৰমূল্যৰ উধৃতিৰে যুক্তি, অগ্ৰাধিকাৰ, চিন্তা-চৰ্চা আৰু ব্যাখ্যা কৰাৰ ক্ষমতা | | |
| | তথ্যসমূহ নৈতিক আৰু দায়িত্বশীলভাবে ব্যৱহাৰ কৰা আৰু শিক্ষাৰ্থীসকলৰ মৰ্যদা সুনিশ্চিত কৰাৰ ক্ষমতা | | |
| | ভাৰতীয় সংবিধানৰ 51 A অনুচ্ছেদত উল্লেখ কৰা মৌলিক কৰ্তব্যসমূহৰ প্ৰতি সজাগতা আৰু সেইসমূহৰ অনুশীলন | | |
| | সংঘাতপূৰ্ণ আৰু জটিল পৰিবেশৰ মোকাবিলা কৰাৰ ক্ষেত্ৰত ন্যায়িক বাধ্যবাধকতা, নিয়ম, নিৰ্দেশনা, নীতি আৰু নীতিগত যুক্তিসমূহ বুজাৰ সক্ষমতা | | |
| পেছাদাৰী সম্পৰ্কসমূহ | শিক্ষাৰ্থীসকলৰ বাবে সহ-পাঠ্যক্ৰমৰ সুযোগ আৰম্ভ কৰিবলৈ অন্য পেছাদাৰী আৰু সংস্থাসমূহৰ সৈতে যোগাযোগ স্থাপন কৰা | | |
| | শিশুৰ সামগ্ৰিক বিকাশত পিতৃ-মাতৃ আৰু সমাজৰ ভূমিকা স্বীকাৰ আৰু উপলব্ধি কৰাৰ সক্ষমতা | | |
| | সম্পদৰ সংযুক্ত উপযোগৰ বাবে নিজৰ বিদ্যালয় আৰু অন্য অনুষ্ঠান-প্ৰতিষ্ঠান আৰু সম্প্ৰদায়ৰ মাজত পাৰস্পৰিক সম্পৰ্ক বজাই ৰখাৰ ক্ষমতা | | |
| | বিদ্যালয়ৰ ভিতৰত আৰু বাহিৰত বিভিন্ন অংশীদাৰৰ সৈতে সম্পৰ্ক গঢ়ি তোলা আৰু জটিল আৰু প্ৰত্যাহ্বানমূলক পৰিবেশৰ সম্পৰ্কে আলোচনা কৰাৰ ক্ষমতা | | |
| | সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে সামগ্ৰিক শিক্ষাৰ লক্ষ্যত উপনীত হ'বলৈ প্ৰতিষ্ঠানটোক দক্ষতাৰে আৰু ফলপ্ৰসূভাবে কাম কৰাৰ ক্ষেত্ৰত সক্ষম কৰিবলৈ লক্ষ্য আৰু কৌশল নিৰ্ধাৰণ কৰাৰ ক্ষমতা আৰু বিদ্যালয়ৰ সকলো সদস্যৰ বাবে অনুকূল কৰ্ম পৰিবেশ আৰু মংগল নিশ্চিত কৰাৰ সক্ষমতা | | |

| মানদণ্ড 2 – জ্ঞান আৰু অনুশীলন | | | | |
|---|---|---|---|---|
| শ্ৰেণীকোঠাত ফলপ্ৰসূ শিক্ষাদান বিষয়ক অনুশীলনৰ বাবে এগৰাকী শিক্ষকে কি জানিব, বুজিব আৰু কৰিবলৈ সমৰ্থ হ'ব বুলি আশা কৰা হয় | | | | |
| ক্ষেত্ৰ | উপক্ষেত্ৰ | প্ৰৱীণ শিক্ষক | উন্নত শিক্ষক | বিশেষজ্ঞ শিক্ষক |
| প্ৰতিটো শিশুৰ বিশেষ সক্ষমতাসমূহক স্বীকৃতি দিয়া, চিনাক্ত কৰা আৰু উৎসাহিত কৰা | শিশুৰ বিকাশ আৰু শিকণ | বিকাশৰ বিভিন্ন ক্ষেত্ৰ আৰু স্তৰসমূহ সম্বন্ধীয় তত্বৰ বোধগম্যতা (জ্ঞানমূলক, ভাষিক, সামাজিক, আৱেগিক আৰু শাৰীৰিক) | ব্যক্তিৰ বাবে বিকাশ আৰু শিকণৰ ধাৰা চিনাক্ত কৰিবলৈ শিশুৰ বিকাশৰ জ্ঞান আৰু বোধগম্যতাৰ প্ৰয়োগ | সহকৰ্মীৰ বাবে শিশু বিকাশ তত্বৰ আৰ্হিৰ প্ৰয়োগ |
| | শিকাৰুৰ বৈচিত্ৰ | বিভিন্ন ধৰণৰ শিক্ষাৰ্থীৰ বৈচিত্ৰৰ বিষয়ে স্পষ্টকৈ বুজি উঠা (শিকণ শৈলী, শিকণৰ প্ৰয়োজনীয়তা, আৰ্থ-সামাজিক স্থিতি, সংস্কৃতি, ভাষা, পৰিয়াল গাঁথনি ইত্যাদি) আৰু শ্ৰেণীকোঠা আৰু বিদ্যালয়ত এই বৈচিত্ৰক স্বীকৃতি দিয়া | শিক্ষাৰ্থীৰ বৈচিত্ৰপূৰ্ণ প্ৰয়োজনীয়তা পূৰণৰ বাবে শিকণ সম্পদৰ জ্ঞানৰ প্ৰয়োগ আৰু এক সমাবেশী শ্ৰেণীকোঠা সৃষ্টি কৰা | শ্ৰেণীকোঠাৰ অভিজ্ঞতাৰ ভিত্তিত একো একোজন ছাত্ৰ-ছাত্ৰীৰ বৈচিত্ৰপূৰ্ণ প্ৰয়োজনীয়তাসমূহ উপলব্ধি আৰু নিৰ্ণয় কৰাৰ ক্ষমতা |
| | প্ৰতিভাশালী আৰু দিব্যাংগ শিক্ষাৰ্থীৰ শিকণ প্ৰয়োজনীয়তা | বিশেষভাৱে সক্ষম আৰু তেওঁলোকৰ বিশেষ শিকণ প্ৰয়োজনীয়তাৰ লগতে প্ৰতিভাশালী শিশুৰ প্ৰয়োজনীয়তাৰ বিষয়ে জ্ঞান প্ৰদৰ্শন কৰা আৰু তেওঁলোকৰ শিকণক সমৰ্থন কৰিবলৈ কৌশল প্ৰস্তুত কৰা | শ্ৰেণীকোঠাৰ বিভিন্ন ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয়তাসমূহ সম্পন্ন আৰু চিনাক্ত কৰিবলৈ বিশেষ প্ৰয়োজনীয়তাৰ জ্ঞানৰ প্ৰয়োগ কৰা | বিশেষজ্ঞৰ হস্তক্ষেপৰ প্ৰয়োজন হোৱা বিশেষ প্ৰয়োজনীয়তাসমূহ চিনাক্ত কৰা আৰু এনে পৰিবেশৰ লগত কেনেদৰে মোকাবিলা কৰিব লাগে সহকৰ্মীসকলক ইয়াৰ তথ্য প্ৰদানৰ সক্ষমতা |
| বিষয়ৰ জ্ঞান, ধাৰণামূলক বোধগম্যতা আৰু প্ৰয়োগ | | জ্ঞান প্ৰচাৰৰ সক্ষমতা, বিষয়বস্তুৰ বোধগম্যতা আৰু প্ৰয়োগ প্ৰদৰ্শন কৰা | আন্তঃ আৰু অন্তঃ বিষয়বস্তুৰ সংযোগ প্ৰয়োগ কৰা আৰু স্থানীয় আৰু থলুৱা জ্ঞানক সংযোজিত কৰা | বিষয় ক্ষেত্ৰৰ অগ্ৰগতিসমূহৰ বিষয়ে সজাগ হৈ থকা আৰু পাঠ্যক্ৰমৰ আলোচনাত নতুন নতুন ধাৰণাৰ সংযোগ ঘটোৱা |
| পাঠ্যক্ৰম | পাঠ্যক্ৰম সংৰচনা | বিষয়/শাখাৰ পাঠ্যক্ৰম আৰু পাঠ্যক্ৰম সংৰচনাৰ লক্ষ্যৰ বিষয়ে এক স্পষ্ট বুজাবুজিৰ বিকাশ কৰা | আন্তঃ আৰু অন্তঃ বিষয়বস্তু পাঠ্যক্ৰমৰ মাজত সংযোগ বুজিবলৈ আৰু বিকাশ সাধন কৰিবলৈ সহকৰ্মীৰ সৈতে সহযোগিতা গঢ়ি তোলা | আধুনিক বিকাশ আৰু নতুন জ্ঞানক সংযোজন কৰিবলৈ পাঠ্যক্ৰমৰ আলোচনাত সালসলনি ঘটোৱা |

| মানদণ্ড 2 – জ্ঞান আৰু অনুশীলন | | | | |
|---|---|---|---|---|
| শ্ৰেণীকোঠাত ফলপ্ৰসূ শিক্ষাদান বিষয়ক অনুশীলনৰ বাবে এগৰাকী শিক্ষকে কি জানিব, বুজিব আৰু কৰিবলৈ সমৰ্থ হ'ব বুলি আশা কৰা হয় | | | | |
| **ক্ষেত্ৰ** | **উপক্ষেত্ৰ** | **প্ৰৱীণ শিক্ষক** | **উন্নত শিক্ষক** | **কৌশলী শিক্ষক** |
| শিক্ষাৰ্থীৰ শিকণৰ কাৰণে বিষয়বস্তুৰ বিকাশ | নিৰ্দেশমূলক/ শিক্ষাদান বিষয়ক কৌশল আৰু শিকণ বৰ্গীকৰণ | উমৈহতীয়া নিৰ্দেশমূলক কৌশলসমূহ, শিক্ষণত শিকণ বৰ্গীকৰণৰ ব্যৱহাৰ আৰু উমৈহতীয়া শিক্ষাদান বিষয়ক পদ্ধতি আৰু সম্পদসমূহৰ বিষয়ে বুজি উঠা | নিজৰ বিষয়/শিক্ষণ ক্ষেত্ৰত শিক্ষাদান বিষয়ক কৌশল আৰু শিকণ বৰ্গীকৰণ ব্যৱহাৰ কৰি উন্নয়নমূলকভাৱে উপযুক্ত শিকণ লক্ষ্য/ফলাফলৰ বিকাশ সাধন কৰা | শিক্ষণ তত্ব নিৰ্বাচন, নিৰ্দেশমূলক/শিক্ষাদান বিষয়ক কৌশল আৰু আকৰ্ষণীয় পাঠ পৰিকল্পনা সৃষ্টিৰ বাবে শিকণ বৰ্গীকৰণৰ ব্যৱহাৰত সহকৰ্মীসকলক পৰামৰ্শ প্ৰদান |
| | পৃথকীকৃত নিৰ্দেশনা/শিকণ | পৃথকীকৃত নিৰ্দেশনা/ শিক্ষণ কৌশলসমূহ আৰু শিকণ প্ৰক্ৰিয়াত ছাত্ৰ-ছাত্ৰীসকলৰ অংশগ্ৰহণ বৃদ্ধি কৰাত এইবোৰৰ ভূমিকা সম্পৰ্কে স্পষ্ট বোধগম্যতা আৰু ধাৰণা প্ৰদৰ্শন কৰা | শিকণ প্ৰক্ৰিয়াত ছাত্ৰ-ছাত্ৰীক জড়িত কৰিবলৈ পৃথকীকৃত নিৰ্দেশনা প্ৰয়োগ কৰা | উন্নয়নমূলকভাৱে উপযুক্ত পৃথকীকৃত ক্ৰিয়াকলাপ সৃষ্টি আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰবৃত্তি বৃদ্ধিৰ কৌশল সৃষ্টিৰ কাৰণে সহকৰ্মীসকলক পৰামৰ্শ প্ৰদান কৰা |
| | জীৱন-বিষয়ক দক্ষতা যেনে সমালোচনাত্মক চিন্তাধাৰা, সৃষ্টিশীল চিন্তধাৰা আৰু উচ্চ-স্তৰৰ চিন্তাৰ কৌশল বিকাশৰ কাৰণে আহিলা আৰু কৌশল | সমালোচনাত্মক আৰু সৃষ্টিশীল চিন্তাধাৰা আৰু/বা আন উচ্চ স্তৰৰ চিন্তাৰ কৌশল বিকাশৰ উমৈহতীয়া শিক্ষাদান বিষয়ক কৌশলসমূহৰ বিষয়ে এক গভীৰ বোধগম্যতা প্ৰদৰ্শন কৰা | এনে কৌশলৰ বিকাশৰ বাবে উপযুক্ত শিক্ষাদান বিষয়ক কৌশলসমূহৰ ব্যৱহাৰ কৰা | এই ক্ষেত্ৰত জ্ঞানৰ সাম্প্ৰতিক অগ্ৰগতিৰ ওপৰত ভিত্তি কৰি নতুন শিক্ষাদান বিষয়ক কৌশলসমূহ সৃষ্টি কৰা |
| শিকণ পৰিকল্পনা | শিকণৰ লক্ষ্য আৰু উদ্দেশ্য | পৰিমেয় আৰু অৰ্জন কৰিব পৰা শিকণ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে বোধগম্যতা | পাঠ্যক্ৰম সংৰচনাৰ সৈতে সাদৃশ্য থকা বিষয়ৰ কাৰণে পৰিমেয় আৰু অৰ্জনযোগ্য লক্ষ্য আৰু উদ্দেশ্যৰ সৃষ্টি কৰা | উচ্চ প্ৰত্যাশা আৰু প্ৰত্যাহ্বানমূলক কিন্তু অৰ্জনযোগ্য লক্ষ্যৰ বিকাশ, ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন প্ৰয়োজনীয়তাসমূহত উপনীত হোৱা আৰু তেওঁলোকৰ সামগ্ৰিক বিকাশৰ চিন্তা কৰি সক্ষমতা নিৰ্ধাৰণ কৰা |
| | শিকণ অভিজ্ঞতাৰ পৰিকল্পনা | বিশেষ শিকণৰ উদ্দেশ্যৰ বাবে এক শিকণ পৰিকল্পনা বিকাশ কৰাৰ সক্ষমতা | একো একোজন শিকাৰুৰ প্ৰয়োজনীয়তাক অন্তৰ্ভুক্ত কৰি পৃথকীকৃত শিকণ পৰিকল্পনাসমূহ সৃষ্টি কৰা | পাঠ্যক্ৰমৰ ওপৰত ভিত্তি কৰি পৰস্পৰ-সংলগ্ন শিকণ পৰিকল্পনাৰ এক সমষ্টি সৃষ্টি কৰাৰ সক্ষমতা |

| মানদণ্ড 2 – জ্ঞান আৰু অনুশীলন | | | | |
|---|---|---|---|---|
| শ্ৰেণীকোঠাত ফলপ্ৰসূ শিক্ষাদান বিষয়ক অনুশীলনৰ বাবে এগৰাকী শিক্ষকে কি জানিব, বুজিব আৰু কৰিবলৈ সমৰ্থ হ'ব বুলি আশা কৰা হয় | | | | |
| ক্ষেত্ৰ | উপক্ষেত্ৰ | প্ৰৱীণ শিক্ষক | উন্নত শিক্ষক | কৌশলী শিক্ষক |
| শিকণৰ, শিকণৰ কাৰণে আৰু শিকণ হিচাপে মূল্যায়ন | মূল্যায়ন কৌশলসমূহ | বিভিন্ন প্ৰকাৰৰ মূল্যায়ন কৌশল আৰু আহিলাৰ বোধগম্যতা | ছাত্ৰ-ছাত্ৰীসকলৰ শিকণ কৌশলৰ ওপৰত নিৰ্ভৰ কৰি উপযুক্ত মূল্যায়ন কৌশল নিৰ্বাচন কৰা | প্ৰতিষ্ঠানিক, ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত ব্যৱহৃত মূল্যায়ন নীতিসমূহৰ জ্ঞান প্ৰদৰ্শন কৰা |
| | মূল্যায়ন ডাটা | মূল্যায়ন ডাটাৰ পৰা ছাত্ৰ-ছাত্ৰীসকলৰ অন্তৰ্দৃষ্টি অনুমান কৰা | শিকণ পৰিকল্পনা সৃষ্টি আৰু লক্ষ্য স্থিৰ কৰাৰ বাবে মূল্যায়ন তথ্য ব্যৱহাৰ কৰা | শিক্ষাৰ্থী/শ্ৰেণীৰ পাৰদৰ্শিতাৰ এক সংহত দৃষ্টিভংগী সৃষ্টি কৰিবলৈ একাধিক উৎসৰ পৰা তথ্য লাভ কৰা আৰু উপযুক্ত প্ৰতিকাৰৰ জৰিয়তে শিকণ ব্যৱস্থাক সমৰ্থন কৰা |
| | যোগাযোগ আৰু মতামত | ছাত্ৰ-ছাত্ৰীসকল আৰু অভিভাৱকৰ সৈতে ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতাৰ ডাটা আদান-প্ৰদান কৰা আৰু তেওঁলোকৰ অগ্ৰগতিৰ ওপৰত মতামত আগবঢ়োৱা | ছাত্ৰ-ছাত্ৰীৰ পিতৃ-মাতৃ আৰু অভিভাৱকসকলৰ সৈতে ছাত্ৰ-ছাত্ৰীসকলৰ পাৰদৰ্শিতাৰ ওপৰত বিশেষ মতামত প্ৰদান কৰা | ছাত্ৰ-ছাত্ৰীসকলৰ শিকণৰ ক্ষেত্ৰত পথ প্ৰদৰ্শনৰ বাবে অভিভাৱক আৰু জনসাধাৰণৰ সৈতে সহযোগিতা কৰা |
| শিক্ষাত প্ৰযুক্তিৰ ব্যৱহাৰ আৰু সংযোজন | | শিক্ষাত প্ৰযুক্তিৰ ভূমিকা বুজি উঠা | শিক্ষণ-শিকণ, মূল্যায়ন আৰু শ্ৰেণীকোঠাৰ ব্যৱস্থাপনাৰ সহায়ৰ বাবে ICT সঁজুলি ব্যৱহাৰ কৰা | নিজৰ আৰু সহকৰ্মীসকলৰ শিক্ষণ-শিকণৰ কাৰণে উপযুক্ত প্ৰযুক্তিগত সম্পদৰ সৃষ্টি কৰা |

| মানদণ্ড 2 – জ্ঞান আৰু অনুশীলন | | | | |
|---|---|---|---|---|
| শ্ৰেণীকোঠাত ফলপ্ৰসূ শিক্ষাদান বিষয়ক অনুশীলনৰ বাবে এগৰাকী শিক্ষকে কি জানিব, বুজিব আৰু কৰিবলৈ সমৰ্থ হ'ব বুলি আশা কৰা হয় | | | | |
| ক্ষেত্ৰ | উপক্ষেত্ৰ | প্ৰৱীণ শিক্ষক | উন্নত শিক্ষক | কৌশলী শিক্ষক |
| শ্ৰেণীকোঠাৰ উপাদানসমূহ আৰু গতিশীলতা | সুৰক্ষিত, প্ৰতিপালনমূলক আৰু সহযোগিতামূলক শিকণ পৰিৱেশ | সুৰক্ষিত আৰু সংহত শ্ৰেণীকোঠাৰ সৃষ্টি কৰিবলৈ সম্পদ আৰু সা-সুবিধাসমূহৰ আয়োজন কৰা | ছাত্ৰ-ছাত্ৰীক শংকাহীনভাৱে মতামত প্ৰকাশ কৰিবলৈ উৎসাহিত কৰি তোলাকে ধৰি এক সংহত আৰু সহযোগিতামূলক শিকণ পৰিৱেশ প্ৰতিষ্ঠা কৰা | সুৰক্ষিত আৰু সংহত শ্ৰেণীকোঠাৰ বিকাশত ছাত্ৰ-ছাত্ৰীসকলক জড়িত কৰা |
| | শ্ৰেণীকোঠাৰ ব্যৱস্থাপনা | শ্ৰেণীকোঠা ব্যৱস্থাপনা সম্পৰ্কীয় দৃষ্টিভংগীৰ জ্ঞান আৰু এইবোৰ ব্যৱহাৰ কৰাৰ সক্ষমতা প্ৰদৰ্শন কৰা | ছাত্ৰ-ছাত্ৰীৰ ব্যৱহাৰৰ মাজত থকা বৈচিত্ৰতাক মানি লোৱা আৰু উপলব্ধি কৰা | ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আত্ম-সংযম, ব্যক্তিগত দায়িত্বশীলতা আৰু নেতৃত্ব গুণৰ বিকাশ সাধন কৰা |
| | ফলপ্ৰসূ শ্ৰেণীকোঠাৰ যোগাযোগ | শ্ৰেণীকোঠাত প্ৰয়োগ কৰিব পৰা বিভিন্ন মৌখিক আৰু অনা-মৌখিক যোগাযোগ কৌশল উপলব্ধি কৰাৰ সক্ষমতা আহৰণ কৰা | শিকণক অংশগ্ৰহণমূলক কৰি তোলাৰ বাবে শ্ৰেণীকোঠাৰ আলোচনাত বিভিন্ন মৌখিক আৰু অনা-মৌখিক কৌশলৰ ব্যৱহাৰ আৰু সেইসমূহৰ প্ৰতি সঁহাৰি জনোৱা | শ্ৰেণীকোঠাৰ যোগাযোগ উন্নত কৰিবৰ কাৰণে সহকৰ্মীসকলক সমৰ্থন/পথ-প্ৰদৰ্শন কৰিবৰ বাবে ইতিবাচক মতামত আগবঢ়োৱা |
| | ভাষিক বৈচিত্ৰ আৰু বহুভাষিকতা | ভাষিক বৈচিত্ৰ আৰু প্ৰাসংগিক ভাষা(সমূহ)ত দক্ষতা নিৰ্বিশেষে সকলো শিশুৰ সামগ্ৰিকতা প্ৰদৰ্শন কৰা | শিক্ষণ আৰু শিকণ ব্যৱস্থাক শ্ৰেণীকোঠাত সহজসাধ্য কৰি তোলাৰ বাবে একাধিক ভাষাৰ প্ৰয়োগত সহকৰ্মীসকলক সহায় আগবঢ়োৱা | সহকৰ্মীসকলৰ মাজত শিক্ষণ আৰু শিকণ ব্যৱস্থাক সহজসাধ্য কৰি তুলিবৰ বাবে একাধিক ভাষাৰ ব্যৱহাৰক পৃষ্ঠপোষকতা কৰা |

| মানদণ্ড 3 – পেছাদাৰী বিকাশ আৰু উন্নয়ন | | | |
|---|---|---|---|
| পেছাদাৰী অনুশীলনৰ বিকাশ আৰু উন্নয়নৰ সক্ষমতা | | | |
| ক্ষেত্ৰ | প্ৰৱীণ শিক্ষক | উন্নত শিক্ষক | কৌশলী শিক্ষক |
| শিকণৰ প্ৰয়োজনীয়তাসমূহ | শিকণৰ প্ৰয়োজনীয়তাসমূহ চিনাক্ত কৰা আৰু নিজৰ পেছাদাৰী বিকাশৰ বাবে লক্ষ্য স্থিৰ কৰি লোৱা | অংশীদাৰসকলৰ পৰা আহৰণ কৰা তথ্যৰ ভিত্তিত পেছাদাৰী বিকাশৰ পৰিকল্পনা প্ৰস্তুত কৰা | সহকৰ্মীসকলৰ বাবে পেছাদাৰী বিকাশৰ সুযোগ আগবঢ়োৱা আৰু পৰিকল্পনা কৰা |
| চিন্তা-চৰ্চামূলক অনুশীলন | চিন্তা-চৰ্চামূলক অনুশীলনৰ বিষয়ে বোধগম্যতা প্ৰদৰ্শন কৰা | নিজৰ শিক্ষণ অনুশীলনসমূহৰ সাল-সলনি কৰিবৰ বাবে চিন্তা-চৰ্চামূলক অনুশীলনৰ ব্যৱহাৰ কৰা | চিন্তা-চৰ্চামূলক অনুশীলনসমূহ প্ৰয়োগ কৰাৰ ক্ষেত্ৰত সহকৰ্মীসকলক সহায়/পৰামৰ্শ প্ৰদান কৰা |
| এক শিকণ সম্প্ৰদায়ৰ সৈতে যুক্ত হোৱা আৰু অংশগ্ৰহণ কৰা | বিদ্যালয়ৰ ভিতৰত আৰু বাহিৰত শিকণ অনুশীলনত অংশগ্ৰহণ কৰা | আলোচনা-চক্ৰ, চেমিনাৰ বা ৱেবিনাৰত তেওঁলোকৰ গৱেষণা আৰু শিকণ উপস্থাপন কৰা | বিদ্যালয়ৰ ভিতৰত এখন শিকণ সমাজ গঢ়ি তোলা আৰু পেছাদাৰী বিকাশৰ বাবে আলোচনা-চক্ৰৰ আয়োজন কৰা |

# 5. ৰূপায়ণ

NCTEএ সৃষ্টি কৰা শিক্ষকৰ মানদণ্ডৰ বাবে ৰাষ্ট্ৰীয় কেন্দ্ৰ (NCTQ) হৈছে এক ডিজিটেল প্লেটফৰ্ম যি শিক্ষকসকলৰ ক্ষেত্ৰত সঞ্চয়াগাৰ ৰূপে কাম কৰিব আৰু NPST কাৰ্যকৰী কৰাৰ দায়িত্ব গ্ৰহণ কৰিব। তাৰোপৰি, ই অধিক সংখ্যক সমল ব্যক্তি/প্ৰতিনিধি সংস্থা সৃষ্টিৰ বাবে অংশীদাৰ/ৰূপায়ণ সংস্থাসমূহৰ দক্ষতা বৃদ্ধিৰ বাবে কাৰ্যসূচী গ্ৰহণ কৰিব। NPST তথ্যপুথিৰ ৰূপায়ণ আৰু প্ৰভাৱ মূল্যায়নৰ বাবে সমগ্ৰ দেশতে কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ 75 খন বিদ্যালয় (25 খন কেন্দ্ৰীয় বিদ্যালয় + 25 খন নৱোদয় বিদ্যালয় + 25 খন CBSE বিদ্যালয়)ৰ 1175 জন শিক্ষকক সামৰি এক প্ৰাৰম্ভিক অধ্যয়ন সম্পন্ন কৰা হৈছিল। তলত উল্লেখ কৰা প্ৰাৰম্ভিক অধ্যয়নৰ লক্ষ্যসমূহ প্ৰাপ্ত কৰা হৈছে:

- শিক্ষকৰ কেৰিয়াৰৰ স্তৰ আৰু পাৰদৰ্শিতাৰ পৰ্যায়সমূহ চিনাক্ত কৰা
- শিক্ষকৰ কৌশল/পাৰদৰ্শিতা আৰু শিক্ষণ অনুশীলনৰ ওপৰত NPSTৰ প্ৰাৰম্ভিক প্ৰভাৱ পৰিমাপ কৰা
- NPSTৰ ৰূপায়ণ কৌশলৰ বিষয়ে অংশীদাৰসকলৰ মতামত আহৰণ কৰা

### 5.1 কৰ্ম পৰিকল্পনা

শিক্ষকৰ মানদণ্ড নিৰূপণ কৰাৰ বাবে মানদণ্ডসমূহ স্পষ্টভাৱে সংজ্ঞায়িত কৰি আৰু শিক্ষকসকলৰ বাবে দক্ষতা উন্নত কৰাৰ এক উন্নয়নমূলক পথৰ ইংগিত দি NPSTএ শিক্ষাক সম্পূৰ্ণৰূপে ৰূপান্তৰিত কৰাৰ সম্ভাৱনা বহন কৰিছে। প্ৰাৰম্ভিক অৱস্থাত NPSTক নিয়ন্ত্ৰিত ৰূপত পৰীক্ষা কৰি ইয়াৰ ৰূপায়ণৰ পৰিকল্পনা প্ৰস্তুত কৰা হৈছে। ৰূপায়ণৰ পদ্ধতিৰ অন্তৰ্গত পদক্ষেপসমূহ তলত উল্লেখ কৰা হ'ল:

- লক্ষ্য গোটৰ পঞ্জীয়ন
- প্ৰয়োগৰ মানদণ্ড – শিক্ষকৰ কেৰিয়াৰ স্তৰৰ চিনাক্তকৰণ
- গুণগত মানৰ মূল্যায়ন

NPSTৰ মতে, শিক্ষকসকলে তেওঁলোকৰ শিক্ষণ কেৰিয়াৰৰ সমগ্ৰ সময়ছোৱাতে নিজৰ কৌশল আৰু কৰ্মদক্ষতাৰ বিকাশ সাধন কৰাৰ প্ৰয়োজনীয়তা আছে। শিক্ষকসকলে স্ব-মূল্যায়ন আহিলাৰ লগতে অন্য মূল্যায়ন আহিলাৰ যোগেদি তেওঁলোকৰ সক্ষমতা চিত্ৰায়িত কৰিবলৈ সক্ষম হ'ব। এই আনুষ্ঠানিক মূল্যায়নত শিক্ষকৰ কৰ্মদক্ষতা পৰ্টফলিঅ'ৰ বিকাশো অন্তৰ্ভুক্ত হৈ থাকিব, য'ত শিক্ষণ পাৰদৰ্শিতা, শ্ৰেণীকোঠাত প্ৰদৰ্শন(সমূহ), অংশীদাৰসকলৰ মতামত (360 ডিগ্ৰী) আৰু/বা সহকৰ্মী আৰু পৰামৰ্শ প্ৰদানকাৰী পৰ্যবেক্ষণ প্ৰতিবেদনসমূহ অন্তৰ্ভুক্ত হৈ থাকিব। পাৰদৰ্শিতা সূচকক ধৰি এনে পৰীক্ষা/মূল্যায়নৰ বাবে প্ৰয়োজন হোৱা আহিলা/সামগ্ৰীসমূহ অধ্যায় 6-ত দিয়া পৰামৰ্শমূলক মূল্যায়ন সংৰচনাৰ ভিত্তিত বিকাশ কৰা হ'ব।

NPSTৰ ৰূপায়ণৰ কৰ্ম পৰিকল্পনা তলত দিয়া ধৰণৰ:

a) NPSTৰ নিৰ্দেশনা তথ্যপুথি আৰু ৰূপায়ণৰ বাবে দায়বদ্ধ প্ৰতিষ্ঠান/সংস্থাসমূহৰ সামৰ্থ্য বিকাশৰ শুভাৰম্ভ

b) ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ দ্বাৰা NPSTৰ নিৰ্দেশনা তথ্যপুথি গ্ৰহণ

c) NEP 2020ৰ দফা 5.20ত সন্নিবিষ্ট শিক্ষকৰ পেছাদাৰী বিকাশ, দক্ষতা বৃদ্ধি, প্ৰশিক্ষণ আদিৰ সৈতে NPSTৰ সংলগ্নকৰণ

d) শিক্ষকসকলে পাৰদৰ্শিতা অৰ্জন কৰিবৰৈল সম্পদ/সঁজুলি/স্ব-বিকাশ নিৰ্দেশনা/মূল্যায়ন আহিলাৰ বিকাশ

## 5.2 প্ৰযোজ্যতা

a) NPSTক উপযুক্ত ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চল চৰকাৰে মনোনীত কৰা উপযুক্ত সত্ত্বাই ৰূপায়ণ কৰিব আৰু একেদৰে কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ সংগঠন/সংস্থাসমূহৰ ক্ষেত্ৰতো একেধৰণেই ৰূপায়ণ কৰা হ'ব।

b) উপযুক্ত নিৰ্দিষ্ট সত্ত্বাই (কেন্দ্ৰ/ৰাজ্য) এটা বিশদ প্ৰক্ৰিয়া প্ৰস্তুত কৰিব আৰু শিক্ষকৰ পেছাদাৰী বিকাশ আৰু কেৰিয়াৰ ব্যৱস্থাপনাৰ বাবে NPSTৰ নিৰ্দেশনা তথ্যপুথিৰ ৰূপায়ণ আৰু ইয়াৰ সৈতে একত্ৰীকৰণৰ বাবে নিৰ্দেশনা প্ৰদান কৰিব।

c) NPSTৰ সন্দৰ্ভত NCTEৰ সৈতে সম্পৰ্ক ৰক্ষাৰ বাবে উপযুক্ত চৰকাৰে এজন নডাল বা সম্পৰ্কৰক্ষী বিষয়াৰ নিযুক্তি দিব।

d) NCTEএ নডাল বিষয়াসকলৰ বাবে আলোচনা/কৰ্মশালা অনুষ্ঠিত কৰিব।

e) NPST ৰূপায়ণৰ বাবে দায়িত্ববাহী প্ৰতিটো নিৰ্দিষ্ট সংস্থাই NCTEৰ সৈতে সবিশেষ তথ্য বিনিময় কৰিব।

f) NCTEএ সঁজুলিকে ধৰি বিশেষজ্ঞ আৰু সম্পদৰ তথ্যকোষ আৰু সঞ্চয়াগাৰ চোৱাচিতা কৰিব আৰু উপযুক্ত চৰকাৰ/সংস্থাৰ সৈতে সেইসমূহ বিনিময় কৰিব।

g) NEP 2020ৰ দফা 5.20ত সন্নিবিষ্ট সমগ্ৰ দেশৰে শিক্ষকৰ পেছাদাৰী বিকাশ আৰু কেৰিয়াৰ ব্যৱস্থাপনাৰ সৈতে NPSTক একত্ৰীকৃত কৰা হ'ব।

## 5.3 নিয়মিত ব্যৱধানত পৰ্যালোচনা

পেছাদাৰী মানদণ্ডসমূহৰ কাৰ্যকাৰিতা কঠোৰ অভিজ্ঞতাভিত্তিক বিশ্লেষণৰ আধাৰত নিয়মিত ব্যৱধানত পৰ্যালোচনা আৰু সংশোধন কৰা হ'ব।

# 6. NPST সংৰচনা আধাৰিত মূল্যাংকন আহিলা (পৰামৰ্শমূলক)

**মানদণ্ড 1: মূল প্ৰমূল্য আৰু নৈতিকতাসমূহ**

| ক্ষেত্ৰ 1: ভাৰতৰ সংবিধানত সন্নিৱিষ্ট সাংবিধানিক মূল্যবোধ |
|---|
| **উপক্ষেত্ৰ 1.1 - সাংবিধানিক প্ৰমূল্যৰ উৰ্ধ্বতিৰে যুক্তি, অগ্ৰাধিকাৰ, চিন্তা-চৰ্চা আৰু ব্যাখ্যা কৰাৰ ক্ষমতা** |
| 1.1.1 সকলো ছাত্ৰ-ছাত্ৰী আৰু সহকৰ্মীক সন্মান আৰু ন্যায়পৰায়ণ ব্যৱহাৰ কৰা<br>1.1.2 মানুহে নিজৰ চিন্তা-ভাৱনা আৰু অনুভৱবোৰ বিনাদ্বিধাই বিনিময় কৰিব পৰাকৈ এক নিৰাপদ পৰিৱেশ সৃষ্টি কৰি সকলোৰে মাজত ঐক্য আৰু সম্প্ৰীতিৰ প্ৰসাৰ ঘটোৱা |
| **উপক্ষেত্ৰ 1.2 – তথ্যসমূহ নৈতিক আৰু দায়িত্বশীলভাৱে ব্যৱহাৰ কৰা আৰু শিক্ষাৰ্থীসকলৰ মৰ্যদা সুনিশ্চিত কৰাৰ ক্ষমতা** |
| 1.2.1 ছাত্ৰ-ছাত্ৰীৰ তথ্য সুৰক্ষিত কৰি ৰখা আৰু নিৰ্দিষ্ট উদ্দেশ্যৰ বাহিৰে কৰ্তৃপক্ষই প্ৰয়োজন নোহোৱালৈকে ইয়াক সদৰি নকৰা |
| **উপক্ষেত্ৰ 1.3 - ভাৰতীয় সংবিধানৰ 51 A অনুচ্ছেদত উল্লেখ কৰা মৌলিক কৰ্তব্যসমূহৰ প্ৰতি সজাগতা আৰু সেইসমূহৰ অনুশীলন** |
| 1.3.1. সকলো ছাত্ৰ-ছাত্ৰীৰ মাজত আমাৰ দেশৰ প্ৰতি প্ৰেম আৰু আমাৰ চহকী আৰু বৈচিত্ৰময় ঐতিহ্যৰ প্ৰতি গৌৰৱ সক্ৰিয়ভাৱে জগাই তোলা<br>1.3.2. ছাত্ৰ-ছাত্ৰীক পৰিৱেশ সংৰক্ষণ, বৈজ্ঞানিক দৃষ্টিভংগী গঢ়ি তোলা আৰু ৰাষ্ট্ৰীয় উন্নয়নত অৰিহণা যোগাবলৈ উৎসাহিত কৰা |
| **উপক্ষেত্ৰ 1.4 - সংঘাতপূৰ্ণ আৰু জটিল পৰিবেশৰ মোকাবিলা কৰাৰ ক্ষেত্ৰত ন্যায়িক বাধ্যবাধকতা, নিয়ম, নিৰ্দেশনা, নীতি আৰু নীতিগত যুক্তিসমূহ বুজাৰ সক্ষমতা** |
| 1.4.1. উল্লেখিত নিয়ম (বিদ্যালয়ৰ লগতে ৰাজ্যৰ নিয়ম) সঠিকভাৱে পালন কৰা আৰু সেইবোৰক আওকাণ কৰা বা ভংগ কৰাৰ পৰিণতিৰ বিষয়ে সজাগ কৰা<br>1.4.2. ছাত্ৰ-ছাত্ৰী আৰু সহকৰ্মীসকলক নিয়মসমূহ মানি চলিবলৈ উৎসাহিত আৰু সমৰ্থন কৰা আৰু কোনো সমস্যা সৃষ্টি হোৱাৰ লগে লগে সমাধান কৰাত সহায় কৰা |
| ক্ষেত্ৰ 2: পেছাদাৰী সম্পৰ্কসমূহ |
| **উপক্ষেত্ৰ 2.1 - শিক্ষাৰ্থীসকলৰ বাবে সহ-পাঠ্যক্ৰমৰ সুযোগ আৰম্ভ কৰিবলৈ অন্য পেছাদাৰী আৰু সংস্থাসমূহৰ সৈতে যোগাযোগ স্থাপন কৰা** |
| 2.1.1. ছাত্ৰ-ছাত্ৰীৰ বাবে বৈচিত্ৰময় শিকণৰ সুযোগ সৃষ্টি কৰিবলৈ বিদ্যালয়ৰ সহকৰ্মী আৰু অন্য পেছাদাৰী ব্যক্তিৰ সৈতে সহযোগিতা কৰা<br>2.1.2. ছাত্ৰ-ছাত্ৰীৰ বাবে বাস্তৱসন্মত লক্ষ্য নিৰ্ধাৰণ কৰা আৰু সকলোৱে নিৰাপদ আৰু মূল্যৱান অনুভৱ কৰাকৈ শিকণ সংস্কৃতি গঢ়ি তুলি সেইসমূহত উপনীত হোৱাত সহায় কৰা |
| **উপক্ষেত্ৰ 2.2 - শিশুৰ সামগ্ৰিক বিকাশত পিতৃ-মাতৃ আৰু সমাজৰ ভূমিকা স্বীকাৰ আৰু উপলব্ধি কৰাৰ সক্ষমতা** |
| 2.2.1. ছাত্ৰ-ছাত্ৰীসকলে যাতে ঘৰত আৰু সমাজত শিকিবলৈ সহায় লাভ কৰে, তাৰ বাবে অভিভাৱক আৰু সমাজৰ সৈতে বিশ্বাসী সম্পৰ্ক গঢ়ি তোলা |
| **উপক্ষেত্ৰ 2.3 - সম্পদৰ ভাগ-বতৰা আদিৰ বাবে নিজৰ বিদ্যালয় আৰু অন্য অনুষ্ঠান-প্ৰতিষ্ঠান আৰু সম্প্ৰদায়ৰ মাজত পাৰস্পৰিক সম্পৰ্ক বজাই ৰখাৰ ক্ষমতা** |

| |
|---|
| 2.3.1. ছাত্ৰ-ছাত্ৰীৰ শিকণ অভিজ্ঞতাক সমৃদ্ধ কৰিবলৈ অন্য বিদ্যালয়ৰ শিক্ষক আৰু সমাজৰ সৈতে শক্তিশালী সম্পৰ্ক গঢ়ি তোলা |
| **উপক্ষেত্ৰ 2.4 - বিদ্যালয়ৰ ভিতৰত আৰু বাহিৰত বিভিন্ন অংশীদাৰৰ সৈতে সম্পৰ্ক গঢ়ি তোলা আৰু জটিল আৰু প্ৰত্যাহ্বানমূলক পৰিবেশৰ সম্পৰ্কে আলোচনা কৰাৰ ক্ষমতা** |
| 2.4.1. ধৈৰ্য্য আৰু বিশ্বাসেৰে সম্পৰ্ক পৰিচালনা কৰা আৰু সকলোৱে সাংবিধানিক মূল্যবোধ আৰু মনোভাৱ বজাই ৰখাটো নিশ্চিত কৰা |
| **উপক্ষেত্ৰ 2.5 - সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে সামগ্ৰিক শিক্ষাৰ লক্ষ্যত উপনীত হ'বলৈ প্ৰতিষ্ঠানটোক দক্ষতাৰে আৰু ফলপ্ৰসূভাৱে কাম কৰাৰ ক্ষেত্ৰত সক্ষম কৰিবলৈ লক্ষ্য আৰু কৌশল নিৰ্ধাৰণ কৰাৰ ক্ষমতা আৰু বিদ্যালয়ৰ সকলো সদস্যৰ বাবে অনুকুল কৰ্ম পৰিবেশ আৰু মংগল নিশ্চিত কৰাৰ সক্ষমতা** |
| 2.5.1 ছাত্ৰ-ছাত্ৰীৰ বাবে বাস্তৱসন্মত লক্ষ্য নিৰ্ধাৰণ কৰা আৰু সকলোৱে নিৰাপদ আৰু মূল্যৱান অনুভৱ কৰাকৈ শিকণ সংস্কৃতি গঢ়ি তুলি সেইসমূহত উপনীত হোৱাত সহায় কৰা<br>2.5.2 নিজৰ আৰু সহকৰ্মীসকলৰ বাবে এক উৎপাদনশীল কৰ্ম সংস্কৃতিত অৰিহণা যোগোৱা |

**মানদণ্ড 2: জ্ঞান আৰু অনুশীলন**

| ক্ষেত্ৰ 3: প্ৰতিটো শিশুৰ বিশেষ সক্ষমতাসমূহক স্বীকৃতি দিয়া, চিনাক্ত কৰা আৰু উৎসাহিত কৰা | | |
|---|---|---|
| **প্ৰৱীণ শিক্ষক** | **উন্নত শিক্ষক** | **কৌশলী শিক্ষক** |
| উপক্ষেত্ৰ 3.1 - শিশুৰ বিকাশ আৰু শিকণ | | |
| **বিকাশৰ বিভিন্ন ক্ষেত্ৰ আৰু স্তৰসমূহ সম্বন্ধীয় তত্বৰ বোধগম্যতা (জ্ঞানমূলক, ভাষিক, সামাজিক, আৱেগিক আৰু শাৰীৰিক)** | **ব্যক্তিৰ বাবে বিকাশ আৰু শিকণৰ ধাৰা চিনাক্ত কৰিবলৈ শিশুৰ বিকাশৰ জ্ঞান আৰু বোধগম্যতাৰ প্ৰয়োগ** | **সহকৰ্মীৰ বাবে শিশু বিকাশ তত্বৰ আৰ্হিৰ প্ৰয়োগ** |
| 3.1.1. শিকণ ক্ষমতা আৰু কৃতিত্বৰ ক্ষেত্ৰত শ্ৰেণীকোঠাৰ বৈচিত্ৰপূৰ্ণ প্ৰয়োজনীয়তাক সমৰ্থন কৰা | 3.1.2. ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন শিকণ প্ৰয়োজনীয়তা সম্পৰ্কে থকা জ্ঞান আৰু উপলব্ধি ব্যৱহাৰ কৰা আৰু এই জ্ঞানক পাঠ পৰিকল্পনা আৰু আদান-প্ৰদানত উপযুক্তভাৱে অন্তৰ্ভুক্ত কৰা | 3.1.3. সহকৰ্মীসকলক ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন শিক্ষণ প্ৰয়োজনীয়তা বুজিবলৈ সহায় কৰা আৰু এই জ্ঞানক পাঠ পৰিকল্পনা আদান-প্ৰদানত উপযুক্তভাৱে অন্তৰ্ভুক্ত কৰা |
| উপক্ষেত্ৰ 3.2 - শিকাৰুৰ বৈচিত্ৰ | | |
| **বিভিন্ন ধৰণৰ শিক্ষাৰ্থীৰ বৈচিত্ৰৰ বিষয়ে স্পষ্টকৈ বুজি উঠা (শিকণ শৈলী, শিকণৰ প্ৰয়োজনীয়তা, আৰ্থ-সামাজিক স্থিতি, সংস্কৃতি, ভাষা, পৰিয়াল গাঁথনি ইত্যাদি) আৰু শ্ৰেণীকোঠা আৰু বিদ্যালয়ত এই বৈচিত্ৰক স্বীকৃতি দিয়া** | **শিক্ষাৰ্থীৰ বৈচিত্ৰপূৰ্ণ প্ৰয়োজনীয়তা পূৰণৰ বাবে শিকণ সম্পদৰ জ্ঞানৰ প্ৰয়োগ আৰু এক সমাবেশী শ্ৰেণীকোঠা সৃষ্টি কৰা** | **শ্ৰেণীকোঠাৰ অভিজ্ঞতাৰ ভিত্তিত একো একোজন ছাত্ৰ-ছাত্ৰীৰ বৈচিত্ৰপূৰ্ণ প্ৰয়োজনীয়তাসমূহ উপলব্ধি আৰু নিৰ্ণয় কৰাৰ ক্ষমতা** |

| | | |
|---|---|---|
| 3.2.1. সকলো ছাত্ৰ-ছাত্ৰীক সম-ব্যৱহাৰ কৰা আৰু তেওঁলোকৰ সামাজিক, সাংস্কৃতিক, লিংগ বা ধৰ্মীয় পটভূমি নিৰ্বিশেষে বিদ্যালয় আৰু শ্ৰেণীকোঠাৰ কাৰ্য্যকলাপত অংশগ্ৰহণক উৎসাহিত কৰা | 3.2.2. বিভিন্ন ধৰণৰ সম্পদ উপলব্ধ কৰি তোলা আৰু ছাত্ৰ-ছাত্ৰীসকলক ব্যক্তিগত বাগধাৰাসমূহ ভাগ-বতৰা কৰিবলৈ আৰু সেইবিলাকৰ সৈতে সম্পৰ্ক থকা মতামত প্ৰকাশ কৰিবলৈ উৎসাহিত কৰা | 3.2.3. প্ৰতিগৰাকী শিক্ষাৰ্থীৰ প্ৰয়োজনীয়তা নিৰ্ণয় কৰা আৰু সেই অনুসৰি শিকন-শিক্ষণ কৌশল গ্ৰহণ কৰা |
| **উপক্ষেত্ৰ 3.3 - প্ৰতিভাশালী আৰু দিব্যাংগ শিক্ষাৰ্থীৰ শিকণ প্ৰয়োজনীয়তা** | | |
| **বিশেষভাৱে সক্ষম আৰু তেওঁলোকৰ বিশেষ শিকণ প্ৰয়োজনীয়তাৰ লগতে প্ৰতিভাশালী শিশুৰ প্ৰয়োজনীয়তাৰ বিষয়ে জ্ঞান প্ৰদৰ্শন কৰা আৰু তেওঁলোকৰ শিকণক সমৰ্থন কৰিবলৈ কৌশল প্ৰস্তুত কৰা** | **শ্ৰেণীকোঠাৰ বিভিন্ন ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয়তাসমূহ সম্পন্ন আৰু চিনাক্ত কৰিবলৈ বিশেষ প্ৰয়োজনীয়তাৰ জ্ঞানৰ প্ৰয়োগ কৰা** | **বিশেষজ্ঞৰ হস্তক্ষেপৰ প্ৰয়োজন হোৱা বিশেষ প্ৰয়োজনীয়তাসমূহ চিনাক্ত কৰা আৰু এনে পৰিবেশৰ লগত কেনেদৰে মোকাবিলা কৰিব লাগে সহকৰ্মীসকলক ইয়াৰ তথ্য প্ৰদানৰ সক্ষমতা** |
| 3.3.1. বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰী আৰু মেধাৱী ছাত্ৰ-ছাত্ৰীৰ বাবে সৰল আৰু সংবেদনশীলভাৱে শ্ৰেণীকোঠাৰ পৰিৱেশ আৰু সম্পদসমূহ সংগঠিত কৰা<br><br>3.3.2. শ্ৰেণীকোঠাৰ কাৰ্য যেনে পঢ়া বা গণিতৰ দৰে বিষয়ত অসুবিধা হোৱা ছাত্ৰ-ছাত্ৰীৰ প্ৰতি ধৈৰ্য্যশীল হোৱা আৰু বিবেচনাশীল হোৱা | 3.3.3. গাইগুটীয়া ছাত্ৰৰ প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তি কৰি বিভিন্ন ধৰণৰ উপযুক্ত প্ৰত্যাহ্বানমূলক সম্পদ আৰু নিৰ্দেশনামূলক কৌশল ব্যৱহাৰ কৰা<br><br>3.3.4. ছাত্ৰ-ছাত্ৰীৰ ক্ষমতাৰ ওপৰত ভিত্তি কৰি ছাত্ৰ-ছাত্ৰীক কিছুমান গোটত কৌশলগতভাৱে সংগঠিত কৰি তেওঁলোকক শিকাত সহায় কৰা | 3.3.5. বিশেষভাৱে সক্ষম শিশুৰ বাবে ব্যক্তিগতকৃত শিক্ষা পৰিকল্পনা (আইইপি) প্ৰস্তুত কৰা<br><br>3.3.6. বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰী আৰু মেধাৱী ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয়তাসমূহ শ্ৰেণীকোঠাসমূহত সহজে উপলব্ধ কৰি তোলাৰ বাবে গ্ৰহণ কৰিব পৰা শিক্ষা-নীতিৰ কৌশলসমূহৰ বিষয়ে সহকৰ্মীসকলক পৰামৰ্শ দিয়া |

| ক্ষেত্ৰ 4: বিষয়ৰ জ্ঞান, ধাৰণামূলক বোধগম্যতা আৰু প্ৰয়োগ | | |
|---|---|---|
| **প্ৰৱীণ শিক্ষক** | **উন্নত শিক্ষক** | **কৌশলী শিক্ষক** |
| উপক্ষেত্ৰ 4.1 - বিষয়ৰ জ্ঞান, ধাৰণামূলক বোধগ্যমতা আৰু প্ৰয়োগ | | |
| **জ্ঞান প্ৰচাৰৰ সক্ষমতা, বিষয়বস্তুৰ বোধগম্যতা আৰু প্ৰয়োগ প্ৰদৰ্শন কৰা** | **আন্তঃ আৰু অন্তঃ বিষয়বস্তুৰ সংযোগ প্ৰয়োগ কৰা আৰু স্থানীয় আৰু থলুৱা জ্ঞানক সংযোজিত কৰা** | **বিষয় ক্ষেত্ৰৰ অগ্ৰগতিসমূহৰ বিষয়ে সজাগ হৈ থকা আৰু পাঠক্ৰমৰ আলোচনাত নতুন নতুন ধাৰণাৰ সংযোগ ঘটোৱা** |
| 4.1.1. ধাৰণা শিকোৱাৰ বাবে বিভিন্ন ধৰণৰ কৌশল যেনে কাৰ্য্যকলাপ, কাহিনী, পৰীক্ষা-নিৰীক্ষা আদি ব্যৱহাৰ কৰা<br><br>4.1.2. শ্ৰেণীত ছাত্ৰ-ছাত্ৰীয়ে উত্থাপন কৰা প্ৰশ্নসমূহৰ প্ৰয়োজনীয়তা অনুযায়ী সঠিক আৰু বিশদ উত্তৰ প্ৰদান কৰা | 4.1.3. বৰ্তমান আৰু পূৰ্বৰ পাঠৰ ধাৰণাসমূহৰ মাজত সংযোগ স্থাপন কৰা<br><br>4.1.4. প্ৰয়োজন সাপেক্ষে বিদ্যালয়ৰ অন্য বিষয় আৰু স্থানীয়/থলুৱা জ্ঞানৰ সৈতে সংযোগ স্থাপন কৰা | 4.1.5. বিষয়টোৰ পাঠ্যক্ৰমৰ প্ৰত্যাশা পূৰণ কৰিবলৈ নতুন শিক্ষা-নীতিৰ কৌশল উদ্ভাৱন কৰা<br><br>4.1.6. নিয়মিতভাৱে নিজৰ বা আন বিষয়ৰ লগত জড়িত গৱেষণামূলক প্ৰবন্ধ, আলোচনী, সাময়িক পত্ৰিকা আদিৰ বিষয়ে উল্লেখ কৰা |

| ক্ষেত্ৰ 5: পাঠ্যক্ৰম | | |
|---|---|---|
| **প্ৰৱীণ শিক্ষক** | **উন্নত শিক্ষক** | **কৌশলী শিক্ষক** |
| উপক্ষেত্ৰ 5.1 - পাঠ্যক্ৰম সংৰচনা | | |
| **বিষয়/শাখাৰ পাঠ্যক্ৰম আৰু পাঠ্যক্ৰম সংৰচনাৰ লক্ষ্যৰ বিষয়ে এক স্পষ্ট বুজাবুজিৰ বিকাশ কৰা** | **আন্তঃ আৰু অন্তঃ বিষয়বস্তু পাঠ্যক্ৰমৰ মাজত সংযোগ বুজিবলৈ আৰু বিকাশ সাধন কৰিবলৈ সহকৰ্মীৰ সৈতে সহযোগিতা গঢ়ি তোলা** | **আধুনিক বিকাশ আৰু নতুন জ্ঞানক সংযোজন কৰিবলৈ পাঠক্ৰমৰ আলোচনাত সালসলনি ঘটোৱা** |
| 5.1.1. পাঠ্যক্ৰমটোৰ প্ৰত্যাশা আৰু বিষয়টোৰ শিক্ষণ লক্ষ্য মনত ৰাখি পাঠদান কৰা | 5.1.2. বিষয়টোৰ পাঠ্যক্ৰম আৰু অন্য বিষয়ৰ মাজত স্পষ্ট সংযোগ স্থাপন কৰি পাঠদান কৰা যাতে ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক শিকণ সম্ভৱ হৈ উঠে | 5.1.3. পৰিকল্পনা আৰু আদান-প্ৰদানৰ বাবে শেহতীয়া ধাৰণাসমূহ গ্ৰহণ কৰা<br><br>5.1.4. কৰ্মশালা, অধ্যয়ন বা অন্য উৎসৰ পৰা আহৰণ কৰা শিকণসমূহক পৰিকল্পনা আৰু পাঠৰ আদান-প্ৰদানত প্ৰয়োগ কৰা |

| ক্ষেত্ৰ 6: শিক্ষাৰ্থীৰ শিকণৰ কাৰণে বিষয়বস্তুৰ বিকাশ | | |
|---|---|---|
| **প্ৰৱীণ শিক্ষক** | **উন্নত শিক্ষক** | **কৌশলী শিক্ষক** |
| উপক্ষেত্ৰ 6.1 - নিৰ্দেশমূলক/শিক্ষাদান বিষয়ক কৌশল আৰু শিকণ বৰ্গীকৰণ | | |
| **উমৈহতীয়া নিৰ্দেশমূলক কৌশলসমূহ, শিক্ষণত শিকণ বৰ্গীকৰণৰ ব্যৱহাৰ আৰু উমৈহতীয়া শিক্ষাদান বিষয়ক পদ্ধতি আৰু সম্পদসমূহৰ বিষয়ে বুজি উঠা** | **নিজৰ বিষয়/শিক্ষণ ক্ষেত্ৰত শিক্ষাদান বিষয়ক কৌশল আৰু শিকণ বৰ্গীকৰণ ব্যৱহাৰ কৰি উন্নয়নমূলকভাবে উপযুক্ত শিকণ লক্ষ্য/ফলাফলৰ বিকাশ সাধন কৰা** | **শিক্ষণ তত্ব নিৰ্বাচন, নিৰ্দেশমূলক/শিক্ষাদান বিষয়ক কৌশল আৰু আকৰ্ষণীয় পাঠ পৰিকল্পনা সৃষ্টিৰ বাবে শিকণ বৰ্গীকৰণৰ ব্যৱহাৰত সহকৰ্মীসকলক পৰামৰ্শ প্ৰদান** |
| 6.1.1. ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মুকলি আলোচনাৰ সুবিধা প্ৰদান কৰা যি তেওঁলোকক বিষয়বস্তু বুজিবলৈ সহায় কৰে | 6.1.2. ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন বিষয়ত তেওঁলোকৰ নিজা দৃষ্টিভংগীক প্ৰশ্ন কৰিবলৈ, আলোচনা কৰিবলৈ আৰু বিতৰ্ক কৰিবলৈ উৎসাহিত কৰা | 6.1.3. সহকৰ্মীৰ মাজত শিকণৰ সুবিধা সৃষ্টিৰ বাবে একাধিক গাঁথনিগত আৰু গাঁথনিহীন পাৰস্পৰিক ক্ৰিয়াৰ ব্যৱহাৰত ভাৰসাম্য নিশ্চিত কৰাৰ ক্ষেত্ৰত সমনীয়াক পৰামৰ্শ প্ৰদান কৰা |
| উপক্ষেত্ৰ 6.2 - পৃথকীকৃত নিৰ্দেশনা/শিকণ | | |
| **পৃথকীকৃত নিৰ্দেশনা/ শিক্ষণ কৌশলসমূহ আৰু শিকণ প্ৰক্ৰিয়াত ছাত্ৰ-ছাত্ৰীসকলৰ অংশগ্ৰহণ বৃদ্ধি কৰাত এইবোৰৰ ভূমিকা সম্পৰ্কে স্পষ্ট বোধগম্যতা আৰু ধাৰণা প্ৰদৰ্শন কৰা** | **শিকণ প্ৰক্ৰিয়াত ছাত্ৰ-ছাত্ৰীক জড়িত কৰিবলৈ পৃথকীকৃত নিৰ্দেশনা প্ৰয়োগ কৰা** | **উন্নয়নমূলকভাবে উপযুক্ত পৃথকীকৃত ক্ৰিয়াকলাপ সৃষ্টি আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰবৃত্তি বৃদ্ধিৰ কৌশল সৃষ্টিৰ কাৰণে সহকৰ্মীসকলক পৰামৰ্শ প্ৰদান কৰা** |
| 6.2.1. পাঠ্যক্ৰমৰ লক্ষ্য পূৰণ কৰিবলৈ শিক্ষণ-শিকণ পদ্ধতি আৰু কৌশলৰ সংমিশ্ৰণ ব্যৱহাৰ কৰা | 6.2.3. শিক্ষাৰ্থীক উপযুক্তভাৱে প্ৰত্যাহ্বান জনাব পৰাকৈ গোটৰ ভিতৰত ভিন্ন শিকণ প্ৰয়োজনীয়তা থকা শিক্ষাৰ্থীৰ বাবে বিভিন্ন প্ৰশ্ন /কাৰ্য্যকলাপ নিৰ্ধাৰণ কৰা | 6.2.5. ছাত্ৰ-ছাত্ৰীসকলে নিজা দৃষ্টিভংগী প্ৰকাশ কৰাৰ বাবে পৰ্যাপ্ত সুবিধা প্ৰদান কৰি নিয়মিতভাৱে পৃথক নিৰ্দেশনামূলক কৌশল ব্যৱহাৰ কৰা |
| 6.2.2. সকলো শিক্ষাৰ্থীক চিন্তাশীল আৰু সুবিবেচিত সঁহাৰি প্ৰদান কৰা | 6.2.4. ভিন্ন শিক্ষণ প্ৰয়োজনীয়তা থকা শিক্ষাৰ্থীৰ গোটৰ বাবে ভিন্ন প্ৰশ্ন/কাৰ্য্যকলাপ নিৰ্ধাৰণ কৰা, যাতে শিক্ষাৰ্থীসকলক উপযুক্তভাৱে প্ৰত্যাহ্বান জনাব পৰা যায় | 6.2.6. ছাত্ৰ-ছাত্ৰীসকলে নিজা দৃষ্টিভংগী প্ৰকাশ কৰাৰ বাবে পৰ্যাপ্ত সুবিধা প্ৰদান কৰি নিয়মিতভাৱে পৃথক নিৰ্দেশনামূলক কৌশল ব্যৱহাৰ কৰা |

| উপক্ষেত্ৰ 6.3 – জীৱন-বিষয়ক দক্ষতা যেনে সমালোচনাত্মক চিন্তাধাৰা, সৃষ্টিশীল চিন্তধাৰা আৰু উচ্চ-স্তৰৰ চিন্তাৰ কৌশল বিকাশৰ কাৰণে আহিলা আৰু কৌশল | | |
|---|---|---|
| **সমালোচনাত্মক আৰু সৃষ্টিশীল চিন্তাধাৰা আৰু/বা আন উচ্চ স্তৰৰ চিন্তাৰ কৌশল বিকাশৰ উমৈহতীয়া শিক্ষাদান বিষয়ক কৌশলসমূহৰ বিষয়ে এক গভীৰ বোধগম্যতা প্ৰদৰ্শন কৰা** | **এনে কৌশলৰ বিকাশৰ বাবে উপযুক্ত শিক্ষাদান বিষয়ক কৌশলসমূহৰ ব্যৱহাৰ কৰা** | **এই ক্ষেত্ৰত জ্ঞানৰ সাম্প্ৰতিক অগ্ৰগতিৰ ওপৰত ভিত্তি কৰি নতুন শিক্ষাদান বিষয়ক কৌশলসমূহ সৃষ্টি কৰা** |
| 6.3.1. শ্ৰেণীকোঠাত এনে কাৰ্য্যকলাপ ব্যৱহাৰ কৰা যি ধাৰণাসমূহক শিশুৰ দৈনন্দিন জীৱনৰ সমস্যাসমূহত প্ৰয়োগ কৰাত সহায় কৰে<br><br>6.3.2. শ্ৰেণীকোঠাৰ কিছুমান কাৰ্য্যকলাপ (যেনে, ধ্যান, আলোচনাৰ বাবে সময় আদি) অন্তৰ্ভুক্ত কৰা যি সামাজিক-আৱেগিক প্ৰয়োজনীয়তা পূৰণ কৰে | 6.3.3. শ্ৰেণীকোঠাৰ পাঠদানৰ অংশ হিচাপে শিশুসকলক নিয়মিতভাৱে বিশ্লেষণ আৰু অনুসন্ধানৰ সুযোগ প্ৰদান কৰা<br><br>6.3.4. সামাজিক-আৱেগিক দক্ষতা বিকাশ যেনে সামাজিক পাৰস্পৰিক ক্ৰিয়া-কলাপ, যোগাযোগ আৰু সহযোগিতাক দৈনন্দিন শ্ৰেণীকোঠাৰ কাৰ্য্যকলাপত সক্ৰিয়ভাৱে সংলগ্ন কৰা | 6.3.5. নিৰ্দিষ্ট বিষয় বা সকলো বিষয়ৰ ক্ষেত্ৰত সমালোচনাত্মক চিন্তা, অন্বেষণ, প্ৰশ্ন, চিন্তা-চৰ্চা আদিৰ সুবিধা প্ৰদানৰ বাবে শিক্ষাদান বিষয়ক পদ্ধতি সৃষ্টি কৰা<br><br>6.3.6. প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ সামাজিক-আৱেগিক প্ৰয়োজনীয়তাসমূহ নিয়মিতভাৱে মূল্যায়ন আৰু নিষ্পত্তি কৰা |
| **ক্ষেত্ৰ 7: শিকণ পৰিকল্পনা** | | |
| **প্ৰৱীণ শিক্ষক** | **উন্নত শিক্ষক** | **কৌশলী শিক্ষক** |
| উপক্ষেত্ৰ 7.1 - শিকণৰ লক্ষ্য আৰু উদ্দেশ্য | | |
| **পৰিমেয় আৰু অৰ্জন কৰিব পৰা শিকণ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে বোধগম্যতা** | **পাঠ্যক্ৰম সংৰচনাৰ সৈতে সাদৃশ্য থকা বিষয়ৰ কাৰণে পৰিমেয় আৰু অৰ্জনযোগ্য লক্ষ্য আৰু উদ্দেশ্যৰ সৃষ্টি কৰা** | **উচ্চ প্ৰত্যাশা আৰু প্ৰত্যাহ্বানমূলক কিন্তু অৰ্জনযোগ্য লক্ষ্যৰ বিকাশ, ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন প্ৰয়োজনীয়তাসমূহত উপনীত হোৱা আৰু তেওঁলোকৰ সামগ্ৰিক বিকাশৰ চিন্তা কৰি সক্ষমতা নিৰ্ধাৰণ কৰা** |
| 7.1.1. ব্যাপক লক্ষ্যসমূহ মনত ৰাখি আৰু কাৰ্য্যকলাপ আৰু মূল্যায়নসমূহক শিক্ষণ ফলাফলৰ সৈতে উপযুক্তভাৱে সংযোগ কৰি পাঠ পৰিকল্পনা প্ৰস্তুত কৰা | 7.1.2. বিষয়টোৰ লক্ষ্য আৰু উদ্দেশ্যত উপনীত হ'বলৈ শিক্ষণ ফলাফল প্ৰণয়ন কৰা | 7.1.3. স্থানীয় প্ৰসংগ আৰু শিক্ষাৰ্থীসকলৰ প্ৰয়োজনীয়তা অনুসৰি পাঠ আৰু কৌশলসমূহ নিৰ্ধাৰণ কৰা, প্ৰয়োজন সাপেক্ষে নিৰ্দিষ্ট শিক্ষণ ফলাফলসমূহৰ সৈতে মোকাবিলা কৰা |

| উপক্ষেত্ৰ 7.2 - শিকণ অভিজ্ঞতাৰ পৰিকল্পনা | | |
|---|---|---|
| **বিশেষ শিকণ উদ্দেশ্যৰ বাবে এক শিকণ পৰিকল্পনা বিকাশ কৰাৰ সক্ষমতা** | **একো একোজন শিকাৰুৰ প্ৰয়োজনীয়তাক অন্তৰ্ভুক্ত কৰি পৃথকীকৃত শিকণ পৰিকল্পনাসমূহ সৃষ্টি কৰা** | **পাঠ্যক্ৰমৰ ওপৰত ভিত্তি কৰি পৰস্পৰ-সংলগ্ন শিকণ পৰিকল্পনাৰ এক সমষ্টি সৃষ্টি কৰাৰ সক্ষমতা** |
| 7.2.3. বিষয়বস্তু, ফলাফল, কাৰ্য্যকলাপ, আৰু মূল্যায়ন কৌশলৰ সৈতে বিশদ পাঠ পৰিকল্পনা প্ৰস্তুত কৰা | 7.2.4. অতিৰিক্ত সহায়ৰ প্ৰয়োজন হোৱা শিক্ষাৰ্থীসকলৰ বাবে (যেনে, পঢ়োতে অসুবিধাৰ সন্মুখীন হোৱা ছাত্ৰ-ছাত্ৰীৰ বাবে সৰলীকৃত পঠন সামগ্ৰী) নিৰ্দিষ্ট কাৰ্য্যকলাপ আৰু সম্পদৰ পৰিকল্পনা কৰা | 7.2.5. শিশুৱে বিষয়টো শিকাৰ ধৰণৰ লগতে পূৰ্বৰ শ্ৰেণীত শিক্ষণৰ ওপৰত ভিত্তি কৰি ধাৰণা আৰু অধ্যায়সমূহ ক্ৰমাগতভাৱে সজাই-পৰাই লৈ পাঠ্যক্ৰমৰ পৰিকল্পনা তৈয়াৰ কৰা |
| **ক্ষেত্ৰ 8: শিকণৰ, শিকণৰ কাৰণে আৰু শিকণ হিচাপে মূল্যায়ন** | | |
| **প্ৰৱীণ শিক্ষক** | **উন্নত শিক্ষক** | **কৌশলী শিক্ষক** |
| উপক্ষেত্ৰ 8.1 - মূল্যায়ন কৌশলসমূহ | | |
| **বিভিন্ন প্ৰকাৰৰ মূল্যায়ন কৌশল আৰু আহিলাৰ বোধগম্যতা** | **ছাত্ৰ-ছাত্ৰীসকলৰ শিকণ কৌশলৰ ওপৰত নিৰ্ভৰ কৰি উপযুক্ত মূল্যায়ন কৌশল নিৰ্বাচন কৰা** | **প্ৰতিষ্ঠানিক, ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত ব্যৱহৃত মূল্যায়ন নীতিসমূহৰ জ্ঞান প্ৰদৰ্শন কৰা** |
| 8.1.1. ছাত্ৰ-ছাত্ৰীৰ মূল্যায়নৰ বাবে শ্ৰেণীকোঠাৰ পৰ্যবেক্ষণ, প্ৰশ্ন কৰা, বহীত লিখা কাম (অধ্যায়ৰ শেষৰ প্ৰশ্ন) আদি কৌশল ব্যৱহাৰ কৰা<br><br>8.1.2. শিক্ষন-শিকণ প্ৰক্ৰিয়াৰ সময়ত ছাত্ৰ-ছাত্ৰীক মুকলি প্ৰশ্ন কৰা | 8.1.3. ছাত্ৰ-ছাত্ৰীৰ শিক্ষণ প্ৰয়োজনীয়তা অনুসৰি নিয়মিতভাৱে একাধিক পদ্ধতি যেনে প্ৰকল্প, উপস্থাপন, পৰ্টফলিঅ', পৰীক্ষা, কুইজ, জৰীপ, কেছ ষ্টাডি, ব্যৱহাৰ কৰা<br><br>8.1.4. কোনো বিষয়ৰ বিষয়ে তেওঁলোকে কি জানে আৰু কি বুজি পাইছে সেই বিষয়ে জানিবলৈ ছাত্ৰ-ছাত্ৰীৰ সৈতে কথা-বতৰা আৰম্ভ কৰা | 8.1.5. প্ৰাসংগিক নীতিগত নথিপত্ৰত পৰামৰ্শ দিয়াৰ দৰে শ্ৰেণীকোঠাত মূল্যায়নৰ উত্তম পদ্ধতিসমূহ ৰূপায়ণ কৰা<br><br>8.1.6. শ্ৰেণীকোঠাত শিক্ষণৰ বাবে আৰু শিক্ষণ হিচাপে মূল্যায়নক সক্ৰিয়ভাৱে একত্ৰিত কৰা |

| উপক্ষেত্ৰ 8.2 - মূল্যায়ন তথ্য | | |
|---|---|---|
| **মূল্যায়ন তথ্যৰ পৰা ছাত্ৰ-ছাত্ৰীসকলৰ অন্তৰ্দৃষ্টি অনুমান কৰা** | **শিকণ পৰিকল্পনা সৃষ্টি আৰু লক্ষ্য স্থিৰ কৰাৰ বাবে মূল্যায়ন তথ্য ব্যৱহাৰ কৰা** | **শিক্ষাৰ্থী/শ্ৰেণীৰ পাৰদৰ্শিতাৰ এক সংহত দৃষ্টিভংগী সৃষ্টি কৰিবলৈ একাধিক উৎসৰ পৰা তথ্য লাভ কৰা আৰু উপযুক্ত প্ৰতিকাৰৰ জৰিয়তে শিকণ ব্যৱস্থাক সমৰ্থন কৰা** |
| 8.2.1. শ্ৰেণীকোঠাৰ পাঠদানৰ ক্ষেত্ৰত উদ্ভৱ হোৱা সাধাৰণ সমস্যা বিকল্প ধাৰণাসমূহ চিনাক্ত আৰু সমাধান কৰিবলৈ মূল্যায়ন তথ্য ব্যৱহাৰ কৰা | 8.2.2. ছাত্ৰ-ছাত্ৰীৰ নিৰ্দিষ্ট শিক্ষণ প্ৰয়োজনীয়তাৰ লগত খাপ খুৱাই পাঠ পৰিকল্পনা কৰা আৰু পাঠদান পদ্ধতি পৰ্যাপ্তভাৱে পৰিৱৰ্তন কৰিবলৈ মূল্যায়ন তথ্য ব্যৱহাৰ কৰা | 8.2.3. নিৰ্দেশনা আৰু পৰিকল্পনাত উন্নতিৰ বাবে ক্ষেত্ৰসমূহ চিনাক্ত কৰিবলৈ একাধিক মূল্যায়ন ব্যৱহাৰ কৰি সংগ্ৰহ কৰা ছাত্ৰ-ছাত্ৰীৰ শিকণ তথ্য সংশ্লেষণ কৰা<br>8.2.4 নিৰ্দেশনা আৰু পৰিকল্পনাত উন্নতিৰ ক্ষেত্ৰসমূহ চিনাক্ত কৰা, আৰু নিৰ্দিষ্ট হস্তক্ষেপৰ পৰিকল্পনা কৰা |
| **উপক্ষেত্ৰ 8.3 - যোগাযোগ আৰু মতামত** | | |
| **ছাত্ৰ-ছাত্ৰীসকল আৰু অভিভাৱকৰ সৈতে ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতাৰ তথ্য আদান-প্ৰদান কৰা আৰু তেওঁলোকৰ অগ্ৰগতিৰ ওপৰত মতামত আগবঢ়োৱা** | **ছাত্ৰ-ছাত্ৰীৰ পিতৃ-মাতৃ আৰু অভিভাৱকসকলৰ সৈতে ছাত্ৰ-ছাত্ৰীসকলৰ পাৰদৰ্শিতাৰ ওপৰত বিশেষ মতামত প্ৰদান কৰা** | **ছাত্ৰ-ছাত্ৰীসকলৰ শিকণৰ ক্ষেত্ৰত পথ প্ৰদৰ্শনৰ বাবে অভিভাৱক আৰু জনসাধাৰণৰ সৈতে সহযোগিতা কৰা** |
| 8.3.1. ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ কাম পৰীক্ষা কৰাৰ সময়ত বা তেওঁলোকৰ উত্তৰৰ ওপৰত মতামত দিয়াৰ সময়ত নিৰ্দিষ্ট গুণগত মতামত প্ৰদান কৰা<br>8.3.2. বিদ্যালয়ে আয়োজন কৰা PTA সভাত শিশুৱে লাভ কৰা নম্বৰ আৰু শ্ৰেণীত অংশগ্ৰহণৰ ক্ষেত্ৰত মূলতঃ অভিভাৱক আৰু যত্ন-লওঁতাৰ সৈতে শিশুৰ পাৰদৰ্শিতাৰ বিষয়ে আলোচনা কৰা | 8.3.3. উন্নতিৰ বাবে নিৰ্দিষ্ট পৰামৰ্শসহ শিক্ষাৰ্থীৰ প্ৰদৰ্শনৰ ওপৰত ভিত্তি কৰি গাইগুটীয়া শিক্ষাৰ্থীক নিয়মীয়াকৈ বিশদ মতামত প্ৰদান কৰা<br>8.3.4. ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতাৰ বিষয়ে পিতৃ-মাতৃ/ অভিভাৱকৰ সৈতে নিৰ্দিষ্ট আৰু বিশদ মতামত বিনিময় কৰা | 8.3.5. স্ব আৰু সহপাঠীৰ মূল্যায়ন গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ পাৰদৰ্শিতাৰ বিষয়ে চিন্তা কৰিবলৈ সক্ৰিয়ভাৱে উৎসাহিত কৰা<br>8.3.6. ঘৰত সন্তানৰ শিক্ষাৰ ক্ষেত্ৰত কিদৰে সহায় কৰিব পাৰি সেই বিষয়ে পিতৃ-মাতৃ/ অভিভাৱকসকলক নিৰ্দিষ্ট আৰু সুচিন্তিত নিৰ্দেশনা প্ৰদান কৰা |

| ক্ষেত্ৰ 9: শিক্ষাত প্ৰযুক্তিৰ ব্যৱহাৰ আৰু সংযোজন | | |
|---|---|---|
| **প্ৰৱীণ শিক্ষক** | **উন্নত শিক্ষক** | **কৌশলী শিক্ষক** |
| **শিক্ষাত প্ৰযুক্তিৰ ভূমিকা বুজি উঠা** | **শিক্ষণ-শিকণ, মূল্যায়ন আৰু শ্ৰেণীকোঠাৰ ব্যৱস্থাপনাৰ সহায়ৰ বাবে ICT সঁজুলি ব্যৱহাৰ কৰা** | **নিজৰ আৰু সহকৰ্মীসকলৰ শিক্ষণ-শিকণৰ কাৰণে উপযুক্ত প্ৰযুক্তিগত সম্পদৰ সৃষ্টি কৰা** |
| 9.1 ছাত্ৰ-ছাত্ৰীৰ মূল্যায়নৰ বাবে শ্ৰেণীকোঠাৰ পৰ্যবেক্ষণ, প্ৰশ্ন কৰা, বহীত লিখা কাম (অধ্যায়ৰ শেষৰ প্ৰশ্ন) আদি কৌশল ব্যৱহাৰ কৰা | 9.2 পাঠদান প্ৰক্ৰিয়াৰ লগতে মূল্যায়ন পদ্ধতিকো সৃষ্টিশীলভাবে পৰিবৰ্তন কৰিবলৈ বৰ্তমানৰ ICT সম্পদসমূহক ব্যৱহাৰ কৰা | 9.3 নিজৰ লগতে সহকৰ্মীৰ শিকণ ক্ৰিয়াকলাপত সহায় কৰাৰ বাবে নিজা ICT সম্পদ সৃষ্টি কৰা |

| ক্ষেত্ৰ 10: শ্ৰেণীকোঠাৰ উপাদানসমূহ আৰু গতিশীলতা | | |
|---|---|---|
| **প্ৰৱীণ শিক্ষক** | **উন্নত শিক্ষক** | **কৌশলী শিক্ষক** |
| উপক্ষেত্ৰ – 10.1 - সুৰক্ষিত, প্ৰতিপালনমূলক আৰু সহযোগিতামূলক শিকণ পৰিবেশ | | |
| **সুৰক্ষিত আৰু সংহত শ্ৰেণীকোঠাৰ সৃষ্টি কৰিবলৈ সম্পদ আৰু সা-সুবিধাসমূহৰ আয়োজন কৰা** | **ছাত্ৰ-ছাত্ৰীক শংকাহীনভাৱে মতামত প্ৰকাশ কৰিবলৈ উৎসাহিত কৰি তোলাকে ধৰি এক সংহত আৰু সহযোগিতামূলক শিকণ পৰিবেশ প্ৰতিষ্ঠা কৰা** | **সুৰক্ষিত আৰু সংহত শ্ৰেণীকোঠাৰ বিকাশত ছাত্ৰ-ছাত্ৰীসকলক জড়িত কৰা** |
| 10.1.1 শ্ৰেণীকোঠাৰ কাৰ্যকলাপৰ বাবে ৰুটিন আৰু পদ্ধতি নিৰ্ধাৰণ কৰা | 10.1.3 ছাত্ৰ-ছাত্ৰীৰ পৰামৰ্শসমূহ বিবেচনা কৰি সাল-সলনি কৰিব পৰা ৰুটিন নিৰ্ধাৰণ কৰা | 10.1.5 ছাত্ৰ-ছাত্ৰীসকলক যুক্ত কৰি ৰুটিনসমূহ সহ-বিকশিত কৰা |
| 10.1.2 ছাত্ৰ-ছাত্ৰীৰ মাজত আলোচনা আৰু যোগাযোগক উৎসাহিত কৰিব পৰাকৈ শ্ৰেণীকোঠাত মানসিক চাপমুক্ত পৰিবেশ নিশ্চিত কৰা | 10.1.4 ছাত্ৰ-ছাত্ৰীক মুকলিকৈ মতামত বিনিময় আৰু দৈনন্দিন বিষয়সমূহৰ (যেনে, উদ্বেগৰ অনুভূতি, গুণ্ডাগিৰি, বিশ্বাস স্থাপন) বিষয়ে আলোচনা কৰিবলৈ উৎসাহিত কৰা | 10.1.6 শ্ৰেণীকোঠাৰ বাবে এনে কিছুমান নীতি-নিয়মৰ সৃষ্টিত অংশগ্ৰহণ কৰা যিবোৰে নিৰাপদ, সংহত আৰু সুবিধাজনক শ্ৰেণীকোঠাৰ মনোভাৱক প্ৰতিফলিত কৰে |
| উপক্ষেত্ৰ – 10.2 - শ্ৰেণীকোঠাৰ ব্যৱস্থাপনা | | |
| **শ্ৰেণীকোঠা ব্যৱস্থাপনা সম্পৰ্কীয় দৃষ্টিভংগীৰ জ্ঞান আৰু এইবোৰ ব্যৱহাৰ কৰাৰ সক্ষমতা প্ৰদৰ্শন কৰা** | **ছাত্ৰ-ছাত্ৰীৰ ব্যৱহাৰৰ মাজত থকা বৈচিত্ৰতাক মানি লোৱা আৰু উপলব্ধি কৰা** | **ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আত্ম-সংযম, ব্যক্তিগত দায়িত্বশীলতা আৰু নেতৃত্ব গুণৰ বিকাশ সাধন কৰা** |
| 10.2.1 শ্ৰেণীকোঠাত নিজা নিয়ম আৰু নীতি নিৰ্ধাৰণ কৰা আৰু প্ৰাসংগিক সময়ত ছাত্ৰ-ছাত্ৰীৰ আচৰণ পৰীক্ষা আৰু সংশোধন কৰা | 10.2.2 ছাত্ৰ-ছাত্ৰীৰ আচৰণক পৰিস্থিতৰ সৈতে যুক্ত কৰি উপযুক্তভাৱে সঁহাৰি দিয়া | 10.2.3 প্ৰত্যাশাসমূহ ছাত্ৰ-ছাত্ৰীৰ সৈতে গণতান্ত্ৰিকভাৱে সহ-বিকশিত কৰা আৰু তেওঁলোকক এই প্ৰত্যাশাসমূহৰ বিষয়ে যুক্তি দিবলৈ উৎসাহিত কৰা |

| উপক্ষেত্ৰ – 10.3 - ফলপ্ৰসূ শ্ৰেণীকোঠাৰ যোগাযোগ | | |
|---|---|---|
| **শ্ৰেণীকোঠাত প্ৰয়োগ কৰিব পৰা বিভিন্ন মৌখিক আৰু অনা-মৌখিক যোগাযোগ কৌশল আহৰণ আৰু উপলব্ধি কৰাৰ সক্ষমতা আহৰণ কৰা** | **শিকণক অংশগ্ৰহণমূলক কৰি তোলাৰ বাবে শ্ৰেণীকোঠাৰ আলোচনাত বিভিন্ন মৌখিক আৰু অনা-মৌখিক কৌশলৰ ব্যৱহাৰ আৰু সেইসমূহৰ প্ৰতি সঁহাৰি জনোৱা** | **শ্ৰেণীকোঠাৰ যোগাযোগ উন্নত কৰিবৰ কাৰণে সহকৰ্মীসকলক সমৰ্থন/পথ-প্ৰদৰ্শন কৰিবৰ বাবে ইতিবাচক মতামত আগবঢ়োৱা** |
| 10.3.1 উপযুক্ত মৌখিক আৰু অনা-মৌখিক যোগাযোগৰ কৌশল যেনে চকুলৈ চোৱা, অংগী-ভংগী, ইংগিত আদি প্ৰদৰ্শন কৰা | 10.3.2 ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণক উৎসাহিত কৰিবলৈ বিভিন্ন উপযুক্ত মৌখিক আৰু অনা-মৌখিক যোগাযোগৰ কৌশল ব্যৱহাৰ কৰা<br>10.3.3 প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ অনা-মৌখিক যোগাযোগক ব্যাখ্যা কৰা আৰু শিকণৰ সময়ত নিজৰ যোগাযোগ কৌশলত উপযুক্ত সালসলনি ঘটোৱা | 10.3.4 শ্ৰেণীকোঠাৰ ফলপ্ৰসূ যোগাযোগ কৌশল ৰূপায়ণৰ ক্ষেত্ৰত সহকৰ্মীসকলক পৰামৰ্শ প্ৰদান কৰা |
| **উপক্ষেত্ৰ – 10.4 - ভাষিক বৈচিত্ৰ আৰু বহুভাষিকতা** | | |
| **ভাষিক বৈচিত্ৰ আৰু প্ৰাসংগিক ভাষা(সমূহ)ত দক্ষতা নিৰ্বিশেষে সকলো শিশুৰ সামগ্ৰিকতা প্ৰদৰ্শন কৰা** | **শিক্ষণ আৰু শিকণ ব্যৱস্থাক শ্ৰেণীকোঠাত সহজসাধ্য কৰি তোলাৰ বাবে একাধিক ভাষাৰ প্ৰয়োগত সহকৰ্মীসকলক সহায় আগবঢ়োৱা** | **সহকৰ্মীসকলৰ মাজত শিক্ষণ আৰু শিকণ ব্যৱস্থাক সহজসাধ্য কৰি তুলিবৰ বাবে একাধিক ভাষাৰ ব্যৱহাৰক পৃষ্ঠপোষকতা কৰা** |
| 10.4.1 শ্ৰেণীকোঠাৰ আদান-প্ৰদানৰ সময়ত প্ৰয়োজন অনুসৰি শিক্ষাদানৰ মাধ্যম আৰু স্থানীয় ভাষাৰ মাজত সাল-সলনি কৰা | 10.4.2 ভাষিকভাবে বৈচিত্ৰময় শ্ৰেণীকোঠাত সহকৰ্মীক পৰামৰ্শ প্ৰদানৰ কৌশল গ্ৰহণ কৰা | 10.4.3 অনুশীলনৰ, প্ৰবন্ধ, সমনীয়া গোটৰ আলোচনা আদিৰ যোগেদি শ্ৰেণীকোঠাত উপযুক্ত শিকণৰ কাৰণে বহুভাষিক শিক্ষাদানৰ প্ৰয়োজনীয়তা প্ৰদৰ্শন কৰা |

**মানদণ্ড 3: পেছাদাৰী বিকাশ আৰু উন্নয়ন**

| ক্ষেত্ৰ 11: শিকণৰ প্ৰয়োজনসমূহ | | |
|---|---|---|
| **প্ৰৱীণ শিক্ষক** | **উন্নত শিক্ষক** | **কৌশলী শিক্ষক** |
| **শিকণৰ প্ৰয়োজনীয়তাসমূহ চিনাক্ত কৰা আৰু নিজৰ পেছাদাৰী বিকাশৰ বাবে লক্ষ্য স্থিৰ কৰি লোৱা** | **অংশীদাৰসকলৰ পৰা আহৰণ কৰা তথ্যৰ ভিত্তিত পেছাদাৰী বিকাশৰ পৰিকল্পনা প্ৰস্তুত কৰা** | **সহকৰ্মীসকলৰ বাবে পেছাদাৰী বিকাশৰ সুযোগ আগবঢ়োৱা আৰু পৰিকল্পনা কৰা** |
| 11.1 বিকাশৰ বহুল ক্ষেত্ৰসমূহৰ সৈতে মোকাবিলা কৰাৰ বাবে পৰিকল্পনা চিনাক্ত কৰা | 11.3 উন্নয়নৰ ক্ষেত্ৰসমূহৰ সৈতে মোকাবিলা কৰিবলৈ কাৰ্য-গৱেষণা বা অন্য সক্ৰিয় পদক্ষেপ গ্ৰহণ কৰা | 11.5 সহযোগীসকলক তেওঁলোকৰ শিকণ প্ৰয়োজনীয়তা চিনাক্ত আৰু এই প্ৰয়োজনীয়তা পূৰণৰ বাবে উপযুক্ত ব্যৱস্থাৰ পৰিকল্পনা কৰাত পৰামৰ্শ দিয়া |

| | | |
|---|---|---|
| 11.2. নিৰ্দিষ্ট শিকণ প্ৰয়োজনীয়তাৰ কাৰণে কৰ্মশালা, সভা-সমিতি, প্ৰশিক্ষণ, আলোচনা চক্ৰ আদিৰ সন্ধান কৰা | 11.4. প্ৰবন্ধ, কিতাপৰ অধ্যায়, গ্ৰন্থ, সহকৰ্মীৰ দ্বাৰা পৰ্যালোচিত প্ৰকাশনত লিখা আৰু/বা অৰিহণা যোগোৱা | 11.6. আলোচনী আদিৰ বাবে প্ৰবন্ধ লিখা আৰু কাৰ্য-গৱেষণা হাতত লোৱাত সহকৰ্মীক পৰামৰ্শ প্ৰদান কৰা |
| **ক্ষেত্ৰ 12: চিন্তা-চৰ্চামূলক অনুশীলন** | | |
| **প্ৰৱীণ শিক্ষক** | **উন্নত শিক্ষক** | **কৌশলী শিক্ষক** |
| **চিন্তা-চৰ্চামূলক অনুশীলনৰ বিষয়ে বোধগম্যতা প্ৰদৰ্শন কৰা** | **নিজৰ শিক্ষণ অনুশীলনসমূহৰ সাল-সলনি কৰিবৰ বাবে চিন্তা-চৰ্চামূলক অনুশীলনৰ ব্যৱহাৰ কৰা** | **চিন্তা-চৰ্চামূলক অনুশীলনসমূহ প্ৰয়োগ কৰাৰ ক্ষেত্ৰত সহকৰ্মীসকলক সহায়/পৰামৰ্শ প্ৰদান কৰা** |
| 12.1. নিজৰ অনুশীলনৰ সক্ষমতা আৰু দূৰ্বলতাসমূহৰ সম্পৰ্কে আলোচনা কৰা<br><br>12.2. প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ সক্ষমতা আৰু দূৰ্বলতাসমূহৰ সম্পৰ্কে আলোচনা কৰা | 12.3. ছাত্ৰ-ছাত্ৰীৰ শিকণ প্ৰয়োজনীয়তাৰ আধাৰত পাঠ পৰিকল্পনা আৰু শ্ৰেণীকোঠাত ব্যৱহৃত কৌশলৰ ওপৰত চিন্তা-চৰ্চা নথিভুক্ত কৰা<br><br>12.4. শ্ৰেণীকোঠাত উন্নত পাঠদান-শিকণৰ বাবে অনুশীলনৰ সালসলনি কৰিবলৈ একাধিক পদ্ধতি গ্ৰহণ কৰা | 12.5. চিন্তা-চৰ্চামূলক অনুশীলনত সহকৰ্মীসকলক পৰামৰ্শ প্ৰদান কৰা<br><br>12.6. চলি থকা শিকণৰ বাবে সহকৰ্মী সমৰ্থন গোট গঢ়ি তোলাৰ উদ্যোগ লোৱা |
| **ক্ষেত্ৰ 13: এক শিকণ সম্প্ৰদায়ৰ সৈতে যুক্ত হোৱা আৰু অংশগ্ৰহণ কৰা** | | |
| **প্ৰৱীণ শিক্ষক** | **উন্নত শিক্ষক** | **কৌশলী শিক্ষক** |
| **বিদ্যালয়ৰ ভিতৰত আৰু বাহিৰত শিকণ অনুশীলনত অংশগ্ৰহণ কৰা** | **আলোচনা-চক্ৰ, চেমিনাৰ বা ৱেবিনাৰত তেওঁলোকৰ গৱেষণা আৰু শিকণ উপস্থাপন কৰা** | **বিদ্যালয়ৰ ভিতৰত এখন শিকণ সমাজ গঢ়ি তোলা আৰু পেছাদাৰী বিকাশৰ বাবে আলোচনা-চক্ৰৰ আয়োজন কৰা** |
| 13.1. বিদ্যালয়ৰ ভিতৰত আৰু বাহিৰত ভাগ-বতৰাকৃত শিকণৰ সুযোগৰ বাবে বিভিন্ন মঞ্চত বিভিন্ন উৎস ব্যৱহাৰ কৰা/অংশগ্ৰহণ কৰা<br><br>13.2. পেছাদাৰী শিকণ আৰু অনুসন্ধানক প্ৰসাৰিত কৰা প্ৰাসংগিক অনুষ্ঠানত বেছিভাগ সময়ত অংশগ্ৰহণকাৰী বা পৰ্যবেক্ষক ৰূপে অংশগ্ৰহণ কৰা | 13.3. ৰাজ্যিক পৰ্যায়ৰ সন্মিলন/আলোচনা চক্ৰত নিজৰ শিক্ষণ, শ্ৰেণীকোঠাৰ পৰীক্ষা আদি নিয়মিতভাৱে উপস্থাপন কৰা<br><br>13.3. নিজৰ শিক্ষণ, শ্ৰেণীকোঠাৰ পৰীক্ষা-নিৰীক্ষা আদি নিয়মিতভাৱে ৰাষ্ট্ৰীয় সন্মিলন/ আলোচনা চক্ৰত উপস্থাপন কৰা | 13.4. সহকৰ্মীসকলৰ শিকণৰ প্ৰসাৰৰ বাবে যৌথভাৱে কৰ্মশালা, সভা, প্ৰশিক্ষণ, আলোচনা চক্ৰ, সন্মিলন আদিৰ আয়োজন কৰা<br><br>13.4. চুবুৰীয়া বিদ্যালয়ৰ শিক্ষকসকলেৰে গঠিত এক বিস্তাৰিত শিক্ষণ সম্প্ৰদায়ৰ বিকাশৰ দিশত কাম কৰা |

# 7. NPSTত NCQTৰ বাবে ডিজিটেল আন্তঃগাঁথনিৰ পৰিকল্পনা





**NPSTত কৰ্ম পৰিসৰৰ পৰামৰ্শিত উপাদানসমূহ**

- **NPST পৰ্টেল সৃষ্টি**
  শিক্ষক সঞ্চয়াগাৰ, শিকণ সঞ্চয়াগাৰ, প্ৰমাণপত্ৰ ব্যৱস্থাপনা, NPSTৰ কাৰণে মূল্যায়ন (নিজৰ আৰু পৰামৰ্শ প্ৰদানকৃত), ৰূপায়ণৰ বাবে NPST ডিজিটেল আঁচনি, প্ৰতিষ্ঠান আৰু কাৰ্যসূচী ব্যৱস্থাপনা, দীক্ষা (DIKSHA)/নিষ্ঠা (NISHTHA)ৰ সৈতে স্ব-শিকণ সেৱা, শিকণ/প্ৰশিক্ষণ/CPD ৰ প্ৰমাণৰ বাবে সঞ্চয়াগাৰ, প্ৰতিটো ক্ষেত্ৰ আৰু মানদণ্ডৰ বাবে শিক্ষকসকলৰ বোধগম্যতাৰ পৰিসৰ বৃদ্ধি কৰিবলৈ শিক্ষকৰ বাবে ই-পৰ্টফলিঅ', বিভিন্ন দক্ষতাৰ ক্ষেত্ৰত শিক্ষকসকলৰ স্ক'ৰ আৰু পাৰদৰ্শিতা লাভ কৰিব পৰাৰ ব্যৱস্থা, স্ব-মূল্যায়নৰ সঁজুলি, শিক্ষকৰ তথ্য সংৰক্ষণৰ বাবে ডাটাবেছৰ বিকাশ
- **NPSTৰ ৰূপায়ণ আৰু নিৰীক্ষণ ছফ্টৱেৰ**
  - ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত NPST ৰূপায়ণৰ বাবে অবিৰত নিৰীক্ষণ ব্যৱস্থা
  - শিক্ষকৰ অবিৰত পেছাদাৰী বিকাশৰ তথ্য ৰখা
  - শিক্ষক প্ৰশিক্ষকসকলক নিৰীক্ষণৰ বাবে ডিজিটেল প্লেটফৰ্ম
  - অবিৰত পেছাদাৰী বিকাশৰ বাবে স্ব-নিৰ্ধাৰিত গতিৰে গ্ৰহণ কৰা পাঠ্যক্ৰম
  - ৱেব আৰু এপ নিৰ্ভৰ শিকণ সুবিধা
  - সেৱাৰত শিক্ষকসকল
  - প্ৰাক-সেৱা শিক্ষকসকল
  - শিকণৰ প্ৰমাণৰ তথ্য ৰখা
- **বিষয়বস্তু ব্যৱস্থাপনা আৰু তথ্য ভাগ-বতৰা**
- **ডিজিটেল ব্যৱস্থাপনা আৰু যোগাযোগ:**
  - লক্ষ্য গোট/অংশীদাৰসকলৰ সৈতে তাৎক্ষণিকভাৱে যোগাযোগৰ বাবে ডিজিটেল কনফাৰেঞ্চিং মঞ্চ

চিত্ৰ. 6 NPSTত NCTQৰ বাবে ডিজিটেল বিকাশৰ পৰিকল্পনাৰ ব্যাখ্যাচিত্ৰ




চিত্ৰ. 7 ডিজিটেল আৰ্হিৰূপৰ ব্যাখ্যাচিত্ৰ




চিত্ৰ. 8 প্ৰাৰম্ভিক অধ্যয়ন ৰূপায়ণৰ ব্যাখ্যাচিত্ৰ

# ব্যাখ্যাচিত্ৰৰ তালিকা


| ক্ৰমিক নং | চিত্ৰ | পৃষ্ঠা |
|---|---|---|
| 1. | শিক্ষকৰ প্ৰস্তুতিৰ ব্যাখ্যাচিত্ৰ | 7 |
| 2. | পেছাদাৰী মানদণ্ড আৰু সক্ষমতাৰ ব্যাখ্যাচিত্ৰ | 13 |
| 3. | মূল প্ৰমূল্য আৰু নৈতিকতাবোধৰ ব্যাখ্যাচিত্ৰ | 14 |
| 4. | জ্ঞান আৰু অনুশীলনৰ ব্যাখ্যাচিত্ৰ | 15 |
| 5. | পেছাদাৰী বিকাশ আৰু উন্নয়নৰ ব্যাখ্যাচিত্ৰ | 15 |
| 6. | NPSTত NCTQৰ বাবে ডিজিটেল বিকাশৰ পৰিকল্পনাৰ ব্যাখ্যাচিত্ৰ | 35 |
| 7. | ডিজিটেল আৰ্হিৰূপৰ ব্যাখ্যাচিত্ৰ | 36 |
| 8. | প্ৰাৰম্ভিক অধ্যয়ন ৰূপায়ণৰ ব্যাখ্যাচিত্ৰ | 36 |

# সংক্ষিপ্ত ৰূপসমূহ

| | |
|---|---|
| ACR | Annual Confidential Report |
| APR | Annual Performance Appraisal |
| CPD | Continuous Professional Development |
| DIET | District Institute of Education & Training |
| DPEP | District Primary Education Project |
| FLN | Foundational Literacy and Numeracy |
| GoI | Government of India |
| ICT | Information and Communication Technology |
| INSET | Inservice Education and Training |
| JNVS | Jawahar Navodaya Vidyalaya Samiti |
| KVS | Kendriya Vidyalaya Sangathan |
| MoE | Ministry of Education |
| NCTE | National Council for Teacher Education |
| NCERT | National Council of Educational Research & Training |
| NCFTE | National Curriculum Framework for Teacher Education |
| NCTQ | National Centre for Teacher Quality |
| NEP 2020 | National Education Policy 2020 |
| NIEPA | National Institute for Educational Planning and Administration |
| NPST | National Professional Standards for Teachers |
| NMM | National Mission for Mentoring |
| PI | Performance Indicator |
| PSTE | Pre-service Teacher Education |
| RIE | Regional Institute of Education |
| RPL | Recognition of Prior Learning |
| RTE | Right to Education |
| SCERT | State Council of Educational Research & Training |
| SSA | Sarva Shiksha Abhiyan |
| TEI | Teacher Education Institution |
| TEP | Teacher Education Programme |
| TET | Teacher Eligibility Test |

# গ্ৰন্থপঞ্জী


- Australian Institute for Teaching and School Leadership. (2018). Australian Professional Standards for Teachers.

  https: /www.aitsl.edu.au/docs/default-source/national-policy-framework/australian-professional-standards-for-teachers.pdf

- Department of Education. (2021). Teachers' Standards: Guidance for School Leaders, School Staff and Governing Bodies.

  https://assets.publishing.service.gov.uk/government/uploads/system/uploads/attachment_data/file/1040274/Teachers_Standards_Dec_2021.pdf

- Education International and UNESCO. (2019). Global Framework of Professional Teaching Standards.

  https://issuu.com/educationinternational/docs/2019_ei-unesco_framework

- Government of India (2020a). National Education Policy 2020.

  https://www.education.gov.in/sites/upload_files/mhrd/files/NEP_Final_English_0.pdf

- Government of India. (2022b). The constitution of India.

  https: /cdnbbsr.s3waas.gov.in/s380537a945c7aaa788ccfcdf1b99b5d8f/uploads/2023/05/2023050195.pdf

- National Commission on Teachers. (1986). The Teacher and Society: Report of the National Commission on Teachers-I.

- National Council for Teacher Education. (2009). National Curriculum Framework for Teacher Education. New Delhi: NCTE.

- National Council of Educational Research and Training. (2005). National Curriculum Framework 2005. NCERT.

- National Council of Educational Research and Training. (2019). Teacher's Self-Assessment. https://ncert.nic.in/pdf/announcement/TSAR.pdf

- National Qualifications Authority. (2021). Teacher Standards for the UAE.

  https://tls.moe.gov.ae/Downloads/SNSC%20standards%20teachers%20English.pdf

- The Right to Free and Compulsory Education Act. (2009). (Gazette Extraordinary), Ministry of Law and Justice, Government of India, New Delhi.

  https: /righttoeducation.in/sites/default/files/Right%20of%20Children%20to%20Free%20and%20Compulsory%20Education%20Act%202009%20(English).pdf

- Verma, J.S. (2013). Report of the Committee on Amendments to Criminal Law, 2013. New Delhi.

  https://adrindia.org/sites/default/files/Justice_Verma_Amendmenttocriminallaw_Jan2013.pdf

राष्ट्रीय अध्यापक शिक्षा परिषद्
(भारत सरकार का एक सांविधिक निकाय)

गुरुर्गुरुतमो धाम
NCTE

National Council for Teacher Education
(A Statutory Body of the Government of India)

By e-mail / Hand / Speed Post / Fax

NCTE-Acad013/2/2021-O/o US(Acad.)-HQ 31st August 2021

**OFFICE ORDER (Revised)**

It is decided to constitute a committee of the following members on National Professional Standards for Teachers (NPST) within NCTE. The committee would examine the relevance of para 5.20 of NEP 2020 and devise an appropriate strategy for developing & designing a National document on NPST.

| SI. No. | Name & Address | Designation |
|---|---|---|
| 1. | Prof. CK Saluja, (Rtd). CIE, DU. New Delhi, | Chair |
| 2. | Prof. Anil Kumar Shukla. VC. KMCL University. Lucknow, UP | Member |
| 3. | Dr. Shakila T Shamshu. former OSD. DONE. MoE. New Delhi | Member |
| 4. | Prof Padma Sarangpani, TISS. Maharashtra | Member |
| 5. | Prof. Ranjana Arora, NCERT, New Delhi | Member |
| 6. | Prof K Ramchandran (Rdt) NIEPA. New Delhi | Member |
| 7. | Dr. Vishwajit Saha, Director CBSE. New Delhi | Member |
| 8. | Dr. Robin Chetri, SCERT, Gangtok, Sikkim | Member |
| 9. | Ms. Ramya Vcnkatraman. CENTA, Bangalore, Karnataka | Member |
| 10. | Shri. D K Chaturvedi, Under Secretary. NCTE. New Delhi | Convener |
| 11. | Dr. Parul. Senior Academic Consultant, NCTE, New Delhi | Co-convener |

2. Terms of Reference: -

i. Formulation of pragmatic aspects of the policy of NEP on NPST and Cross linking.

ii. Evolving guideline for the establishment of National Centre for Teachers Quality (NCTQ) under NPST at NCTE lig.. New Delhi.

iii. Structured plan of Action on Implementation of NPST and State grading formula.

iv. Review of data of digital consultations institutional consultation on NPST and developing strategy for National/ State level consultation for preparing this national document.

v. There are many countries which have the mechanism of National Professional Standards for Teachers (NPST). Mapping of NPST of these and some other countries and Development& Design of a draft framework on NPST.

vi. Extensive review of the inputs collected during the consultation period across the country will be done by the expert committee.

Cont. Pg 2/-

जी - 7, सेक्टर -10, द्वारका, नई दिल्ली - 110075
Phone : +91-11-20893266, Fax : +91-11-20893270 Email : ms@ncte-india.org
Website : www.ncte.gov.in

vii. The committee will then undertake a review of the areas of the teacher activities requiring common/current competency level of teachers. The committee will finally formulate the draft going through the several revisions before the NPST Draft is released for public review. Comments by the reviewers from amongst the stakeholders will then be used to prepare a final draft for notification.

viii. Preparation of a Self-Development Guide/Assessment Tools on NPST will also be designed for successful implementation of NPST. This will also include the teacher's professional role and responsibility in terms of quality because of the teacher's growing role beyond the classroom, achievement of standards as well underlying teachers's participation in decision to the education matter at the school/district/sale/national level.

ix. Ensuing Completion of all tasks within 3 months, so as to implement NPST from Academic Session 2022-23.

x. Any other point found relevant to NPST implemention as per the directive of NEP 2020.

xi. To hold discussion/meeting with other stakeholders whenever necessary. The Committee may consult/co-opt teachers / Principals/ Experts as when required.

xii. TA/DA/Sitting fees shall be paid as per the NCTE Rules. The NCTE would provide the secretarial assistance as per requirement.

3. This has approval of the competent authority.

Kesang Y Sherpa

**(Kesang Y. Sherpa)**
**Member Secretary**

Copy to-

1) PS to CP for information please.
2) Deputy Secretary/Under Secretary, GA/Academic/Accounts/EDP, NCTE.
3) Copy to all concerned.
4) Guard file.

गुरूर्गुरूतमो धाम

NCTE

কপিৰাইট
এই তথ্যপুস্তিকা আৰু বিতংভাৱে উল্লিখিত সকলো প্ৰক্ৰিয়া হৈছে ৰাষ্ট্ৰীয় শিক্ষক শিক্ষা পৰিষদৰ বৌদ্ধিক সম্পত্তি আৰু কপিৰাইটৰ দ্বাৰা সুৰক্ষিত।

সৰ্বস্বত্ব সংৰক্ষিত।

Language consultancy and translation facilitated by
**National Translation Mission**
**Central Institute of Indian Languages, Mysore**

गुरूर्गुरूतमो धाम
NCTE

## ৰাষ্ট্ৰীয় শিক্ষক শিক্ষা পৰিষদ
(ভাৰত চৰকাৰৰ এক বিধিগত সংস্থা)

## National Council for Teacher Education
**(A Statutory Body of the Government of India)**